**Assam Legislative Assembly**
**Unstarred Question No- 45.**
**Date of Reply –18-02-2026**

**Sub. : Rural Stadium**
**MLA: Shri SIRAJUDDIN AJMAL :**

**Will the Minister of Sports & Youth Welfare Department be pleased to state :**

a) Is the Government aware that the Chief Engineer (Buildings), PWD had taken necessary steps for the construction of three rural sports stadiums at Islamnagar, Nilbagan and Borhwar; accordingly, to take all necessary steps, he had issued a letter (Ref No.1/85372/2024 dated 11/12/2024) to the Executive Engineer, PWD (Buildings), Hojai Division ?
b) If so, please give the latest update regarding the above matter, including the process of allocating funds for the construction of these three rural sports stadiums in the current year; please provide details.
c) If funds are not allocated in the current year, will the process of allocating funds for the above three rural sports stadiums be completed by the next financial year ? Please provide details.

**Hon'ble Minister, Sports & Youth Welfare Department Smti Nandita Gorlosa will reply:-**

**a)** Yes, the Government is aware that the Chief Engineer (Buildings), PWD, had taken necessary steps for the construction of three sports stadiums at Islamnagar, Nilbagan and Borhwar.

**b)** As informed by Chief Engineer PWD (Buildings.), DPR is being prepared for the aforesaid projects.

**c)** As informed by the Chief Engineer, PWD (Buildings) fund allocation is not available at present.
It may be stated here that all sports infra projects are funded from the 'Global Head' of Public Works (Buildings) Department and no separate funds are allocated to Sports and Youth Welfare Department for construction of stadiums.

**********

অসম বিধান সভা
তৰা বিহীন প্ৰশ্ন নং : ৪৬
উত্তৰ দিয়া তাৰিখ : ১৮/০২/২০২৬

বিষয়ঃ **চৰ অঞ্চল উন্নয়ন** শ্ৰীপ্ৰদীপ সৰকাৰ, মাননীয় বিধায়ক

মাননীয় সংখ্যালঘু কল্যাণ আৰু উন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) চৰ এলেকাত বিদ্যালয় নিৰ্মাণ পৰিকল্পনা কৰাৰ সময়ত শিক্ষা অধিকাৰ আইন( **RTE** ) ৰ বিদ্যালয় দূৰত্ব নীতি প্ৰয়োগ কৰা হৈছেনে? যদি হৈছে, দূৰত্ব অনুযায়ী তলত দিয়া ধৰনে বিদ্যালয়লৈ যোৱা শিশুসকলৰ বিৱৰণ দাঙি ধৰিব-

| দূৰত্ব অতিক্ৰম | শ্ৰেণী ১-৫ ৰ শিক্ষাৰ্থীৰ সংখ্যা | শ্ৰেণী ৬-৮ ৰ শিক্ষাৰ্থীৰ সংখ্যা |
|---|---|---|
| ১ কিঃমিঃৰ ভিতৰত | | |
| ১-২ কিঃমিঃ | | |
| ২-৩ কিঃমিঃ | | |
| ৩ কিঃমিঃ + | | |

(খ) চৰ এলেকাত বিদ্যালয়লৈ খোজকাঢ়ি বা নাৱেৰে অহা-যোৱা কৰা শিশুসকলে সন্মুখীন হোৱা সুৰক্ষাৰ বিষয়ে আৰু কন্যাৰ স্বাস্থ্যজনিত সুবিধাৰ বাবে চৰকাৰে কোনো মূল্যায়ন কৰিছে নেকি? যদি কৰিছে, তেন্তে বিৱৰণ দাঙি ধৰিব।

(গ) বিগত তিনি বছৰত মাধ্যমিক শিক্ষা বিভাগ আৰু চৰ এলেকা উন্নয়ন প্ৰাধিকৰণৰ মাজত কোনো যৌথ পৰ্য্যালোচনা বৈঠক অনুষ্ঠিত হৈছে নেকি? যদি হৈছে, তেন্তে অনুষ্ঠিত বৈঠকৰ বিৱৰণ দাঙি ধৰিব।

**<u>উত্তৰ</u>**

মাননীয় সংখ্যালঘু কল্যাণ আৰু উন্নয়ন বিভাগৰ মন্ত্ৰী শ্ৰীমতী নন্দিতা গৰ্লোচা মহোদয়াই উত্তৰ দিব।

(ক) অসমৰ চৰ এলেকাত পূৰ্বতে সাধাৰণতে চৰকাৰৰ দ্বাৰা বিভাগীয়ভাৱে কোনো প্ৰাথমিক বা উচ্চ প্ৰাথমিক বিদ্যালয় স্থাপন কৰা হোৱা নাছিল। ৰাইজে স্থাপন কৰা বিদ্যালয় সমূহহে ৰাজ্য চৰকাৰে প্ৰাদেশিকীকৰণৰ মাধ্যমেৰে চৰকাৰী বিদ্যালয় হিচাপে অন্তৰ্ভুক্ত কৰে। সেইবাবে বিদ্যালয় RTE ৰ দূৰত্ব নীতি আৰু ৰাইজৰ সুবিধা মতে অৱস্থিত। কিন্তু গৰাখহনীয়া আৰু বানপানীৰ বাবে কিছু স্থানত বিদ্যালয় সমূহ সময়ে সময়ে স্থানান্তৰৰ প্ৰয়োজন হয়। আৰু সেই বাবে সাময়িকভাৱে কিছু দূৰত্বৰ তাৰতম্য আহি পৰে যদিও, তাৰ প্ৰতিকাৰৰ ব্যৱস্থা সময়ে সময়ে লৈ থকা হয়।

বিদ্যালয় আৰু শ্ৰেণী অনুযায়ী ছাত্ৰ-ছাত্ৰীৰ সংখ্যা UDISE ত উপলব্ধ। কিন্তু দূৰত্ব অনুযায়ী বিদ্যালয়লৈ যোৱা শিশুৰ তথ্য UDISE ত বৰ্তমানলৈকে উপলব্ধ নোহোৱাৰ পৰিপ্ৰেক্ষিতত উক্ত তথ্য দাখিল কৰিব পৰা নগ'ল।

অসম চৰকাৰৰ মহিলা আৰু শিশু উন্নয়ন বিভাগৰ অধিনত ৩ পৰা ৬ বছৰ শিশু সকলক প্ৰাক প্ৰাথমিক অনুশীলন শিক্ষা অংগনবাড়ী কেন্দ্ৰ সমূহত প্ৰদান কৰা হয়। এই কেন্দ্ৰসমূহ সাধাৰণতে শিশু সকলৰ বাসভৱনৰ ১ কিলোমিটাৰ ব্যসাৰ্ধৰ ভিতৰত অৱস্থিত হয়।

(খ) চৰ অঞ্চলৰস্কুলীয়া কন্যা শিশুৰ স্বাস্থ্য সম্বন্ধীয় সা- সুবিধাৰ তথ্য **<u>www.cms.neva.gov.in</u>** পৰ্টেলত **<u>পৰিশিষ্ট "ক"</u>** ত জিলা অনুসৰি উল্লেখ কৰা হ'ল।

(গ) বিগত তিনি বছৰত শিক্ষা বিভাগ আৰু সংখ্যালঘু কল্যাণ আৰু উন্নয়ণ বিভাগৰ ( চৰ এলেকা উন্নয়ণ প্ৰাধিকৰণ সংখ্যালঘু কল্যাণ আৰু উন্নয়ণ বিভাগৰ অধিনত পৰে ) মাজত যৌথ বৈঠক অনুষ্ঠিত হৈছে। উক্ত বৈঠকৰ কাৰ্য্য বিৱৰণী **<u>www.cms.neva.gov.in</u>** পৰ্টেলত **<u>পৰিশিষ্ট 'খ'</u>** হিচাপে দিয়া হৈছে।

------------------------------

অসম বিধান সভা
তৰাবিহীন প্ৰশ্ন নং : ৪৭
উত্তৰ দানৰ তাৰিখ : ১৮-০২-২০২৬
বিভাগ : কৃষি ।
*বিষয়ঃ* **আচঁনি সম্পৰ্কে ।**
বিধায়কৰ নাম : ডাঃ আচিফ মোহম্মদ নাজাৰ :

## প্ৰশ্ন

মাননীয় কৃষি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) অসমত APART Schemeৰ অধীনত ক'ত ক'ত কি কাম চলি আছে ? সমষ্টি ভিত্তিত তালিকাসহ জনাব ।

(খ) অসমত কৃষি বিভাগত কিমান আচঁনি চলি আছে ? তাৰে কিমান আচঁনি লাহৰিঘাট সমষ্টিত চলি আছে ?

(গ) মৰিগাঁও জিলাৰ লাহৰিঘাট, ভূৰাগাঁও, মৈৰাবাৰী আদি অঞ্চলত যথেষ্ঠ শাক-পাচলি উৎপাদন হোৱা বিষয়টো চৰকাৰ অৱগতনে ?

(ঘ) যদি অৱগত, তেনেহ'লে লাহৰিঘাট সমষ্ঠিত বিজ্ঞানসন্মত Cold Storage স্থাপন কৰাৰ ব্যৱস্থা চৰকাৰে লৈছেনে ?

## উত্তৰ

মাননীয় কৃষি বিভাগৰ মন্ত্ৰী শ্ৰী অতুল বৰা দেৱে উত্তৰ দিবঃ

(ক) অসমত APART Scheme খন ২০২৫ চনৰ ৩০ চেপ্টেম্বৰ তাৰিখৰ পৰা বন্ধ হৈছে । সেহেয়ে বৰ্তমানে এই প্ৰকল্পৰ অধীনত কোনো ধৰণৰ কাম চলি থকা নাই ।

(খ) অসমত কৃষি বিভাগত ২১ টা আচঁনি চলি আছে (আঁচনি সমূহ পৰিশিষ্ট 'ক' ত সন্নিৱিষ্ট কৰা হ'ল) । তাৰে লাহৰীঘাট সমষ্টিত চলি থকা কৃষি আচঁনি সমূহ হ'ল : ১).Digital Crop Survey, ২).RKVY, ৩).FNS, ৪).NMEOS, ৫).Farmers Registry, ৬).ATMA, ৭).PMFBY, ৮).PMKSY, ৯).PMKISAN, ১০).Paddy & Mustard Procurement, ১১).HMNEH, ১২).RIDF, ১৩).SMAM

উদ্যান শস্য আৰু খাদ্য সংসাধন সঞ্চালকালয়ে ভাৰত চৰকাৰৰ অধীনত অসমত কাৰ্যকৰী কৰি থকা আঁচনিসমূহ:-

১। উত্তৰ পূব আৰু হিমালয়ৰ পাদদেশৰ ৰাজ্যসমূহৰ বাবে উদ্যান শস্য অভিযান (HMNEH)

২। উত্তৰ পূৰ্বাঞ্চলৰ বাবে জৈবিক মূল্য শৃংখল উন্নয়ন অভিযান (MOVCD-NER)

৩। প্ৰধানমন্ত্ৰী কৃষি সিঞ্চায় যোজনা (PMKSY-PDMC)

ইয়াৰ ভিতৰত লাহৰীঘাট সমষ্টিত উত্তৰ পূব আৰু হিমালয়ৰ পাদদেশৰ ৰাজ্যসমূহৰ বাবে উদ্যান শস্য অভিযান (HMNEH) আৰু প্ৰধানমন্ত্ৰী কৃষি সিঞ্চায় যোজনা (PMKSY-PDMC) আচঁনি ৰূপায়ণ কৰা হৈ আছে ।

(গ) অৱগত হয় ।

(ঘ) উদ্যান শস্য আৰু খাদ্য সংসাধন সঞ্চালকালয়, অসমৰ অধীনত চলি থকা উত্তৰ পূব আৰু হিমালয়ৰ পাদদেশৰ ৰাজ্যসমূহৰ বাবে উদ্যান শস্য অভিযানৰ অধীনত (HMNEH) Cold Storage স্থাপন কৰাৰ ব্যৱস্থা আছে । এই আচঁনি অধীনত ইচ্ছুক কৃষকে ৫০% ৰাজসাহায্যত শীত তাপ ভড়াল (Cold Storage) স্থাপনৰ ব্যৱস্থা কৰিব পাৰে যদিও এতিয়ালৈকে কোনো যোগ্য হিতাধীকাৰীয়ে এই সুবিধাৰ সুযোগ লোৱা নাই।

****************

পৰিশিষ্ট (Annexure) সমূহ PDF আকাৰে অনলাইন যোগে দাখিল কৰা হ'ল।

অসম বিধান সভা
তৰা বিহীন প্ৰশ্ন নং- ৪৮
উত্তৰ দিয়া তাৰিখ ১৮-০২-২০২৬

বিষয় : খনিজ পদাৰ্থ
।

শ্ৰীমতী দিপ্তীময়ী চৌধুৰী, বিধায়িকা

মাননীয় খনি আৰু খনিজাত দ্ৰব্য বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) অসমত কি কি খনি আৰু খনিজাত দ্ৰব্য পোৱা যায়?

(খ) বৰ্তমান অসমৰ ভূ-গৰ্ভত কিমান খনি আৰু খনিজাত দ্ৰব্য মজুত আছে ?শেহতীয়া জৰীপৰ ওপৰত ভিত্তি কৰি তথ্যসমূহ দাখিল কৰিব।

(গ) চৰকাৰে ২০২১-২২, ২০২২-২০২৩,২০২৩-২৪,২০২৪-২৫, আৰু ২০২৫-২৬ বিত্তীয় বৰ্ষৰ এই সময়লৈ কিমান ৰয়েল্টি লাভ কৰিছে? তথ্যসমূহ খনি আৰু খনিজাত দ্ৰব্য অনুযায়ী পৃথকে পৃথকে দাখিল কৰিব।

(ঘ) অসমৰ ভূ-গৰ্ভত যিমান খাৰুৱা তেল আছে সেই খাৰুৱা তেল আৰু কিমান দিনলৈ আহৰণ কৰিব পৰা যাব?

উত্তৰ

মাননীয় খনি আৰু খনিজাত দ্ৰব্য বিভাগৰ মন্ত্ৰী শ্ৰীকৌশিক ৰায় মহোদয়ে উত্তৰ দিব ।

(ক) অসমত বৰ্তমানলৈকে বিভিন্ন খনিজ আৰু খনিজাত সামগ্ৰী যেনে- খাৰুৱা তেল, কয়লা, প্ৰাকৃতিক গেছ, চূণশিল, চীনামাটি, আকৰিক লো, গ্লাচচেণ্ড, চিলিমেনাইট, গ্ৰেনাইট, কোৱাৰ্টজাইট, চেণ্ডষ্টোন, ফ্লুৰাইট আৰ্থ আৰু ৰেয়াৰ আৰ্থ এলিমেণ্ট পোৱা গৈছে ।

(খ) বৰ্তমান অসমৰ ভূ-গৰ্ভত মজুত থকা খনিজ আৰু খনিজাত দ্ৰব্যৰ আনুমানিক পৰিমাণ ANNEXURE-1 ত দাখিল কৰা হ'ল ।

(গ) অসম চৰকাৰে ২০২১-২২, ২০২২-২০২৩,২০২৩-২৪,২০২৪-২৫, আৰু ২০২৫-২৬ বিত্তীয় বৰ্ষৰ এই সময়লৈকে লাভ কৰা ৰয়েল্টিৰ তথ্য খনি আৰু খনিজাত দ্ৰব্য অনুযায়ী পৃথকে পৃথকে ANNEXURE-2 ত দাখিল কৰা হ'ল ।

(ঘ) বৰ্তমানলৈকে হোৱা জৰীপ আৰু বিভাগীয় তথ্য অনুসৰি অসমৰ ভূ গৰ্ভত-মজুত থকা খাৰুৱা তেল আনুমানিক প্ৰায় পয়ত্ৰিশ-চল্লিশ বছৰলৈ আহৰণ কৰিব পৰা যাব।

................

Uploaded in National eVidhan Application

**ASSAM LEGISLATIVE ASSEMBLY**
**UNSTARRED ASSEMBLY QUESTION No. 49**
**DATE OF REPLY: 18/02/2026**

Sub : Barpeta DMF etc. Shri Sherman Ali Ahmed, MLA.

Will the Minister of Mines and Minerals be pleased to state:

(a) What are the minerals extracted in Assam? Please furnish year-wise amount of royalty received from each mineral for the last 15 years.
(b) Whether tender was floated before grant of mining leases/exploration licenses? Please furnish copies of tenders, list of bidders, amount quoted by each and name of the bidders selected for the last 5 years for each mineral.
(c) What amounts are received by Barpeta DMFT from lessees, grant, contribution or other capital assistances, interest accrued etc. wef 2015? Please furnish year-wise details.
(d) What schemes are sanctioned by Barpeta DMFT ab-initio? Please furnish year-wise details including name of scheme with amount, location, implementing agency, beneficiaries for each scheme and minutes of each DMFT meeting where these schemes were approved.
(e) When meetings of Barpeta DMFT were held wef 2021 till date? Please furnish details including minutes of each meeting.
(f) Please furnish copies of annual audit reports of accounts of Barpeta DMFT.

**ANSWERS :**

Shri Kaushik Rai, Hon'ble Minister, Mines and Minerals Department will answer-

(a) In the State of Assam various minerals such as Crude oil, Natural Gas, Coal, Limestone, Quartzite and China Clay have been extracted and received royalty against these minerals. The details of year-wise amount of royalty received from each mineral for the last 15 years is enclosed as **ANNEXURE-1**.

(b) Yes. The copies of tenders, list of bidders, amount quoted by each and name of the bidders selected for the last 5 years for each mineral is enclosed as **ANNEXURE-2.**

(c) The details of amounts received by Barpeta DMFT from lessees, grants, contributions, other capital assistance, interest accrued, etc., with effect from 2015 are enclosed as **ANNEXURE-3**. It is mentioned here that the DMFT in Barpeta District was established in the year 2017-18; therefore, the collection of funds commenced from the financial year 2018–19.

(d) As the DMFT in Barpeta District was established in the year 2017-18 and the meeting of Barpeta DMFT was held on 29/01/2020, the implementation of projects started thereafter. The details of the schemes, including the amount, location, implementing agency, and beneficiaries for each scheme, are enclosed as **ANNEXURE-4**.

(e) The meeting of Barpeta DMFT was held on 29/01/2020, covering the period from 2021 till date. During this period, one meeting of DMFT Barpeta District was held. The minutes of the meeting are enclosed as **ANNEXURE-5**.

(f) The copies of annual audit reports of accounts of Barpeta DMFT is enclosed as **ANNEXURE-6, 7, 8, 9, 10, 11 and 12.**

**********************************

Uploaded in National eVidhan Application

**অসম বিধান সভা**
**তৰাবিহীন প্ৰশ্ন নং - ৫০**
**বিষয়ঃ আমাৰ দোকান অন হুইলছ সন্দৰ্ভত**
**বিধায়কৰ নাম :- শ্ৰীদিগন্ত বৰ্মনঃ**
**উত্তৰ দিয়া তাৰিখ :- ১৮-০২-২০২৬**

**<u>প্ৰশ্নঃ</u>**

মাননীয় খাদ্য, ৰাজহুৱা বিতৰণ আৰু উপভোক্তা পৰিক্ৰমা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) চৰকাৰে "আমাৰ দোকান অন হুইলছ" আঁচনি বন্ধ কৰিছে নেকি ? যদি কৰিছে, তেন্তে আঁচনি বন্ধ কৰাৰ তাৰিখ আৰু কাৰণ দাঙি ধৰিব।

(খ) আঁচনিৰ অধীনত ক্ৰয় কৰা ই-ৰিক্সাসমূহ বৰ্তমান অব্যৱহৃত অৱস্থাত আছে নেকি ? যদি আছে, তেন্তে এই বাহনসমূহৰ বৰ্তমান অৱস্থান আৰু অৱস্থা সন্দৰ্ভত বিতং তথ্য দাঙি ধৰিব।

**<u>উত্তৰঃ</u>**

মাননীয় খাদ্য, ৰাজহুৱা বিতৰণ আৰু উপভোক্তা পৰিক্ৰমা বিভাগৰ মন্ত্ৰী শ্ৰী কৌশিক ৰায় মহোদয়ে উত্তৰ দিবঃ

ক) সাধাৰণ ৰাইজৰ বাবে মুকলি বজাৰতকৈ কম মূল্যত নিত্য ব্যৱহাৰ্য্য সামগ্ৰী উপলব্ধ কৰাৰ উদ্দেশ্যেৰে ২০১৭-১৮ বৰ্ষত "আমাৰ দোকান অন হুইলছ" শীৰ্ষক আঁচনিখন আৰম্ভ কৰা হৈছিল যদিও, আৰম্ভনি বৰ্ষটোত ৰাইজৰ পৰা আশানুৰূপ সঁহাৰি নোপোৱাৰ পৰিপ্ৰেক্ষিতত ২০১৮-১৯ বৰ্ষৰ পৰা এই আঁচনিৰ বিপৰীতে নতুনকৈ কোনো হিতাধিকাৰী বাচনি কৰা হোৱা নাই।

খ) এই আঁচনিৰ অধীনত ক্ৰয় কৰা ই-ৰিক্সাসমূহৰ কিছুমান কাৰ্যক্ষম হৈ আছে আৰু কিছুমান বিকল হৈ হিতাধিকাৰীৰ অধীনত অব্যৱহৃত অৱস্থাত আছে। জিলাভিত্তিত ই-ৰিক্সাসমূহৰ বৰ্তমান অৱস্থান আৰু অৱস্থা অসম বিধানসভাৰ ৱেবচাইট www.neva.gov.in (সংলগ্ন-'ক')ত উপলব্ধ কৰা হ'ল ।

************************************

অসম বিধান সভা
তৰা বিহীন প্ৰশ্ন নং : ৫১
উত্তৰ দিয়া তাৰিখ : ১৮/০২/২০২৬

বিষয়ঃ MSDP আঁচনি-ৱাক্‌ফ ব'ৰ্ড পুনৰ গঠন শ্ৰীনিজানুৰ ৰহমান, মাননীয় বিধায়ক

মাননীয় সংখ্যালঘু কল্যাণ আৰু উন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) বিগত দিনত অসমত ৰূপায়ণ কৰা MSDP আঁচনিৰ কোনকেইটা কামৰ ব্যৱহাৰিক প্ৰমাণপত্ৰ (UC) কেন্দ্ৰীয় চৰকাৰলৈ প্ৰেৰণ কৰিব পৰা হোৱা নাই ? প্ৰতিটো কামৰ বিপৰীতে কি কাৰণত UC দিব পৰা হোৱা নাই তাৰ কাৰণ জনাব ।

(খ) PMJVKY আঁচনিৰ অধীনত অসমত কোনকেইটা আঁচনি ৰূপায়ণ কৰি থকা হৈছে ? বিতং তথ্য জনাব।

(গ) সংখ্যালঘু ছাত্ৰ বৃত্তি প্ৰদানৰ গাইডলাইন কি ? বিগত ৭ টা বিত্তীয় বৰ্ষত ৰাজ্যত পোষ্ট-মেট্ৰিক আৰু প্ৰি-মেট্ৰিক ছাত্ৰ বৃত্তি কিমান ছাত্ৰ-ছাত্ৰীয়ে গাইপতি কিমানকৈ আৰু সৰ্বমুঠ কিমানকৈ ধন লাভ কৰিছে ?

(ঘ) ৱাক্‌ফ ব'ৰ্ডৰ কমিটীৰ কাৰ্য্যকাল কেতিয়া উকলি গৈছে ? বৰ্তমানো এই কমিটী গঠন নকৰাৰ কাৰণ কি ? কেতিয়া ৰাজ্যিক ৱাক্‌ফ ব'ৰ্ড পুনৰ গঠন কৰা হ'ব ?

(ঙ) এই বিভাগে বিতৰণ কৰা ই-ৰিক্সাৰ হিতাধিকাৰীৰ নাম-ঠিকনাৰ তালিকা জনাব ।এই ৰিক্সা সমূহ কিমান টকা ব্যয়ত কিমান সংখ্যক কিনা হ'ল জনাব ।

## উত্তৰ

মাননীয় সংখ্যালঘু কল্যাণ আৰু উন্নয়ন বিভাগৰ মন্ত্ৰী, শ্ৰীমতী নন্দিতা গৰ্লোচা মহোদয়াই উত্তৰ দিব।

(ক) কেন্দ্ৰীয় চৰকাৰৰ পৰা পোৱা পুঁজিৰ বিপৰীতে কামৰ অগ্ৰগতিৰ ওপৰত ভিত্তি কৰি ৰূপায়ণ হৈ থকা আঁচনি সমূহৰ ব্যৱহাৰিক প্ৰমাণ পত্ৰ (UC) Quarterly কেন্দ্ৰীয় চৰকাৰলৈ প্ৰেৰণ কৰি থকা হৈছে।

(খ) PMJVK আঁচনিৰ অধীনত অসমত ৰূপায়ণ হৈ থকা আঁচনি সমূহৰ তালিকা www.cms.neva.gov.in পৰ্টেলত **পৰিশিষ্ট 'ক'** হিচাপে দিয়া হ'ল ।

(গ) সংখ্যালঘু ছাত্ৰ বৃত্তি প্ৰদাণৰ গাইডলাইন www.cms.neva.gov.in পৰ্টেলত **পৰিশিষ্ট 'খ'** হিচাপে দিয়া হ'ল । বিগত ৭ বিত্তীয় বৰ্ষত ৰাজ্যত পোষ্ট মেট্ৰিক ছাত্ৰবৃত্তি কিমান ছাত্ৰ-ছাত্ৰীয়ে গাইপতি কিমান আৰু সৰ্বমুঠ কিমানকৈ ধন লাভ কৰিছে তাৰ সবিশেষ তলত দিয়া ধৰণে :

| Post Matric Scholarship | | | |
|---|---|---|---|
| **Year** | **Name of scheme** | **Physical Achievement/Students (in Nos.)** | **Amount Involved** |
| 2019-20 | Post Matric Scholarship | 36,289 | 3431.39 |
| 2020-21 | Post Matric Scholarship | 23,009 | 1974.36 |
| 2021-22 | Post Matric Scholarship | 7,155 | 605.66 |
| 2022-23 | Post Matric Scholarship | 220 | 12.79 |
| 2023-24 | Post Matric Scholarship | - | - |
| 2024-25 | Post Matric Scholarship | - | - |
| 2025-26 | Post Matric Scholarship | - | - |

Contd.....P/2

সংখ্যালঘু প্ৰাক-মাধ্যমিক (Pre-Matric) আঁচনিৰ অধীনত ছাত্ৰ-বৃত্তিয়ে গাইপতিকৈ পোৱা সৰ্বোচ্চ (maximum) জলপানিৰ বিৱৰণ তলত উল্লেখ কৰা হ'ল:

| বিৱৰণ | সৰ্বাধিক জলপানিৰ পৰিমান (১০ মাহৰ) |
|---|---|
| প্ৰথম শ্ৰেণীৰ পৰা পঞ্চম শ্ৰেণীলৈ | (i) অনাৱাসিক (Day scholar) - ছাত্ৰ-বৃত্তিৰ বাবে ১,০০০/- টকা |
| | (ii) আৱাসিক (Hosteller) - প্ৰযোজ্য নহয় |
| ষষ্ঠ শ্ৰেণীৰ পৰা দশম শ্ৰেণীলৈ | (i) অনাৱাসিক - ছাত্ৰ-বৃত্তিৰ বাবে ৫,৭০০/- টকা |
| | (i) আৱাসিক - ছাত্ৰ-বৃত্তিৰ বাবে ১০,৭০০/- টকা |

কেন্দ্ৰীয় চৰকাৰৰ সংখ্যালঘু পৰিক্ৰমা মন্ত্ৰালয়ৰ দ্বাৰা ৰূপায়ণ কৰা প্ৰাক-মাধ্যমিক (Pre-Matric) ছাত্ৰ-বৃত্তি আঁচনিৰ অধীনত বিগত ৭ টা বিত্তীয় বৰ্ষত সংখ্যালঘু পৰিক্ৰমা মন্ত্ৰালয়ৰ তৰফৰ পৰা ডি.বি.টি.ৰ জৰিয়তে বৃত্তিৰ ধন প্ৰদান কৰা ছাত্ৰ-ছাত্ৰীৰ সংখ্যা ও সৰ্বমুঠ পুঁজিৰ পৰিমাণ তলত উল্লেখ কৰা হ'লঃ

| ক্ৰ. নং | শৈক্ষিক বৰ্ষ | হিতাধিকাৰী/ ছাত্ৰ-ছাত্ৰীৰ সংখ্যা | পুঁজিৰ পৰিমান | মন্তব্য |
|---|---|---|---|---|
| ১ | ২০১৯-২০ | ২,৭৫,৬৫১ জন | ১৬১,১৪,৩১,০৮৬/- টকা | |
| ২ | ২০২০-২১ | ২,৪৭,৩০৭ জন | ৯০,২১,৭০,৯৫৯/- টকা | |
| ৩ | ২০২১-২২ | ২,২৯,৬৮০ জন | ৯৫,৯৩,৭৪,০৮৫/- টকা | |
| ৪ | ২০২২-২৩ | ৪,৭২৮ জন | ২,৩৫,৯৮,১৫৪/- টকা | বি:দ্ৰ: শিক্ষাৰ অধিকাৰ (আৰ.টি.ই.) আইন ২০০৯ ৰ অধীনত, ২০২২-২৩ শৈক্ষিক বৰ্ষৰ পৰা সংখ্যালঘু পৰিক্ৰমা মন্ত্ৰালয়ে কেৱল নৱম আৰু দশম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীক প্ৰাক-মাধ্যমিক ছাত্ৰ-বৃত্তি আঁচনি প্ৰদান কৰাৰ সিদ্ধান্ত গ্ৰহন কৰিছে । |
| ৫ | ২০২৩-২৪ | - | - | সংখ্যালঘু পৰিক্ৰমা মন্ত্ৰালয়ৰ পৰা ২০২৩-২৪ বৰ্ষৰ পৰা ২০২৫-২৬ বৰ্ষলৈ প্ৰাক-মাধ্যমিক ছাত্ৰ-বৃত্তি ৰূপায়ণৰ অধিসূচনা জাৰি কৰা হোৱা নাই। |
| ৬ | ২০২৪-২৫ | - | - | |
| ৭ | ২০২৫-২৬ | - | - | |

(ঘ) অসম ৱাক্‌ফ বৰ্ডৰ কমিটীৰ কাৰ্য্যকাল ইংৰাজী ১১-০৯-২০১৭ তাৰিখে উকলি গৈছে। বৰ্ড গঠনৰ প্ৰক্ৰিয়া চলি আছে।

(ঙ) অসম সংখ্যালঘু উন্নয়ন বিভাগৰ অসম সংখ্যালঘু উন্নয়ন ব'ৰ্ডে SOPDৰ অধীনত ২০২৩-২৪ বিত্তীয় বৰ্ষত ৪২৭ সংখ্যক সংখ্যালঘু সম্প্ৰদায়ৰ হিতাধিকাৰীক ই-ৰিক্সা বিতৰণ কৰে আৰু ইয়াৰ বাবদ মুঠ ৪,৮০,০০০,০০.০০ টকা (চাৰি কোটি আশী লাখ) ব্যয় হয়। উক্ত হিতাধিকাৰী সকলৰ সবিশেষ www.cms.neva.gov.in পৰ্টেলত **পৰিশিষ্ট-'গ'** হিচাপে সংলগ্ন কৰা হ'ল।

ইয়াৰ উপৰিও Assam linguistic minorities development board ৰ অধীনত ই-ৰিক্সা বিতৰণ কৰা হিতাধিকাৰীৰ সবিশেষ www.cms.neva.gov.in পৰ্টেলত **পৰিশিষ্ট-'গ'** সংলগ্ন কৰা হ'ল।

--------------------------

# অসম বিধান সভা
## ২০২৬ চনৰ ১৮ ফেব্ৰুৱাৰীত উত্তৰ দিবলগীয়া
## লিখিত প্ৰশ্ন নং – ৫২

**বিষয়ঃ জিঞ্জিৰাম নদীৰ গৰাখহনীয়া সম্পৰ্কে।**

**শ্ৰী আফতাব উদ্দিন মোল্লা, বিধায়ক**

**মাননীয় জলসম্পদ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ**

**-প্ৰশ্ন-**

(ক) বাৰিষা কালত জিঞ্জিৰাম নদীৰ বাঢ়নী পানীয়ে জলেশ্বৰ সমষ্টিৰ বহুকেইখন ঠাইত বিশেষকৈ হলদিবাৰী, ফুলগোছা, ধুমেৰঘাট আদি অঞ্চলত গৰাখহনীয়াই ঘৰ-বাৰীৰ লগতে ৰাস্তা-ঘাটবোৰ ভাঙি-ছিগি লৈ যায়। সেইবিষয়ে চৰকাৰ অৱগতনে? যদি অৱগত, জিঞ্জিৰাম নদীৰ গৰাখহনীয়াৰ স্থায়ী প্ৰতিৰোধ কেতিয়া কৰিব? তথ্য সহকাৰে জনাব।

**মাননীয় জলসম্পদ বিভাগৰ মন্ত্ৰী শ্ৰীযুত পীযুষ হাজৰীকা দেৱে উত্তৰ দিবঃ**

**– উত্তৰ–**

ক) বাৰিষা কালত জিঞ্জিৰাম নদীৰ বাঢ়নী পানীৰ ফলত জলেশ্বৰ সমষ্টিৰ বহুকেইখন ঠাইত বিশেষকৈ হলদিবাৰী, ফুলগাচা, ধুমেৰঘাট আদি অঞ্চলত গড়াখহনীয়াৰ প্ৰভাৱৰ বিষয়ে চৰকাৰ অৱগত।

ইতিমধ্যে ধুমেৰঘাট অঞ্চলৰ পাৰ্শ্ববৰ্তী অঞ্চলৰ জলপ্ৰবাহৰ ক্ষতিৰোধ কৰাৰ বাবে গোৱালপাৰা জলসম্পদ সংমণ্ডলে "Immediate measures to protect Dhumerghat H.S. School and State Dispensary from the erosion of river Ghagua for the year 2022-23 Under SDRF Section 50 DM ACT-2005" নামেৰে আঁচনিখন ১.২০ কোটি টকা ব্যয় সাপেক্ষে সফলতাৰে ৰূপায়ন কৰিছে।

ইয়াৰ ওপৰিও জিঞ্জিৰাম নদীৰ গড়াখহনীয়া প্ৰতিৰোধৰ কাৰণে লক্ষীপুৰ অঞ্চলত "Protection of L/B of River Jinjiram opposite Smashan Ghat at Lakhipur Town from the erosion of river Jinjiram for the year 2024-25" (NABARD RIDF-XXX) ৰ অধীনত ১৬৫.১৮ লাখ টকা ব্যয় সাপেক্ষে আচনিখনৰ কাম বৰ্তমান চলি আছে।

হলদিবাৰী অঞ্চলৰ গড়াখহনীয়া প্ৰতিৰোধ কৰিবলৈ ইতিমধ্যে গোৱালপাৰা জলসম্পদ সংমণ্ডলে "Anti-erosion measures to Protect Haldibari and its adjoining area from the erosion of river Ghagua" Estm. Amt. 98.00 Lakhs নামেৰে আঁচনিখন প্ৰস্তুত কৰা হৈছে। যাৱতীয় পুঁজিৰ উপলব্ধতা সাপেক্ষে আঁচনিখন ৰূপায়ণ কৰিব পৰা যাব। আনহাতে ফুলগাচা অঞ্চলৰ স্থায়ীভাৱে গড়াখহনীয়া প্ৰতিৰোধৰ বাবে বিভাগীয় ভাৱে জৰীপ কাৰ্য্য চলাই থকা হৈছে।

**(এই উত্তৰৰ সৈতে অনলাইন যোগে কোনো পৰিশিষ্ট দাখিল কৰিব লগা নাই আৰু উত্তৰসমূহ অনলাইন যোগে NeVA পৰ্টেলত আপলোড কৰা হৈছে )*

# ASSAM LEGISLATIVE ASSEMBLY
## TO BE ANSWERED ON 18th FEBRUARY, 2026
## UNSTARRED QUESTION NO: 53

**Subject: Regarding Beki River Project**

**Dr. Rafiqul Islam, MLA**

**Will the Minister of Water Resources Department be pleased to state:**

**-QUESTIONS-**

(a) Whether the (Phase-I) of Beki World Bank River Project has been completed or not? If completed furnish the length in (metres/kilometres) spot wise and if not; the reasons for non-completion.

(b) Whether the Government is aware that the erosion protection works of the World Bank Beki River Project (Phase-I) carried out at Shawpur and Amguri areas were washed away within a short period? Whether the Government has any proposal to undertake erosion protection works afresh in the said areas?

(c) When the Government proposes to start Phase-II of the World Bank Beki River Project; the proposed time-frame for commencement and the areas where works are proposed to be taken up under Phase-II?

(d) That due to recent erosion by the Beki River, new areas including Banglipara, Daukmari, Kharbali, Kalampur, Chandpur, Sonapur, Rasulpur, Koimari, Gobindapur, Cikni, Majidbhita, Jaurimari, Shaurabhita, Moinbari, Jaipur and Tarakandi have been severely affected; whether these areas are included under Phase-II of the World Bank Beki project if so, the details for execution of works and if not, the reasons for their exclusion and the time-frame within which the Government proposes to include these areas under erosion protection works?

**Hon'ble Minister of Water Resources Department, Sri Pijush Hazarika will reply:**

**-ANSWER-**

(a) Phase-I of the Beki World Bank River Project is at the verge of completion with an overall progress of 93%. The originally sanctioned works include A/E works of 13.67 km and pro-siltation works at two (02) locations, which are nearly completed. Location-wise details of the project are enclosed at **Annexure-I**.

Further, additional anti-erosion works at Moinbori were taken up to address emerging erosion issues. These additional works are ongoing and have achieved a physical progress of about 67%.

(b) The Government is aware of the erosion problem at Shawpur and Amguri area. During the last flood, certain portions of the erosion protection works were partially damaged, which have been recouped through immediate temporary measures.

Further, as a variation to the works of the original project, erosion protection works of permanent nature are being carried out to ensure long-term stability of the affected reaches.

(c) The Detailed Project Reports (DPRs) for Phase-II are under scrutiny of the Central Water Commission (CWC). Under Phase-II of the Beki River Project, anti-erosion works are proposed at Balaipathar-Amguri, Gamariguri, and Naraynguri-Raghabeel.

Though the DPR for the Beki River has already been approved, Phase-II works will commence simultaneously at all approved locations as per the overall project scheduling after signing of the loan.

(d) A/E Works at Jaurimari, Moinbari, Jaipur and Tarakandi has already been taken up under Phase-I as additional works to the original works which is at 67% progress now, details enclosed in Annexure-II. The Kharbali area has been included under Phase-II. No regret investment works. As DPR was prepared earlier, the remaining newly affected locations were not included.

The Integrated Flood Risk Management Plan is now under preparation for Beki River at WRD and HIU and the work on the remaining portions can be taken up as per the plan and signing of phase-II WB loan approval.

***(Annexure-I & II are submitted online with this reply and replies have been uploaded in the NeVa portal)***

**অসম বিধান সভা**
**তৰা বিহীন প্ৰশ্ন নং : ৫৪**
**উত্তৰ দিয়া তাৰিখ: ১৮/০২/২০২৬**

বিষয়: **পুঁজি আবণ্টন সম্পৰ্কে** শ্ৰীআবুল কালাম ৰশিদ আলম, মাননীয় বিধায়ক

মাননীয় সংখ্যালঘু কল্যাণ আৰু উন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) ২০২১ চনৰ পৰা ২০২৬ চনলৈকে সংখ্যালঘু উন্নয়ন বিভাগে কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰৰ পৰা কিমান পুঁজি লাভ কৰিছে ? ইয়াৰে সংখ্যালঘু উন্নয়ন বিভাগে কোন কোন জিলাত কিমান পুঁজি আবণ্টন দিছে ?

(খ) সংখ্যালঘু উন্নয়ন বিভাগৰ অধীনত বৰ্তমান কি কি আঁচনি চলি আছে ? ইয়াৰে কি কি আঁচনিৰ কাম সম্পূৰ্ণ হৈছে আৰু কি কি আঁচনিৰ কাম সম্পূৰ্ণ হ'বলৈ বাকী আছে ?

(গ) MSDP আঁচনিৰ অধীনত ২০১৮ চনৰ পৰা ২০২৪ চনলৈকে অসমৰ বিভিন্ন জিলাত কি কি আঁচনি অনুমোদন দিয়া হৈছিল ? ইয়াৰে গোৱালপাৰা জিলাত কি কি আঁচনি অনুমোদন দিয়া হৈছিল আৰু ইয়াৰে কিমানটা আৰু কোন কোন আঁচনিৰ কাম সম্পূৰ্ণ হৈছে আৰু কি কি আঁচনিৰ কাম এতিয়াও কৰিবলৈ বাকী আছে ? উক্ত আঁচনি সমূহৰ কিমান পৰিমাণৰ ধন নিৰ্মাণ কমিটী আৰু ঠিকাদাৰক আদায় দিয়া হৈছে আৰু কিমান পৰিমাণৰ ধন আদায় দিবলৈ এতিয়াও বাকী আছে ? আদায় দিবলৈ বাকী থকা ধনসমূহ কেতিয়ালৈ আদায় দিয়া হ'ব ?

(ঘ) ২০১৮ চনৰ পৰা ২০২৪ চনলৈকে সংখ্যালঘু উন্নয়ন বিভাগে চৰ উন্নয়ন প্ৰকল্পত কিমান পুঁজি আবণ্টন দিছে ? ইয়াৰে কোন কোন উন্নয়ন খণ্ডত কিমান পুঁজি আবণ্টন দিছে। উন্নয়ন খণ্ড অনুযায়ী তালিকাসহ জনাব। এই বিভাগৰ পৰা ই-ৰিক্সা দিয়া হৈছে নেকি ? যদি দিছে, ক'ত কিমান দিয়া হৈছে ? সমষ্টি ভিত্তিত তালিকাসহ জনাব।

**উত্তৰ**

মাননীয় সংখ্যালঘু কল্যাণ আৰু উন্নয়ন বিভাগৰ মন্ত্ৰী, শ্ৰীমতী নন্দিতা গৰ্লোচা মহোদয়াই উত্তৰ দিব।

(ক) ২০২১ চনৰ পৰা ২০২৬ চনলৈকে সংখ্যালঘু উন্নয়ন বিভাগে কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰৰ পৰা পোৱা মুঠ পুঁজিৰ পৰিমান তলত দিয়া আছে।

| বিত্তীয় বৰ্ষ | কেন্দ্ৰীয় পুঁজি ( লাখত ) | ৰাজ্যিক পুঁজি ( লাখত ) |
|---|---|---|
| ২০২১-২০২২ পৰা ২০২৫-২০২৬ লৈ | ৩৭৭৪৪.৪৮ (PMJVK) | ৭৯০৮.৮৪ (PMJVK) |
| | | ৪০৬৫.৩৩১০২ (SOPD) |
| | | Total = ১১৯৭৪.১৭১ |

জিলা উপায়ুক্তৰ চাহিদা অনুযায়ী এই বিভাগে PMJVK অধীনত আৱণ্টন দিয়া পুঁজিৰ পৰিমাণ www.cms.neva.gov.in পৰ্টেলত **পৰিশিষ্ট 'ক'** হিচাপে দিয়া হ'ল আৰু SOPD অধীনত পোৱা পুঁজি জিলাভিত্তিত আৱণ্টন দিয়া নহয়।

**(খ)** সংখ্যালঘু উন্নয়ন বিভাগৰ অধীনত বৰ্তমানে চলি থকা সম্পূৰ্ণ আৰু অসম্পূৰ্ণ আঁচনি সমুহৰ তালিকা www.cms.neva.gov.in পৰ্টেলত **পৰিশিষ্ট –'খ' আৰু 'গ'** হিচাপে দিয়া হ'ল।

(গ) MSDP আঁচনিৰ অধীনত ২০১৮ চনৰ পৰা ২০২৪ চনলৈকে গোৱালপাৰা জিলাৰ লগতে অসমৰ বিভিন্ন জিলাত ৰূপায়ণ হৈ থকা আঁচনি সমুহৰ তালিকা www.cms.neva.gov.in পৰ্টেলত **পৰিশিষ্ট 'খ'** হিচাপে সংলগ্ন কৰি দিয়া হৈছে। এই বিভাগৰ দ্বাৰা গোৱালপাৰা জিলাত আৱণ্টন দিয়া পুঁজিৰ খতিয়ান www.cms.neva.gov.in পৰ্টেলত **পৰিশিষ্ট –'ঘ'** হিচাপে দিয়া হ'ল। আদায় দিবলৈ বাকী থকা ধন সমুহ পৰ্য্যায়ক্ৰমে আদায় দিয়া হব।

(ঘ) চৰ উন্নয়ন প্ৰকল্পত আৰু উন্নয়ন খণ্ডত ২০১৮ চনৰ পৰা ২০২৪ চনলৈকে কোনো পুঁজিৰ আৱণ্টন দিয়া হোৱা নাই।

এই বিভাগৰ পৰা ই-ৰিক্সা দিয়া হৈছে। উল্লেখনীয় যে, অসম সংখ্যালঘু উন্নয়ন বিভাগৰ দ্বাৰা সমষ্টিভিত্তিত কোনো ধৰণৰ আঁচনি গ্ৰহণ কৰা নহয়। এই আঁচনি সমুহ কেন্দ্ৰীয়ভাৱে সকলো সমষ্টিক সাঙুৰি লৈ ৰূপায়ণ কৰা হয়।

---

# অসম বিধান সভা

## তৰাবিহীন প্ৰশ্ন নং – ৫৫

## বিষয়ঃ আসামে নতুন রেশন কার্ড প্রদানের সম্পর্কিত।

## বিধায়কৰ নামঃ শ্ৰীকমলাক্ষ দে পুৰকায়স্থঃ

## উত্তৰ দিয়া তাৰিখঃ ১৮/০২/২০২৬

**প্ৰশ্নঃ**

মাননীয় খাদ্য, রাজহুয়া বিতরণ ও উপভোক্তা পরিক্রমা বিভাগের মন্ত্রী মহোদয় অনুগ্রহ করিয়া জানাবেন কি৹
(ক) আসামে বর্তমানে মোট কতটি পরিবারের রেশন কার্ড আছে ? এখনো আসামে কত সংখ্যক পরিবার খাদ্য সুরক্ষা প্রকল্পের বাইরে রয়েছেন ? তাদেরকে নতুন করে কবে রেশন কার্ডের মাধ্যমে এই প্রকল্পের অধীনে আনা হবে ?

(খ) আসামে নতুন করে কত সংখ্যক পরিবারদের রেশন কার্ড প্রদান করা হবে ?

(গ) আসাম সরকার রেশন কার্ড থাকা অরুণোদয় হিতাধীকারী পরিবারদের যে Subsidiary দামে Gas Cylinder প্রদানের সিদ্ধান্ত নিয়েছেন তাতে মোট কতটি পরিবার উপকৃত হবে এবং তাতে মোট কতটাকা ব্যয় হবে ? তাহার তথ্য সদনে প্রকাশ করার জন্য অনুরোধ জানাচ্ছি।

**উত্তৰঃ**

**মাননীয় খাদ্য, ৰাজহুৱা বিতৰণ আৰু উপভোক্তা পৰিক্ৰমা বিভাগৰ মন্ত্ৰী শ্ৰীকৌশিক ৰায় মহোদয়ে উত্তৰ দিবঃ**

**(ক)** ফেব্ৰুৱাৰী, ২০২৬ মাহৰ বিনামূলীয়া চাউলৰ অনলাইন আৰণ্টন অনুসৰি ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা আঁচনিৰ অধীনত অসমত সৰ্বমুঠ ৭০,৭১,৮২৪ টা ৰেচন কাৰ্ড প্ৰাপ্ত পৰিয়াল আছে। ইয়াৰে ৬,৬৮,৩৯৭ টা AAY পৰিয়াল আৰু ৬৪,০৩,৪২৭ টা PHH পৰিয়াল।

উল্লেখযোগ্য যে বৰ্তমান অসমত ফেব্ৰুৱাৰী, ২০২৬ মাহৰ চাউলৰ আৰণ্টন অনুসৰি সৰ্বমুঠ হিতাধিকাৰীৰ সংখ্যা ২,৪৯,৪৩,৪৮০ জন। খাদ্য সুৰক্ষা আইনৰ অধীনত অসমত হিতাধিকাৰী নিৰ্ধাৰিত লক্ষ্য হৈছে **২,৫১,৮৯,৭৭৫** জন। অৰ্থাৎ ৰাজ্যত বৰ্তমান প্ৰায় ২.৪৬ লাখ হিতাধিকাৰী নতুনকৈ NFSA ৰ অধীনত অন্তৰ্ভূক্ত কৰাৰ সুবিধা আছে। উল্লেখযোগ্য যে চৰকাৰৰ সিদ্ধান্ত অনুযায়ী বৰ্তমানে সমগ্ৰ ৰাজ্যত ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা আইনৰ অধীনত ৫,০৪,০০০ নতুন হিতাধিকাৰীৰ বাচনি প্ৰক্ৰিয়াত ইতিমধ্যে ৫৬,৬৩২ টা নতুন পৰিয়ালক ৰেচন কাৰ্ড দিয়াৰ বাবে সামৰি লোৱা হৈছে আৰু ৪,৯১,১৪০ জন নতুন হিতাধিকাৰীক অন্তৰ্ভূক্ত কৰা হৈছে। বৈ যোৱা ১২,৮৬০ গৰাকী হিতাধিকাৰীক অন্তৰ্ভূক্তিকৰণৰ প্ৰক্ৰিয়া অতি শীঘ্ৰে সমাপ্ত হ'ব। এই প্ৰক্ৰিয়া সম্পূৰ্ণ হোৱাৰ পিছতো যদি কোনো যোগ্য দৰিদ্ৰ পৰিয়াল ৰেচন কাৰ্ড পোৱাৰ পৰা বঞ্চিত হৈ বৈ যায়, তেনেকুৱা পৰিয়ালক চৰকাৰৰ সিদ্ধান্ত অনুসৰি পৰবৰ্তী পৰ্যায়ত নতুনকৈ বাচনি কৰি সামৰি লোৱা হ'ব।

**(খ)** চৰকাৰৰ সিদ্ধান্ত অনুযায়ী বৰ্তমানে সমগ্ৰ ৰাজ্যত ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা আইনৰ অধীনত ৫,০৪,০০০ নতুন হিতাধিকাৰীৰ বাচনি প্ৰক্ৰিয়াত ইতিমধ্যে ৫৬,৬৩২ টা নতুন পৰিয়ালক ৰেচন কাৰ্ড দিয়াৰ বাবে সামৰি লোৱা হৈছে আৰু ৪,৯১,১৪০ জন নতুন হিতাধিকাৰীক অন্তৰ্ভূক্ত কৰা হৈছে। বৈ যোৱা ১২,৮৬০ গৰাকী হিতাধিকাৰীক অন্তৰ্ভূক্তিকৰণৰ প্ৰক্ৰিয়া অতি শীঘ্ৰে সমাপ্ত হ'ব। এই প্ৰক্ৰিয়া সমাপ্ত হলেহে নতুনকৈ ৰেচন কাৰ্ড পাবলগীয়া মুঠ পৰিয়ালৰ সংখ্যা নিৰ্ধাৰণ কৰিব পৰা যাব।

**(গ)** ৰাজ্যখনৰ ৩০ খন অনা-বিটিএডি জিলাৰ প্ৰায় ২০ লাখ অৰুণোদয় হিতাধিকাৰী পৰিয়ালক ৰেহাই মূল্যত LPG Gas Cylinder যোগান ধৰাৰ প্ৰক্ৰিয়াটো বৰ্তমানলৈ কাৰ্যকৰী কৰা হোৱা নাই। গতিকে এই আঁচনিৰ অধীনত কিমান পৰিয়াল উপকৃত হব বা কিমান টকা খৰচ হব তাৰ তথ্য বৰ্তমানে দিব পৰা অৱস্থাত নাই।

*******

অসম বিধান সভা
তৰাবিহীন প্ৰশ্ন নং : ৫৬
উত্তৰ দানৰ তাৰিখ : ১৮/০২/২০২৬
*বিষয়ঃ* **অসমৰ কৃষি পথাৰসমূহক কৃষি উৎপাদন কেন্দ্ৰ হিচাপে গঢ়া।**
বিধায়কৰ নাম : শ্ৰীভাস্কৰ জ্যোতি বৰুৱাঃ

মাননীয় কৃষি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

ক) তিতাবৰ সমষ্টিৰ অন্তৰ্গত হামদৈ পথাৰ, লায়েক পথাৰ, বছা পথাৰ, খাট পথাৰ ইত্যাদিৰ কৃষি উৎপাদন আৰু কৃষিজাত ধানৰ গুণগত মান আজিও বিদ্যমান, কিন্তু তিতাবৰ সমষ্টিৰ এখনো কৃষি পথাৰ কৃষি ক্ষেত্ৰলৈ উন্নীতকৰণ আজিও নহ'ল। এইবিষয়ে চৰকাৰ জ্ঞাতনে ?

খ) কৃষি প্ৰধান অসমৰ অৰ্থনৈতিক বিকাশৰ ক্ষেত্ৰত অসমৰ কৃষি পথাৰসমূহক কৃষি উৎপাদন কেন্দ্ৰ হিচাপে গঢ়ি তুলিব লাগে। চৰকাৰে এই বিষয়ে ব্যৱস্থা গ্ৰহণ কৰিবনে ?

**উত্তৰ**

মাননীয় কৃষি বিভাগৰ মন্ত্ৰী শ্ৰী অতুল বৰা দেৱে উত্তৰ দিবঃ

(ক) অসমত কৃষি ক্ষেত্ৰ খনৰ উন্নতিৰ বাবে অসম চৰকাৰে বিভিন্ন পৰিকল্পনা ৰূপায়ন কৰি আছে| অসমৰ সমবিকাশৰ বাবে তিতাবৰ সমষ্টিৰ অন্তৰ্গত হামদৈ পথাৰ, লায়েক পথাৰ, বছা পথাৰ, খাট পথাৰ ইত্যাদিৰ বিভিন্ন শস্যৰ গড় উৎপাদন বৃদ্ধি আৰু কৃষকৰ আয় বৃদ্ধিৰ বাবে বিভিন্ন আঁচনি ৰূপায়ন কৰা হৈছে। তিতাবৰ সমষ্টিত তলত উল্লেখিত ৫ টা FPC সক্ৰিয় ভাৱে কৃষি খণ্ডৰ উন্নয়নৰ বাবে নিয়োজিত হৈ আছে।

মূখ্যত ধানৰ উৎপাদন বৃদ্ধিৰ বাবে

- কাচধলী FPC
- বজালবাৰী FPC
- মাধপুৰ FPC

এঢ়ি আৰু সাধাৰন সেৱা কেন্দ্ৰৰ বাবে

- তিতাবৰ পাটমুগা FPC

ধান আৰু অমিতাক মুখ্য শস্য হিচাবে লৈ গঠন হোৱা FPC

- নল বিৰিনা FPC

১) কৃষি বিভাগৰ তৰফৰ পৰা অধিক উৎপাদনক্ষম তথা বৰ্ণসংকৰ জাতৰ ধানৰ খেতিৰ জৰিয়তে উৎপাদন বৃদ্ধিৰ পদক্ষেপ লোৱা হৈছে। তদুপৰি নামচুঙা আৰু গোহাঁই গাৱঁত ধানৰ উৎপাদন বৃদ্ধিৰ বাবে ৮৫% ৰাজ সাহাৰ্য্যৰে সৌৰ শক্তি চালিত জলসিঞ্চন ব্যৱস্থা গ্ৰহণ কৰা হৈছে।

২) অসম কৃষি বিশ্ববিদ্যালয়ৰ অধীনস্থ তিতাবৰ ধান গবেষনা কেন্দ্ৰ (ARRI) ৰ তত্ত্বাৱধানত ১০০ হেক্টৰ মাটিত প্ৰচুৰ, শতাব্দী, পাটকাই, চুৰমা, লাৱন্য ইত্যাদি অধিক উৎপাদনক্ষম ধানৰ খেতিৰ জৰিয়তে বিভিন্ন গুনগত মানদণ্ডৰ ধানৰ সংযোজন ঘটোৱাৰ প্ৰয়াস কৰি থকা হৈছে।

৩) লগতে বজালবাৰী কৃষক উৎপাদক কোম্পানী (FPC) ৰ অধীনত প্ৰায় ১৩ হেক্টৰ মাটিত উৎপাদিত লাৱন্য ধানৰ পৰা NABARD ৰ সহযোগ বিস্কুট, কেক জাতীয় প্ৰক্ৰিয়াকৰণ খাদ্য Indigo Brand নামেৰে বজাৰত গ্ৰাহকৰ বাবে মুকলি কৰা হৈছে।

(খ) অসমৰ কৃষি পথাৰ সমূহক কৃষি উৎপাদন কেন্দ্ৰ হিচাবে গঢ়ি তুলিবলৈ ভাৰত চৰকাৰ আৰু অসম চৰকাৰৰ ব্যৱস্থাপনাত ইতিমধ্যে অসমত ৭৫৬ টা FPC / FPO গঠন কৰা হৈছে। ইয়াৰে, মাননীয় প্ৰধান মন্ত্ৰী দ্বাৰা ঘোষনা কৰা ১০,০০০ টা FPC ৰ ভিতৰত ৪২৮ টা FPC অসমত NABARD, NERAMAC, SFAC আৰু N..DC ইত্যাদি সংস্থাই উত্তৰন কৰি আছে।

FPC সমূহক ব্যৱসায় সম্প্ৰসাৰণৰ বাবে মুখ্যমন্ত্ৰী উৎকৰ্ষ যোজনাৰ অধীনত ৫০০ FPC প্ৰত্যেককে ১৫ লাখ টকাৰ আৰ্থিক সাহায্য প্ৰদান কৰা হ'ব। প্ৰথম পৰ্যায়ত আঁচনিসমূহৰ অধীনত ২৫৪ FPC অন্তৰ্ভুক্ত কৰা হ'ব।

কৃষি খণ্ডত বিভিন্ন আঁচনি ৰূপায়নৰ ফলত বিভিন্ন শস্যৰ উৎপাদিত মাটিকালি আৰু উৎপাদিত সামগ্ৰীৰ পৰিমান সন্তোষজনক ভাৱে বৃদ্ধি পাইছে। উদাহৰন স্বৰূপে ২০১৫-১৬ চনত শালি ধানৰ উৎপাদন ৫৭.৩৩ লাখ টনৰ বিপৰীতে ২০২৪-২৫ চনত ৬৬.১৪ লাখ টনলৈ বৃদ্ধি পাইছে। মাকৈ উৎপাদন কৰা মাটিকালি ২০১৫-১৬ চনত ২৮,৪২০ হেক্টৰৰ পৰা ৯৬,২৮৪ হেক্টৰলৈ বৃদ্ধি পাইছে। আপোনালোকক জনাবলৈ পাই সুখী হৈছো যে ২০২৪-২৫ বিত্তীয় বৰ্ষত মিলেটৰ খেতিৰ মাটিকালি ৩৮২১ হেক্টৰ হোৱাৰ বিপৰীতে ২০১৫-১৬ বৰ্ষত ইয়াৰ খেতি আৰম্ভই হোৱা নাছিল।

*************

**অসম বিধান সভা**
**তৰা বিহীন প্ৰশ্ন নং : ৫৭**
**উত্তৰ দিয়া তাৰিখ : ১৮/০২/২০২৬**

বিষয়ঃ **সংখ্যালঘু উন্নয়ন আঁচনি** মোঃ নুৰুল হুদা, মাননীয় বিধায়ক

মাননীয় সংখ্যালঘু কল্যাণ আৰু উন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

**ক) MSDP (PMJVK)** আঁচনিৰ ২০১৬-১৭ আৰু ২০১৭-১৮ বিত্তীয় বছৰ দুটাত অসমত কিমান আঁচনি অনুমোদন হৈছিল আৰু অনুমোদিত আঁচনিৰ কাম কিমান সম্পূৰ্ণ হৈছে ?

**খ)** উক্ত আঁচনিৰ অধীনত ৰূপহীহাট বিধান সভা সমষ্টিত জুৰিয়া উন্নয়ন খণ্ড আৰু বগৰিগুৰি ( পূৰ্বৰ ৰূপহী ) উন্নয়ন খণ্ড এলেকাত কিমান আঁচনি লোৱা হৈছিল আৰু তাৰে কিমান সম্পূৰ্ণ হৈছে ? যদি অসম্পূৰ্ণ হৈ আছে তেন্তে কিয় ? তাৰ বাবে চৰকাৰে কি ব্যৱস্থা লৈছে ? তালিকা আৰু তথ্য সহকাৰে বিতং তথ্য ভাবে সদনত দাখিল কৰিব।

**গ)** অসমত ২০২১-২২, ২০২২-২৩, ২০২৩-২৪, ২০২৪-২৫ এই বিত্তীয় বছৰ কেইটাত কেন্দ্ৰীয় চৰকাৰৰ সংখ্যালঘুৰ ছাত্ৰ বৃত্তি আঁচনিৰ বিধান সভা সমষ্টি ভিত্তিক বা শিক্ষাখণ্ড ভিত্তিক কিমানজন ছাত্ৰ-ছাত্ৰীয়ে ছাত্ৰ বৃত্তি পাইছে বিতং তথ্য তালিকা সহ সদনত দাখিল কৰিব। যদি পোৱা নাই, কিহৰ কাৰণে নাপালে তাৰো তথ্য সদনত জনাব।

**উত্তৰ**

মাননীয় সংখ্যালঘু কল্যাণ আৰু উন্নয়ন বিভাগৰ মন্ত্ৰী শ্ৰীমতী নন্দিতা গৰ্লোচা মহোদয়াই উত্তৰ দিব।

**ক) MSDP (PMJVK)** আঁচনি, ২০১৬-১৭ আৰু ২০১৭-১৮ বিত্তীয় বছৰ দুটাত অসমত কিমান আঁচনি অনুমোদন হৈছিল আৰু অনুমোদিত আঁচনিৰ কাম কিমান সম্পূৰ্ণ হৈছে তাৰ খতিয়ান **www.cms.neva.gov.in** পৰ্টেলত **পৰিশিষ্ট "ক"** ত সংলগ্ন কৰা হৈছে।

**খ)** নগাঁও জিলাৰ জুৰিয়া উন্নয়ন খণ্ড আৰু বগৰিগুৰি ( পূৰ্বৰ ৰূপহী ) উন্নয়ন খণ্ডত জিলা-ভিত্তিক PMJVK ৩০৬ টা আঁচনি ৰূপায়ণ কৰা হৈছে। ইয়াৰে ১৪০টা সম্পূৰ্ণ, ১৫০টাৰ কাম বৰ্তমান ও চলি আছে। কাম চলি থকা আঁচনিসমূহ সম্পূৰ্ণ কৰাৰ বাবে নগাঁও জিলাৰ উপায়ুক্ত (DC) লৈ পুঁজি আৱণ্টন কৰা হৈছে। আঁচনি সমূহৰ তালিকা **www.cms.neva.gov.in** পৰ্টেলত **পৰিশিষ্ট "খ"** ত সংলগ্ন কৰা হৈছে।

**গ)** কেন্দ্ৰীয় চৰকাৰৰ সংখ্যালঘু পৰিক্ৰমা মন্ত্ৰালয়ৰ দ্বাৰা সংখ্যালঘু ছাত্ৰ-ছাত্ৰীৰ বাবে Pre-Matric, Post Matric আৰু Merit Cum Means ছাত্ৰ বৃত্তি আঁচনি ৰূপায়ন কৰে। Pre-Matric ছাত্ৰ বৃত্তি আঁচনিৰ অধীনত ৰাজ্যত ২০২১-২২,২০২২-২৩,২০২৩-২৪ আৰু ২০২৪-২৫ বিত্তীয় বৰ্ষত ডি.বি.টি ৰ জৰিয়তে বৃত্তি ধন প্ৰদান কৰা ছাত্ৰ-ছাত্ৰীৰ সংখ্যা তলত উল্লেখ কৰা হ'ল ।

| শৈক্ষিক বৰ্ষ | হিতাধিকাৰী/ ছাত্ৰ-ছাত্ৰীৰ সংখ্যা | মন্তব্য |
|---|---|---|
| ২০২১-২২ | ২,২৯,৬৮০ জন | |
| ২০২২-২৩ | ৪,৭২৮ জন | বি:দ্ৰ: শিক্ষাৰ অধিকাৰ (আৰ.টি.ই.) আইন ২০০৯ ৰ অধীনত, ২০২২-২৩ শৈক্ষিক বৰ্ষৰ পৰা সংখ্যালঘু পৰিক্ৰমা মন্ত্ৰালয়ে কেৱল নৱম আৰু দশম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীক প্ৰাক-মাধ্যমিক ছাত্ৰ-বৃত্তি আঁচনি প্ৰদান কৰাৰ সিদ্ধান্ত গ্ৰহন কৰিছে। |
| ২০২৩-২৪ | - | সংখ্যালঘু পৰিক্ৰমা মন্ত্ৰালয়ৰ পৰা ২০২৩-২৪ বৰ্ষৰ পৰা ২০২৫-২৬ বৰ্ষলৈ প্ৰাক-মাধ্যমিক ছাত্ৰ-বৃত্তি ৰূপায়নৰ অধিসূচনা জাৰি কৰা হোৱা নাই। |
| ২০২৪-২৫ | - | |

অসমত ২০২১-২২, ২০২২-২৩, এই বিত্তীয় বছৰ কেইটাত কেন্দ্ৰীয় চৰকাৰে সংখ্যালঘু ছাত্ৰ-ছাত্ৰীৰ বাবে লোৱা ছাত্ৰ বৃত্তি Post Matric আৰু Merit Cum Means আঁচনিৰ অধিনত জিলা ভিত্তিক কিমান জন ছাত্ৰ-ছাত্ৰীয়ে ছাত্ৰ বৃত্তি পাইছে বিতং তথ্য **www.cms.neva.gov.in** পৰ্টেলত **পৰিশিষ্ট "গ"** ত সংলগ্ন কৰা হৈছে। উল্লেখ থাকে যে ২০২৩-২৪, ২০২৪-২৫ বিত্তীয় বছৰ কেন্দ্ৰীয় চৰকাৰৰ সংখ্যালঘু পৰিক্ৰমা মন্ত্ৰালয়ৰ দ্বাৰা কোনো বিজ্ঞাপন জাৰি কৰা নাই। উক্ত ছাত্ৰ বৃত্তি আঁচনি কেন্দ্ৰীয় চৰকাৰৰ সংখ্যালঘু পৰিক্ৰমা মন্ত্ৰালয়ে ৰাজ্যিক ভিত্তিত ৰূপায়ণ কৰে, বিধানসভা সমষ্টি ভিত্তিক বা শিক্ষাখণ্ড ভিত্তিক ৰূপায়ণ নকৰে ।

-----------------

অসম বিধান সভা

তৰাবিহীন প্ৰশ্ন নং - ৫৮

উত্তৰ দিয়াৰ তাৰিখঃ- ১৮/০২/২০২৬

বিষয় : মদৰ দোকান আৰু অনুজ্ঞাপত্ৰ

বিধায়কৰ নামঃ- শ্ৰী ৰেকিবুদ্দিন আহমেদ :

**প্ৰশ্ন**

মাননীয় আৰকাৰী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) অসমত বৰ্তমান কিমানখন অনুজ্ঞাপত্ৰ থকা মদৰ দোকান আছে ? কোনখন জিলাত কিমান কৈ আছে ? সবিশেষ তথ্য জনাব।

(খ) যোৱা বিত্তীয় বৰ্ষত এই দোকানসমূহৰ পৰা কিমান ৰাজহ সংগ্ৰহ হৈছিল ?

(গ) বৰ্তমান নতুনকৈ আৰু কিমানখন মদৰ দোকানৰ অনুজ্ঞাপত্ৰ দিব আৰু ক'ত ক'ত দিব ? জনাব।

**উত্তৰ**

মাননীয় আৰকাৰী বিভাগৰ মন্ত্ৰী শ্ৰী অতুল বৰা দেবে উত্তৰ দিবঃ

(ক) অসমত বৰ্তমান ৪১৩২ খন অনুজ্ঞাপত্ৰ থকা মদৰ দোকান আছে। জিলাভিত্তিক সবিশেষ তথ্য পৰিশিষ্ট "ক" ত সংলগ্ন কৰা হ'ল।

(খ) অসম আৰকাৰী বিধি, ২০১৬ অনুসৰি আৰকাৰী শুল্ক এই মদৰ দোকান সমূহৰ পৰা পোনপোটীয়াকৈ সংগ্ৰহ নহয়। আৰকাৰী শুল্ক ৰাজ্যত থকা 'Wholesale Warehouse' সমূহে সুৰা উৎপাদন কৰা কাৰখানা সমূহৰ পৰা সুৰা ক্ৰয় কৰাৰ সময়ত অগ্ৰিম আদায় দিয়ে । যোৱা বিত্তীয় বৰ্ষ (২০২৪-২৫) ত আৰকাৰী ৰাজহ সংগ্ৰহৰ পৰিমান VAT সহ মুঠ ৫২৯২.৪২ কোটি টকা।

এই মদৰ দোকান সমূহৰ পৰা কেৱল মাত্ৰ অনুজ্ঞাপত্ৰ মাচুল তথা ইয়াৰ নবীকৰণ মাচুলহে সংগ্ৰহ কৰা হয়। যোৱা বিত্তীয় বৰ্ষ (২০২৪-২৫) ত ১০.৪৩ কোটি টকা অনুজ্ঞাপত্ৰ মাচুল আৰু ৭৫.৪৩ কোটি টকা নবীকৰণ মাচুল সংগ্ৰহ কৰা হয় ।

(গ) প্ৰচলিত আৰকাৰী বিধি, প্ৰক্ৰিয়া আৰু আবেদন অনুসাৰে মদৰ দোকানৰ অনুজ্ঞাপত্ৰ দি থকা হৈছে।

**(প্ৰশ্নৰ উত্তৰ সংলগ্নসহ অসম বিধান সভাৰ "National e-Vidhan Application (NeVA)" পৰ্টেলত উপলব্ধ)।**

***

**অসম বিধান সভা**

**তৰাবিহীন প্ৰশ্ন নং - ৫৯**

**বিষয়ঃ ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা আইনৰ অধীনত খাদ্য সামগ্ৰী বিতৰণ।**
**বিধায়কৰ নাম :- শ্ৰীছায়মছুল হুদাঃ**
**উত্তৰ দিয়া তাৰিখ :- ১৮-০২-২০২৬**

**প্ৰশ্নঃ**

মাননীয় খাদ্য, ৰাজহুৱা বিতৰণ আৰু উপভোক্তা পৰিক্ৰমা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ
(ক) বিৰসিং জৰুৱা বিধান সভা সমষ্টিত NATIONAL FOOD SECURITY ACT (NFSA)ৰ অধীনত কিমান সংখ্যক ৰেচন কাৰ্ডৰ হিতাধিকাৰী আছে ? হিতাধিকাৰীৰ লিষ্ট সদনৰ মজিয়াত দাখিল কৰিব।

(খ) বিৰসিং জৰুৱা সমষ্টিত নতুনকৈ কিমান সংখ্যক হিতাধিকাৰী লোৱা হৈছে আৰু এতিয়ালৈ কিমান সংখ্যক পৰিয়াল হিতাধিকাৰীৰ লিষ্টত অন্তৰ্ভুক্ত কৰিবলৈ বাকী আছে ? বিস্তাৰিত তথ্য সদনৰ মজিয়াত দাখিল কৰিব।

(গ) NFSAৰ ৰেচন কাৰ্ডৰ বিপৰীতে হিতাধিকাৰী পৰিয়ালে কি কি সামগ্ৰী লাভ কৰি আছে ? পৰিয়ালৰ সদস্যৰ বিপৰীতে কিমান কিলো গ্ৰামকৈ সামগ্ৰী লাভ কৰে ? তথ্য দাখিল কৰিব।

**উত্তৰঃ**

মাননীয় খাদ্য, ৰাজহুৱা বিতৰণ আৰু উপভোক্তা পৰিক্ৰমা বিভাগৰ মন্ত্ৰী শ্ৰী কৌশিক ৰায় মহোদয়ে উত্তৰ দিবঃ

(ক) ধুবুৰী জিলাৰ পৰা পোৱা তথ্য অনুসৰি বিৰসিং জৰুৱা বিধান সভা সমষ্টিত NATIONAL FOOD SECURITY ACT (NFSA), ২০১৩ ৰ অধীনত বৰ্তমান ৩,৮৭,১৫৭ সংখ্যক হিতাধিকাৰী তালিকাভুক্ত হৈ আছে। হিতাধিকাৰীৰ তালিকাৰ বিতং তথ্য অসম বিধানসভাৰ ৱেবচাইট www.neva.gov.in (সংলগ্ন-'ক')ত উপলব্ধ কৰা হ'ল ।

(খ) শেহতীয়াকৈ সমগ্ৰ ৰাজ্যত ৫,০৪,০০০ নতুন হিতাধিকাৰী অন্তৰ্ভুক্ত কৰা প্ৰক্ৰিয়াৰ অংশ হিচাপে বিৰসিং জৰুৱা বিধান সভা সমষ্টিত ৪,০০০ নতুন হিতাধিকাৰী অন্তৰ্ভুক্তি কৰাৰ বাবে আবন্টন দিয়া হৈছিল। ধুবুৰী জিলাৰ পৰা পোৱা তথ্য অনুসৰি ইতিমধ্যে বিৰসিং জৰুৱা বিধান সভা সমষ্টিত আবন্টিত ৪,০০০ হিতাধিকাৰীৰ বিপৰীতে ৩,৩৬৯ সংখ্যক হিতাধিকাৰীক অন্তৰ্ভুক্ত কৰা হৈছে আৰু কোনো পৰিয়াল হিতাধিকাৰীৰ তালিকাত অন্তৰ্ভুক্ত হ'বলৈ বাকী নাই।

(গ) NFSA ৰেচন কাৰ্ডৰ বিপৰীতে হিতাধিকাৰীৰ পৰিয়ালসমূহে তলত দিয়া সামগ্ৰীসমূহ লাভ কৰেঃ-

(১) চাউল - AAY ৰেচন কাৰ্ডত প্ৰতি পৰিয়ালত ৩৫ কেজি আৰু PHH ৰেচন কাৰ্ডত প্ৰতি সদস্যক ৫ কেজি বিনামূলীয়াকৈ যোগান ধৰা হয়।
(২) মচুৰ দাইল - প্ৰতি ৰেচন কাৰ্ডত ১ কেজিকৈ বিতৰণ কৰা হয়।
(৩) চেনি - প্ৰতি ৰেচন কাৰ্ডত ১ কেজিকৈ বিতৰণ কৰা হয়।
(৪) নিমখ - প্ৰতি ৰেচন কাৰ্ডত ১ কেজিকৈ বিতৰণ কৰা হয়।
(৫) আটা - চৰকাৰৰ আৱণ্টনৰ ভিত্তিত ১.৫৭০ কেজিকৈ প্ৰতিখন PHH ৰেচন কাৰ্ডৰ বিপৰীতে বিতৰণ কৰা হয়।
(৬) কেৰাচিন তেল - চৰকাৰৰ আৱণ্টনৰ ভিত্তিত চাহিদা অনুপাতে প্ৰতিখন ৰেচন কাৰ্ডৰ বিপৰীতে চহৰ অঞ্চলত ২০০ মিলিলিটাৰ আৰু গাঁও অঞ্চলত ১.৫৮৮ লিটাৰ কেৰাচিন তেল বিতৰণ কৰা হয়।

*****************************

# ASSAM LEGISLATIVE ASSEMBLY
# TO BE ANSWERED ON 18th FEBRUARY, 2026
# UNSTARRED QUESTION NO: 60

**Subject: Development of Dighjuwa Beel**

**Shri Sirajuddin Ajmal, MLA**

## Will the Minister of Water Resources Department be pleased to state:

## -QUESTIONS-

(a) Does the Government aware that there is a beel (Marshy water body) called Dighjuwa Beel spreading about hundreds of acres of area in Binnakandi LAC?

(b) Does the Government aware that such a large water body has been left in a disorganized and unprotected condition without drainage since the beginning, hence about 1000 hectares of crop fields are being destroyed due to artificial water logging during monsoon every year?

(c) Will the Government control this water body and take all necessary measures to eliminate this artificial flooding?

(d) If so, by when and if not, the reason thereof?

## Hon'ble Minister of Water Resources Department, Sri Pijush Hazarika will reply:

## -ANSWER-

(a) Yes, the Govt. is aware that there exist a marshy water body called Dighjuwa Beel, located in Binnakandi LAC of Hojai district.

(b) The Dighjuwa Beel is located in the Binnakandi LAC within the jurisdiction of Hojai district The Beel is primarily a vast low-lying area, mainly consisting of agricultural crop field and farming land. These crop fields are being inundated during the rainy season leading to water logging due to accumulation of rain water, thus affecting the entire low-lying region.

(c) The problem of water logging has resulted in widespread inundation across the region, including extensive crop fields in Dighjuwa Beel.

To address the problem of flooding effectively, a detailed technical study of the Beel and its catchment area should be conducted. The study is required to examine the hydrological, geological, and environmental aspects of the region and propose appropriate, scientifically sound solutions that are practical and feasible for the specific location and its entire basin.

(d) The Govt. has not yet undertaken any work in Dighjuwa Beel. However, a study of the Beel and its catchment may be undertaken to examine the hydrological, geological, and environmental aspects of the region and propose appropriate feasible measures in order to prepare and execute works related to flood and erosion prevention in the aforesaid region.

***(Replies have been uploaded in the NeVa portal)***

**ASSAM LEGISLATIVE ASSEMBLY**
**UNSTARRED ASSEMBLY QUESTION NO. 61**
**DATE OF REPLY: 18/02/2026**

Sub : Mining lease and mining permit, minerals and projects of AMDC.

Shri ABDUR RASHID MANDAL, MLA.

Will the Minister of Mines and Minerals Department be pleased to state:

(a) Please furnish district wise separately list of persons or companies with addresses to whom mining lease and mining permit is granted including period allowed for each lease and permit, Rents and Royalties (item wise) fixed, amount of rents & royalties (item wise) received from each lease and permit.

(b) Please furnish the rates of rent and royalties of all items of third schedule and second schedule at present in details.

(c) Please furnish the list of minerals separately under Schedule-'X' and Schedule-'Y' if the Rules in Assam in details.

(d) Please furnish the list of mineral based industries as a joint venture with Assam Mineral Development Corporation Limited, established in Assam during the period from 2017/18 till date with name and addresses of the investors in details.

(e) Please furnish the list of ongoing and proposed projects for mining by Assam Mineral Development Corporation (AMDC) in Assam including yearwise and item wise loss or profit gained during the period of 2017/18 till date.

(f) Please furnish Approved Annual Reports and Approved Audit Reports of all Districts since 2017-18 to 2024-25.

**ANSWERS :**

Shri Kaushik Rai, Hon'ble Minister, Mines and Minerals Department will answer-

(a) The detail list district wise separate list of persons or companies with addresses to whom mining lease and mining permit is granted is enclosed as **ANNEXURE-1A, ANNEXURE-1B, ANNEXURE-1C, ANNEXURE-1D and ANNEXURE-1E**.

(b) Details of the rates of rent and royalties of all items of third schedule and second schedule at present is enclosed as **ANNEXURE-2.**

(c) The list of minerals under Schedule-'X' and Schedule-'Y' is furnished herewith separately as **ANNEXURE-3.**

(d) As reported by the Managing Director, Assam Mineral Development Corporation (AMDC), it is Nil.

(e) The list of ongoing and proposed projects for mining by Assam Mineral Development Corporation (AMDC) in Assam are -

I. Limestone Mining Project 200 hect. (amalgamation).

II. Garampani Coal Mining Project

III. Koilajan Coal Mining Project

IV. Binja Coal Mining Project, (Jharkhand)

V. Critical Mineral, Maharashtra

Details of Profit & Loss of AMDCL are given below:

| SL. No | FY | Profit & Loss (In Cr) | Remarks |
|---|---|---|---|
| 1 | 2017-18 | 22.45 | Profit |
| 2 | 2018-19 | 25.75 | Profit |
| 3 | 2019-20 | 24.71 | Profit |
| 4 | 2020-21 | 15.32 | Profit |
| 5 | 2021-22 | 14.1 | Profit |
| 6 | 2022-23 | 6.05 | Profit |
| 7 | 2023-24 | 2.73 | Profit |
| 8 | 2024-25 | (5.59) | Loss |

(f) The Approved Annual Reports and Approved Audit Reports of all Districts since 2017-18 to 2021-22 is enclosed herewith. For 2022-23, 2023-24, 2024-25 Internal/Provisional Audit Completed, AG audit Pending.

*********************************

Uploaded in National eVidhan Application

অসম বিধান সভা
তৰা বিহীন প্ৰশ্ন নং : ৬২
উত্তৰ দিয়া তাৰিখ : ১৮/০২/২০২৬

বিষয় : PMJVK আঁচনি সন্দৰ্ভত শ্ৰীমজিবুৰ ৰহমান,মাননীয় বিধায়ক

মাননীয় সংখ্যালঘু কল্যাণ আৰু উন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) অসম চৰকাৰে যোৱা দুটা বিত্তীয় বৰ্ষত **PMJVK** আঁচনিৰ অধীনত কেন্দ্ৰীয় চৰকাৰৰ পৰা কিমান টকা আবন্টন পাইছিল ? বিত্তীয় বৰ্ষ অনুযায়ী তথ্য দাঙি ধৰিব।

(খ) কেন্দ্ৰীয় চৰকাৰৰ পৰা পোৱা আবন্টিত ধনৰ কিমান টকা কোনটো শিতানত ব্যয় কৰিলে ? আঁচনি অনুযায়ী আবন্টিত ধনৰ পৰিমাণ,অগ্ৰগতিৰ খতিয়ানৰ সবিশেষ তথ্য বৰ্ষ অনুযায়ী দাখিল কৰিব।

(গ) যদি এতিয়ালৈ **PMJVK** আঁচনিৰ ধন কেন্দ্ৰীয় চৰকাৰৰ পৰা অসম চৰকাৰে পোৱা নাই, কিয় পোৱা নাই আৰু কিমান দিনৰ ভিতৰত পাব বিতংকৈ জনাব।

**<u>উত্তৰ:</u>**

মাননীয় সংখ্যালঘু কল্যাণ আৰু উন্নয়ন বিভাগৰ মন্ত্ৰী শ্ৰীমতী নন্দিতা গৰ্লোচা মহোদয়াই উত্তৰ দিব।

(ক) যোৱা ২০২৩-২৪ আৰু ২০২৪- ২৫ বিত্তীয় বৰ্ষত দুটাত **PMJVK** আৰ্চনিৰ অধীনত কেন্দ্ৰীয় চৰকাৰে আৱণ্টিত কৰা ধনৰ পৰিমাণ তলত দিয়া ধৰণে

| বিত্তীয় বৰ্ষ | কেন্দ্ৰীয় পুঁজি | ৰাজ্যিক পুঁজি | মুঠ (লাখৰ হিচাপত) |
|---|---|---|---|
| ২০২৩-২৪ | ৫৭.৫৩ | ১৬.৫১ | ৭৪.০৪ |
| ২০২৪-২৫ | ১২৯০০.০০ | ১৪৩৩.৩৪ | ১৪৩৩৩.৩৪ |

(খ) এই সঞ্চালকালয়ে ২০২৩-২৪ আৰু ২০২৪- ২৫ বিত্তীয় বৰ্ষত কেন্দ্ৰীয় চৰকাৰৰ পৰা আৱণ্টন পোৱা ধন PMJVK শিতানত ব্যয় কৰা হৈছে। আৰ্চনি অনুযায়ী আৱণ্টিত ধনৰ পৰিমাণ আৰু অগ্ৰগতিৰ খতিয়ানৰ সবিশেষ তথ্য **<u>www.cms.neva.gov.in</u>** পৰ্টেলত পৰিশিষ্ট “ক” ত দিয়া হ'ল।

(গ) কেন্দ্ৰীয় চৰকাৰে প্ৰত্যেক বছৰে PMJVK আৰ্চনিৰ পুঁজি মোকলাই দি আছে ।

---------------------

# ASSAM LEGISLATIVE ASSEMBLY
# TO BE ANSWERED ON 18th FEBRUARY, 2026
# UNSTARRED QUESTION NO: 63

**Subject: Damage to river protection works and long-term river management.**

**Shri Nihar Ranjan Das, MLA**

## Will the Minister of Water Resources Department be pleased to state:

## -QUESTIONS-

(a) Please furnish the details of riverbank protection and embankment works in the Dholai constituency that suffered damage during the last monsoon;

(b) Please furnish the expenditure incurred on temporary or emergency restoration works;

(c) Whether any long-term river management or flood-resilience plan has been prepared for rivers of the Barak Valley, including Dholai?

## Hon'ble Minister of Water Resources Department, Sri Pijush Hazarika will reply:

## -ANSWER-

(a) The embankments in the Dholai constituency were constructed long way back. During the last monsoon due to erosion in the bank as well as due to sloughening at some places, damages occurred at the following locations.

1. Islamabad
2. Saptagram
3. Narsingpur Pt-III
4. Bantarapur

The details of the damages observed in the existing embankment are enclosed as **Annexure-I.** However some A/E protection works were implemented in the Dholai constituency and no damage was seen during the last monsoon.

(b) For restoration of the damages occurred in the embankment one scheme namely "Restoration of breach like damages at various reaches on the dyke along L/B of River Sonai from SM Road to Dharmikhal till (L/B)" costing Rs. 14.70 L has been taken up. No expenditure has been incurred till now.

(c) Feasible long term flood management projects shall be prepared after detail survey of the area and as per recommendation of the master plan prepared by Brahmaputra Board.

***(Annexure-I is submitted online with this reply and replies have been uploaded in the NeVa portal )***

**অসম বিধান সভা**
**তৰাবিহীন প্ৰশ্ন নং ৬৪**
**উত্তৰ দিয়াৰ তাৰিখ : ১৮- ০২- ২০২৬**

বিষয়: **তৃতীয় লিংগৰ সংৰক্ষণ সন্দৰ্ভত** শ্ৰীপ্ৰদীপ সৰকাৰ : বিধায়ক

**প্ৰশ্ন :**

মাননীয় সামাজিক ন্যায় আৰু সৰলীকৰণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) "সামাজিক আৰু শৈক্ষিকভাৱে পিছপৰা শ্ৰেণী" হিচাপে তৃতীয় লিংগৰ লোকসকললৈ ঘোৰ্ষত সংৰক্ষণ উলম্বভাবে (castebased) প্ৰয়োগ কৰা হৈছেনে ? যদি হৈছে, তেন্তে এই প্ৰয়োগ নিৰ্ধাৰণ কৰিবলৈ চৰকাৰে গ্ৰহণ কৰা পদ্ধতি কি ?

(খ) অসমত সংৰক্ষণ লাভৰ বাবে চৰকাৰে কাক "তৃতীয় লিংগৰ ব্যক্তি" হিচাপে শ্ৰেণীবদ্ধ কৰিছে?

(গ) চৰকাৰী শিক্ষানুষ্ঠানসমূহত Transgender ব্যক্তিৰ বাবে আসন সংৰক্ষণ কৰাৰ বিষয়ে চৰকাৰে বিবেচনা কৰিছে নে? যদি কৰিছে, তেন্তে শিক্ষানুষ্ঠান সমূহত সংৰক্ষিত আসনৰ বিতং তথ্য দাঙি ধৰিব।

**উত্তৰ :**

**মাননীয় সামাজিক ন্যায় আৰু সৰলীকৰণ বিভাগৰ মন্ত্ৰী শ্ৰীযুত পীযুষ হাজৰীকা মহোদয়ে উত্তৰ দিব :**

(ক) তৃতীয় লিংগৰ ব্যক্তিসকলৰ ক্ষেত্ৰত "সামাজিক আৰু শৈক্ষিকভাৱে পিছপৰা শ্ৰেণী" হিচাপে সংৰক্ষণ প্ৰদানৰ বিষয়টো সংৰক্ষণ নীতি সম্পৰ্কীয় সামগ্ৰিক চৰকাৰী সিদ্ধান্তৰ অধীনত নিৰ্ধাৰিত হয়। উক্ত বিষয়টো সামাজিক ন্যায় আৰু সৰলীকৰণ সঞ্চালকালয়ৰ দ্বাৰা পৃথকভাৱে নিৰ্ধাৰণ কৰা নহয়।

(খ) তৃতীয় লিংগৰ ব্যক্তি হিচাপে কাক শ্ৰেণীবদ্ধ কৰা হ'ব, সেইটো প্ৰচলিত আইন, চৰকাৰী অধিসূচনা আৰু উপযুক্ত কৰ্তৃপক্ষৰ দ্বাৰা নিৰ্ধাৰিত প্ৰক্ৰিয়াৰ জৰিয়তে নিৰূপণ কৰা হয়। ইয়াৰ লগতে, সংশ্লিষ্ট জিলা আয়ুক্তসকলক তৃতীয় লিঙ্গৰ ব্যক্তিসকলৰ বাবে পৰিচয় পত্ৰ জাৰি কৰিবলৈ প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণৰ কৰ্তৃত্ব প্ৰদান কৰা হৈছে। (**তৃতীয় লিঙ্গৰ ব্যক্তি হিচাপে শ্ৰেণীবদ্ধ কৰাৰ চৰকাৰী আইন খণ্ড পৰিশিষ্ট– 'ক' হিচাপে** https://cms.neva.gov.in/ ত আপলোড কৰা হ'ল ।

(গ) চৰকাৰী শিক্ষানুষ্ঠানসমূহত তৃতীয় লিংগৰ ব্যক্তিৰ বাবে আসন সংৰক্ষণৰ বিষয়টো শিক্ষা বিভাগ তথা সংৰক্ষণ নীতি সম্পৰ্কীয় কৰ্তৃপক্ষৰ ক্ষেত্ৰাধিকাৰৰ ভিতৰত পৰে।

- - - - X- - - -

অসম বিধান সভা
উত্তৰদানৰ তাৰিখ-১৮/০২/২০২৬
**তৰাবিহীন প্ৰশ্ননং - ৬৫**
*বিষয়* : **আন্তঃৰাজ্যিক সীমা সমস্যাৰ সমাধান কেতিয়া হ'ব ?**
**শ্ৰীঅখিল গগৈ :**

মাননীয় সীমান্ত সুৰক্ষা আৰু উন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে:

(ক) সীমা বিবাদ মীমাংসা কৰিবলৈ অসম চৰকাৰে মেঘালয়, অৰুণাচল প্ৰদেশ, মিজোৰাম আৰু নাগালেণ্ডক অসমৰ সাংবিধানিক সীমাৰ ভিতৰৰ কিমান ভূমি এৰি দিব খুজিছে ? ৰাজহ চক্ৰ অনুসৰি তথ্য দিব । অসমে সেইসমূহ ৰাজ্যৰ পৰা তেওঁলোকৰ বৰ্তমানৰ সাংবিধানিক সীমাৰ ভিতৰৰ পৰা কিমান ভূমি লাভ কৰিব ?

(খ) অসম চৰকাৰৰ সৈতে ১ মে', ২০২১ তাৰিখৰ পৰা বৰ্তমানলৈকে এই সন্দৰ্ভত ওপৰৰ চাৰিওখন ৰাজ্যৰ বিষয়া পৰ্য্যায়, মন্ত্ৰী পৰ্য্যায় আৰু মুখ্যমন্ত্ৰী পৰ্য্যায়ত হোৱা সকলো আলোচনাৰ প্ৰতিবেদন (Minutes)সদনত দাখিল কৰিব । এই ৰাজ্যসমূহৰ লগত হোৱা সকলো চুক্তি সদনত দাখিল কৰিব ।

(গ) এই সন্দৰ্ভত অসম চৰকাৰ আৰু কেন্দ্ৰীয় চৰকাৰৰ মাজত আদান-প্ৰদান হোৱা সকলো পত্ৰ (Correspondence)ৰ প্ৰতিলিপি সদনত দাখিল কৰিব । এই সমস্যাৰ চূড়ান্ত মীমাংসা কেতিয়া হ'ব আৰু বৰ্তমান কি পৰ্য্যায়ত আছে ?

(ঘ) আজিৰ তাৰিখত এই চাৰিওখন ৰাজ্যৰ সৈতে অসমৰ সীমা বিবাদৰ কিমান মাটিৰ চূড়ান্ত মীমাংসা হ'ল, সেই মীমাংসা কি পৰ্য্যায়ত আছে ?

(ঙ) ২০১৬ চনৰ মে' মাহৰ পৰা বৰ্তমানলৈ চাৰিওখন ৰাজ্যৰ সৈতে সীমা বিবাদ কিমান কিমান শতাংশ মীমাংসা হ'ল ?

উত্তৰ

সীমান্ত সুৰক্ষা আৰু উন্নয়ন বিভাগৰ মন্ত্ৰী মাননীয় শ্ৰী অতুল বৰা দেৱে উত্তৰ দিব।

**(ক)** সীমান্তৰ ৰাজ্যসমূহৰ লগত হৈ থকা দীৰ্ঘদিনীয়া সীমা –বিবাদ মীমাংসা কৰিবলৈ লগতে বেদখল কৰি থকা অঞ্চলসমূহ বেদখলমুক্ত কৰিবলৈ অসম চৰকাৰে চুবুৰীয়া ৰাজ্যসমূহৰ লগত আলোচনাৰ মাধ্যমেৰে বহুখিনি আগবাঢ়িছে। এই আলোচনা পূৰ্ণ পৰ্যায় প্ৰাপ্তিৰ লগতে জৰীপৰ কাম সমাপ্ত হলেহে বিতং তথ্য জনাব পৰা যাব।

মেঘালয় চৰকাৰে দাবী কৰা বাৰটা এলেকা ক্ৰমে -১) তাৰাবাৰী, ২) গিজাং, ৩) হাহিম, ৪) লাম্পি, ৫) বৰদূৱাৰ, ৬) বকলাপাৰা, ৭) নংৱা-মউতামুৰ (গড়ভঙা), ৮) খানাপাৰা-পিলিংকাটা, ৯) দেশডুমৰীয়া, ১০) ব্লক-১ আৰু ব্লক-২ ১১) পিচিয়াৰ-খান্দুলী আৰু ১২) ৰাতাচেৰা ভিতৰত ছটা এলেকা ক্ৰমে তাৰাবাৰী, হাহিম, গিজাং, বকলাপাৰা, খানাপাৰা-পিলিংকাটা, ৰাতাচেৰাৰ বাবে বুজা বুজি চুক্তিত যোৱা ইং ২৯/০৩/২০২২ তাৰিখে চহী কৰা হৈছে | দুয়োখন ৰাজ্যই (Regional Committee) গঠন কৰি সীমা নিৰ্ধাৰণৰ বাবে ব্যৱস্থা লৈছে | ইয়াৰে হাহিম এলেকাত সীমা নিৰ্ধাৰণ কৰি (Boundary Pillar) সীমা খুটা পোতা হৈছে | মেঘালয় মুঠ দাবী কৰা হাহিম অংশৰ প্ৰায় ৩.৫১ বৰ্গ কিঃমিঃ ৰ ভিতৰত প্ৰায় ০.৩০ বৰ্গ কিঃমিঃ ভূমি অসমত থাকিব আৰু প্ৰায় ৩.২১ বৰ্গ কিঃমিঃ ভূমি মেঘালয়ত থাকিব |বাকী ৫ তা এলেকাৰ সীমা জৰীপৰ কাম সম্পূৰ্ণ হলেহে বিতং তথ্য সদনত দাখিল কৰিব পৰা যাব |

বাকী থকা ৬ টা বিবাদমান অঞ্চল লাম্পি, দেশডুমৰীয়া, বৰদুৱাৰ, নংৱা-মউতামুৰ (গড়ভঙা), ব্লক-১ আৰু ব্লক-২ আৰু পিচিয়াৰ-খান্দুলীৰ বাবেও ৩ খন আঞ্চলিক কমিটি (Regional Committee) গঠন কৰা হৈছে আৰু পাৰস্পৰিক ভাৱে আলোচনা কৰি সীমা সমস্যা সমাধান কৰিবলৈ বৈঠক অনুষ্ঠিত কৰি থকা হৈছে।

অসম আৰু অৰুণাচল প্ৰদেশ দুয়োখন ৰাজ্যই সীমা বিবাদ নিষ্পত্তি কৰিবলৈ যুটীয়াভাৱে ২৪৩.৮৫ কি: মি: আন্তঃ ৰাজ্যিক সীমা জৰীপ কৰিবলৈ পৰস্পৰে মান্তি হৈছে | ইয়াৰে অৰুণাচল প্ৰদেশৰ পাক্কে কেচাং জিলা আৰু অসমৰ বিশ্বনাথ জিলাৰ মাজৰ ৩৮.৯৩ কিঃমিঃ দৈৰ্ঘ্যৰ সীমা দুয়ো ৰাজ্যৰ প্ৰতিনিধি উপস্থিতিত যোৱা ইং ০৯/০২/২০২৬ তাৰিখৰ পৰা SURVEY OF INDIA (SOI) এ জৰীপৰ কাম কৰি আছে | এই জৰীপৰ কাম সম্পূৰ্ণ হৈ উঠিলে পৰৱৰ্তী পৰ্য্যায়ত আন্তঃ ৰাজ্যিক সীমাৰ খুটা (BOUNDARY PILLAR) স্থাপন কৰা হব |

অসম আৰু মিজোৰাম ৰাজ্যৰ ক্ষেত্ৰত সীমা সমস্যা নিষ্পত্তি কৰিবলৈ দুয়োখন ৰাজ্যৰ মাজত বিভিন্ন পৰ্য্যায়ত আলোচনা চলি আছে ।
অসম আৰু নাগালেণ্ড ৰাজ্যৰ ক্ষেত্ৰত সীমা সমস্যা নিষ্পত্তি কৰিবলৈ মহামান্য উচ্চতম ন্যায়ালয়ত বৰ্তমান Original Suit (O.S. No. 02/88) গোচৰ চলি আছে আৰু অসমৰ সাক্ষী হিচাপে Survey of India (SOI) এ মনোনীত কৰা বিষয়াৰ সাক্ষ্য শুনানী চলি আছে।

(খ) অসম চৰকাৰৰ সৈতে ১ মে' ২০২১ তাৰিখৰ পৰা বৰ্তমানলৈকে হোৱা বিভিন্ন পৰ্য্যায়ৰ বৈঠক সমূহৰ তথ্য উল্লেখ কৰা হল:-

| ক্ৰমিক নং | ৰাজ্যৰ নাম | আলোচনাৰ পৰ্যায় | তাৰিখ | ঠাই |
|---|---|---|---|---|
| ১ | অসম -মেঘালয় | মূখ্যমন্ত্ৰীৰ পৰ্যায় | ২৩-০৭-২০২১ | শিলং |
| ২ | | | ০৬-০৮-২০২১ | গুৱাহাটী |
| ৩ | | | ১৬-১১-২০২১ | গুৱাহাটী |
| ৪ | | | ২২-১২-২০২১ | গুৱাহাটী |
| ৫ | | | ২১-০৮-২০২২ | গুৱাহাটী |
| ৬ | | | ২৪-০৫-২০২৩ | গুৱাহাটী |
| ৭ | | | ৩০-০৯-২০২৩ | গুৱাহাটী |
| ৮ | | | ০২- ০৬- ২০২৫ | গুৱাহাটী |
| ৯ | | বিষয়া পৰ্যায় | ০৬-১১-২০২৪ | গুৱাহাটী |
| ১০ | অসম -অৰুনাচল প্ৰদেশ | মূখ্যমন্ত্ৰীৰ পৰ্যায় | ২৪-০১-২০২২ | গুৱাহাটী |
| ১১ | | | ২০-০৪-২০২২ | গুৱাহাটী |
| ১২ | | | ১৫-০৭-২০২২ | নামচাই |
| ১৩ | | | ১০-১১-২০২২ | গুৱাহাটী |
| ১৪ | | | ৩০-০৩-২০২৩ | গুৱাহাটী |
| ১৫ | | বিষয়া পৰ্যায় | ০৬-১১-২০২৪ | গুৱাহাটী |
| ১৬ | অসম- মিজোৰাম | মন্ত্ৰীৰ পৰ্যায় | ০৯-০৮-২০২২ | আইজল |
| ১৭ | | | ১৭-১১-২০২২ | গুৱাহাটী |
| ১৮ | | | ০৯-০৮-২০২৪ | আইজল |
| ১৯ | | বিষয়া পৰ্যায় | ২৫-০৪-২০২৫ | গুৱাহাটী |

**আলোচনা সমূহৰ প্ৰতিবেদন পৰিশিষ্ট "ক" ত সংলগ্ন কৰা হল।**

(গ) সীমা বিবাদ নিষ্পত্তি কৰিবলৈ অসম আৰু মেঘালয় চৰকাৰে যোৱা ইং ২৯/০৩/২০২২ তাৰিখে আৰু অসম আৰু অৰুণাচল চৰকাৰে যোৱা ইং ২০/০৪/২০২৩ তাৰিখে কেন্দ্ৰীয় গৃহ মন্ত্ৰী উপস্থিতিত নতুন দিল্লীত বুজা বুজিৰ চুক্তি স্বাক্ষৰিত কৰিছে। বুজাবুজিৰ চুক্তিৰ (MoU) প্ৰতিলিপি দুখন **পৰিশিষ্ট "খ"** ত সংলগ্ন কৰা হ'ল।

(ঘ) "ক" ত উল্লেখ কৰা হল।

(ঙ) "ক" ত উল্লেখ কৰা মতে অসম - মেঘালয়ৰ আন্তঃ ৰাজ্যিক সীমাৰ হাহিম অংশত জৰীপৰ কাম ১০০% সম্পূৰ্ণ হৈছে। বাকী অংশৰ জৰীপ সম্পূৰ্ণ হলেহে চূড়ান্ত তথ্য সদনত দাখিল কৰিব পৰা যাব।

**বিঃদ্ৰঃ** - উত্তৰ NeVA portal https://cms.neva.gov.in/ ত আপলোড কৰা হৈছে ।

**অসম বিধান সভা**
**তৰাবিহীন প্ৰশ্ন নং – ৬৬**
**উত্তৰ দিয়াৰ তাৰিখ – ১৮/০২/২০২৬**

বিষয়ঃ **ষ্টেডিয়াম**

বিধায়কঃ ডাঃ আচিফ মহম্মদ নাজাৰঃ

মাননীয় ক্ৰীড়া আৰু যুৱ কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) অসমত কিমান গ্ৰাম্য ষ্টেডিয়াম আছে? গ্ৰাম্য অঞ্চলত নতুনকৈ ষ্টেডিয়াম নিৰ্মাণ কৰাৰ কিবা পৰিকল্পনা আছে নেকি ?

(খ) লাহৰিঘাট সমষ্টিত ষ্টেডিয়াম নিৰ্মাণ কৰিবলৈ চৰকাৰে কিবা পৰিকল্পনা হাতত লৈছে নে ?

মাননীয় ক্ৰীড়া আৰু যুৱ কল্যাণ বিভাগৰ মন্ত্ৰী **শ্ৰীমতী নন্দিতা গাৰ্লোচা** মহোদয়াই উত্তৰ দিবঃ

(ক) এতিয়ালৈকে ক্ৰীড়া আৰু যুৱ কল্যাণ বিভাগৰ অধীনত কোনো গ্ৰাম্য ষ্টেডিয়াম নিৰ্মাণ কৰা হোৱা নাই। ৰাজ্য চৰকাৰে PWD বিভাগৰ ৰ জৰিয়তে ৰাজ্যৰ বিভিন্ন স্থানত District Stadium, Mini Stadium আৰু Signature Project- ৰ নিৰ্মাণৰ কাম গ্ৰহণ কৰিছে আৰু এইতো এটা গতানুগতিক প্ৰক্ৰিয়া ।

(খ) এতিয়ালৈকে লাহৰিঘাট সমষ্টিত ষ্টেডিয়াম নিৰ্মাণৰ কোনা পৰিকল্পনা নাই। ভৱিষ্যতে এই বিষয়টো বিবেচনা কৰা হ'ব পাৰে।

*******

অসম বিধান সভা
তৰা বিহীন প্ৰশ্ন নং- ৬৭
উত্তৰ দিয়া তাৰিখ ১৮-০২-২০২৬

বিষয় : District Mineral Foundation সন্দৰ্ভত ।

শ্ৰীদেৱব্ৰত শইকীয়া, বিধায়ক।

মাননীয় খনি আৰু খনিজাত দ্ৰব্য বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে

(ক) District Mineral Foundation ট্ৰাষ্ট গঠন হোৱাৰ পৰা এতিয়ালৈকে জিলা-ভিত্তিক কিমান পৰিমাণৰ DMF পুঁজি সংগ্ৰহ হৈছে?

(খ) ট্ৰাষ্ট ডিড অনুসৰি সদস্য সচিব আৰু পৰিচালনা সমিতিৰ আন এজন অনুমোদিত সদস্যৰ যৌথ স্বাক্ষৰত DMF একাউন্ট পৰিচালনা হৈছেনে নাই, এইটো চৰকাৰে কেনেদৰে নিশ্চিত কৰে?

(গ) ট্ৰাষ্ট ডিডত নিৰ্ধাৰিত ৬ শতাংশ ব্যয় সীমা মানি চলা হৈছে নে নাই, এইটো চৰকাৰে কেনেদৰে নিশ্চিত কৰে?

(ঘ) DMF পুঁজি কেৱল নিৰ্ধাৰিত ৰাষ্ট্ৰীয়কৃত বেংকত যৌথ স্বাক্ষৰতেই জমা আৰু পৰিচালনা কৰা হৈছে নে নাই?

(ঙ) G.S.R. 715(E), ১৭ ছেপ্টেম্বৰ ২০১৫ অনুসৰি খনি লীজ ধাৰকসকলে ৰাজহ অংশ পূৰ্ণ আৰু সময়মতে পৰিশোধ কৰিছে নে নাই, এইটো চৰকাৰে কেনেদৰে নিশ্চিত কৰে?

উত্তৰ :

মাননীয় খনি আৰু খনিজাত দ্ৰব্য বিভাগৰ মন্ত্ৰী শ্ৰীকৌশিক ৰায় মহোদয়ে উত্তৰ দিব:

(ক) District Mineral Foundation ট্ৰাষ্ট গঠন হোৱাৰ পৰা ২০২৫ চনৰ নৱেম্বৰ মাহলৈকে অসমত সৰ্বমুঠ ৩২৮.৩১ কোটি টকা DMF পুঁজি সংগ্ৰহ হৈছে। জিলা-ভিত্তিক সবিশেষ তথ্য **পৰিশিষ্ট-১** ত সংলগ্ন কৰা হ'ল ।

(খ) ট্ৰাষ্ট ডিড অনুসৰি সদস্য সচিব আৰু পৰিচালনা সমিতিৰ আন এজন অনুমোদিত সদস্যৰ যৌথ স্বাক্ষৰত DMF একাউন্ট পৰিচালনা হোৱাৰ কথাটো DMFT-ৰ বছৰেকীয়া অ'ডিটৰ জড়িয়তে চৰকাৰে নিশ্চিত কৰে।

(গ) ট্ৰাষ্ট ডিডত নিৰ্ধাৰিত ৬ শতাংশ ব্যয় সীমা মানি চলা হৈছে নে নাই, এইটো চৰকাৰে DMFT-ৰ বছৰেকীয়া অ'ডিটৰ জড়িয়তে নিশ্চিত কৰে।

(ঘ) DMF পুঁজি কেৱল নিৰ্ধাৰিত ৰাষ্ট্ৰীয়কৃত বেংকত যৌথ স্বাক্ষৰতেই জমা অৰু পৰিচালনা কৰা হৈছে ।

(ঙ) খনি লীজ ধাৰকসকলে ৰাজহৰ অংশ পৰিশোধ কৰাৰ এটা প্ৰতিলিপি ভূ-তত্ব আৰু খনি সঞ্চালকালয়, অসমলৈ প্ৰেৰণ কৰে, যাৰ জৰিয়তে লীজ ধাৰকসকলে ৰাজহ অংশ পূৰ্ণ আৰু সময়মতে পৰিশোধ কৰাটো চৰকাৰে নিশ্চিত কৰে ।

********

Uploaded in National eVidhan Application

# আসাম বিধান সভা
# তারাবিহীন প্রশ্ন নং -৬৮
# উত্তর দেওয়ার তারিখ : ১৮/০২/২৬

**বিষয়ঃ বরাক উপত্যকার বিভিন্ন এলাকায় মোবাইল নেটওয়ার্ক ও যোগাযোগ ব্যবস্থার ঘাটতি প্রসঙ্গে।**

**শ্রীখলিল উদ্দিন মজুমদার : বিধায়ক**

মাননীয় বরাক উপত্যকা উন্নয়ণ বিভাগের মন্ত্রী মহোদয়ে অনুগ্রহ করিয়া জানাবেন কী?

(ক) বরাক উপত্যকার অন্তর্গত তিনটি জেলা— হাইলাকান্দি, কাছাড় ও শ্রীভূমি (করিমগঞ্জ)-এর বিভিন্ন গ্রামীণ ও প্রত্যন্ত এলাকায় মোবাইল নেটওয়ার্ক ও যোগাযোগ ব্যবস্থার মারাত্মক ঘাটতি বিদ্যমান, যার ফলে সাধারণ মানুষ দৈনন্দিন যোগাযোগ, অনলাইন পরিষেবা ও অন্যান্য ডিজিটেল সুবিধা থেকে বঞ্চিত হচ্ছেন। সরকার কি এই বিষয়ে অবগত আছেন?

(খ) হাইলাকান্দি জেলার আলগাপুর–কাটলীছড়া বিধানসভা কেন্দ্রের অন্তর্গত—

- Jalnacherra–Killarbak
- Paloicherra
- Dariarghat–Boldaboldi
- Garmura–Ramnathpur
- Protapnagar Gram Panchayat

এবং কাছাড় জেলার কাটিগড়া বিধানসভা কেন্দ্রের অন্তর্গত—

- Leverputa
- Nischintapur
- Kurkuri
- Khelma
- Kushiarkul

ইত্যাদি গ্রাম ও এলাকায় মোবাইল নেটওয়ার্ক অত্যন্ত দুর্বল অথবা প্রায় সম্পূর্ণ অনুপস্থিত—এ বিষয়ে সরকার অবগত কী?

(গ) উক্ত এলাকাসমূহে ডিজিটেল সংযোগ ও যোগাযোগ পরিকাঠামো উন্নয়নের লক্ষ্যে বরাক উপত্যকা উন্নয়ন বিভাগের মাধ্যমে সরকার কোনো বিশেষ পরিকল্পনা, প্রকল্প বা পদক্ষেপ গ্রহণ করেছে কি? যদি করে থাকে তার বিস্তারিত বিবরণ কী?

## উত্তর

মাননীয় বরাক উপত্যকার উন্নয়ণ বিভাগীয় মন্ত্রী শ্রীকৌশিক রায় মহোদয় উত্তর দিবেন :-

(ক) হ্যাঁ,অবগত আছেন ।

(খ) হ্যাঁ, অবগত আছেন।

ভারত সঞ্চার নিগম লিমিটেডের শিলচর সংমণ্ডল কার্যালয় থেকে প্রাপ্ত তথ্য অনুযায়ী নিম্নরূপ প্রতিবেদন দাখিল করা হইল ।

| Sl. No. | SITE | STATUS | REMARKS |
|---|---|---|---|
| 1 | Jalnacherra-Killarbak | BSNL network not available | Site proposed under 4G USOF Saturation Cat 6 |
| 2 | Paloicherra | BSNL network not available | BSNL site Jamira 1.5 km |
| 3 | Dariarghat-Boldaboldi | BSNL network not available | BSNL site Kurrichera Bzr 1.5 km |
| 4 | Garmura-Ramnathpur | BSNL network available | 4G network available |
| 5 | Protapnagar | BSNL network not available | No nearby BSNL site available |
| 6 | Leverputa | BSNL network not available | No nearby BSNL site available |
| 7 | Nischintapur | BSNL network not available | No nearby BSNL site available |
| 8 | Kurkuri | BSNL network not available | No nearby BSNL site available |
| 9 | Khelma | BSNL network available | 4G network available |
| 10 | Kushiarkul | BSNL network not available | No nearby BSNL site available |

(গ) মোবাইল পরিষেবা ও টেলিযোগাযোগ পরিকাঠামো উন্নয়ন কেন্দ্রীয় বিষয় ।তবে বিষয়টির গুরুত্ব বিবেচনা ক্রমে ইতিমধ্যে ভারত সঞ্চার নিগম লিমিটেডের কাছাড় সংমণ্ডলের মহাব্যবস্থাপক মহাশয়ের সহিত বিষয়টি নিয়ে প্রয়োজনীয় পদক্ষেপ নেওয়ার জন্য অনুরোধ করা হইয়াছে এবং সংশ্লিষ্ট জেলা আয়ুক্তদেরকে জেলা ভিত্তিক পর্যালোচনা করার জন্য নির্দেশ দেওয়া হইয়াছে । অতি সত্তর বিষয়টি ভারত সঞ্চার নিগম লিমিটেডের কর্মকর্তা ও অন্যান্য মোবাইল পরিষেবা প্রদানকারী সংস্থার সহিত আলোচনা ক্রমে মোবাইল পরিষেবা উন্নত করার লক্ষ্যে ভবিষ্যত পরিকল্পনা গ্রহণ করা হইবে।

****************

অসম বিধান সভা
তৰাবিহীন প্ৰশ্ন নংঃ ৬৯
উত্তৰ দানৰ তাৰিখ ঃ ১৮/০২/২০২৬
*বিষয়ঃ* **কৃষকক প্ৰদান কৰা সুবিধাসমূহৰ সম্পৰ্কে।**
বিধায়কৰ নাম ঃ শ্ৰীজাকিৰ হুছেইন সিকদাৰঃ

মাননীয় কৃষি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

ক) কৃষি বিভাগৰ জৰিয়তে কৃষকসকলক বীজ, ৰাসায়নিক সাৰ, কৃষিজাত সামগ্ৰী আৰু কি কি সুবিধা চৰকাৰে প্ৰদান কৰিছে তাৰ তালিকা সদনত দাখিল কৰিব। সমষ্টি ভিত্তি হিচাপে তালিকা দিব।

খ) চৰকাৰে কৃষকসকলক প্ৰদান কৰা এই সামগ্ৰীসমূহ কোন কোন ঠিকাদাৰ বা কোন কোন প্ৰতিষ্ঠানে যোগান ধৰিছে তাৰ তালিকা সদনত দাখিল কৰিব।

**উত্তৰ**

মাননীয় কৃষি বিভাগৰ মন্ত্ৰী শ্ৰী অতুল বৰা দেৱে উত্তৰ দিব ঃ

(ক) কৃষি সঞ্চালক, অসমৰ পৰা লাভ কৰা কামৰ নিৰ্দেশ অনুসৰি, এই বিত্তীয় বৰ্ষত এতিয়ালৈকে অসম বীজ নিগমে ১৬৩৫৪১ কুইন্টল বিভিন্ন বীজৰ উপৰিও ১৯৯৯৬৬.৬৭ লিটাৰ আৰু ২৩০৪৫৭.৮ কিলোগ্ৰাম কীটনাশক দ্ৰব্য লগতে ২১৩৮৭৬০ লিটাৰ আৰু ২৭৩০০.৯ কুইন্টল জৈৱিক সাৰ আদি যোগান ধৰা হৈছে। এই সামগ্ৰীসমূহ জিলাভিত্তিক ভাবেহে যোগান ধৰা হয়, সমষ্টিভিত্তিক ভাবে দিয়া নহয়। সামগ্ৰী সমূহৰ তালিকা পৰিশিষ্ঠ 'ক" ত (Annexure-1) দাখিল কৰা হ'ল।

তেনেদৰে উদ্যান শস্য আৰু খাদ্য সংসাধন সঞ্চালকালয়, অসমৰ অধীনৰত চলি থকা উত্তৰ পূৰ্বাঞ্চল আৰু হিমালয় পাদদেশৰ ৰাজ্যসমূহৰ বাবে উদ্যান শস্য অভিযান চমুকৈ HMNEH আঁচনিৰ অধীনত স্থানীয় জিলা কৃষি বিষয়াৰ অনুমোদন সাপেক্ষে ক্ষুদ্ৰ নাৰ্চাৰী, প্ৰাথমিক সংসাধন কেন্দ্ৰ, কাঠফুলা উৎপাদন কেন্দ্ৰ, কাঠফুলা বীজ উৎপাদন কেন্দ্ৰ, সেউজ গৃহ স্থাপন, শীতল ভড়াল আদি নিৰ্দিষ্ট ৰেহাই মূল্যত যোগান ধৰাৰ ব্যৱস্থা আছে। ইয়াৰ উপৰিও এই আঁচনিৰ অধীনত Strawberry, Dragon Fruit, Orange Budded, Guava Grafted, Assam Lemon, Apple Ber, Jackfruit, Pine Apple, Cut Flower, Loose Flower, Bulbose Flower, Ginger, Turmeric, Black Pepper, Cocoa, Cashew আদি বিভিন্ন উন্নত মানৰ প্ৰজাতিৰ পুলি বিতৰণ কৰাৰ লগতে Chaff Cutter, Pole Pruner, Electric Dryer, Bobble Dryer, Heat Pump Dryer আদি আধুনিক কৃষি-সজুলি যোগান ধৰা হৈছে।

Per Drop More Crop আচঁনিৰ অধীনত Drip আৰু Sprinkler Irrigation systems উপায়ন্ত আৰু ক্ষুদ্ৰ খেতিয়কৰ মাজত ৮৫ শতাংশ ৰেহাই মূল্যত আৰু অনান্য খেতিয়কৰ মাজত ৭৫ শতাশ ৰেহাই মূল্যত বিতৰণ কৰা হয়। ইয়াৰ উপৰিও Diesel, Electric আৰু Petrol Pump Sets ৫০ শতাংশ ৰেহাই মূল্যত Drip আৰু Sprinkler Irrigation systems ৰ সুবিধা লাভ কৰা খেতিয়কৰ মাজত বিতৰণ কৰা হয়।

উদ্যান শস্য আৰু খাদ্য সংসাধন সঞ্চালকালয়, অসমে যিহেতু জিলা ভিত্তিত সামগ্ৰী বিতৰণ কৰে, সেয়েহে সমষ্টি ভিত্তিত প্ৰকল্পৰ তালিকা উপলব্ধ নহয়।

(খ) উপৰোক্ত সামগ্ৰীসমূহ অসম বীজ নিগমে নিৰ্বাচিত যোগানকাৰীৰ (Empaneled) জৰিয়তে যোগান ধৰে। যোগানকাৰীসকলৰ নাম Annexure-IIত উল্লেখ কৰা হ'ল।

উদ্যান শস্য আৰু খাদ্য সংসাধন সঞ্চালকালয়, অসমে HMNEH আঁচনিৰ অধীনত কৃসকসকলক প্ৰদান কৰা সামগ্ৰী সমূহ নিবিদাৰ জৰিয়তে বাচনি কৰা যোগান কাৰী বা প্ৰতিস্থানৰ জৰিয়তে জিলা ভিত্তিত বিতৰণ কৰে।

Per Drop More Crop আচঁনিৰ অধীনত বিতৰণ কৰা Drip আৰু Sprinkler Irrigation systems ৰ লগত জড়িত সামগ্ৰীসমূহ নিবিদাৰ জৰিয়তে Empanel কৰা Micro Irrigation প্ৰস্তুতকাৰী প্ৰতিস্থান সমূহে খেতিয়কৰ মাজত বিতৰণ কৰে। এই সামগ্ৰী সমূহ বিতৰণ কৰা ঠিকাদাৰ বা প্ৰতিস্থানৰ নাম Annexure-III ত উল্লেখ কৰা হ'ল।

*************

পৰিশিষ্ট (Annexure) সমূহ PDF আকাৰে অনলাইন যোগে www.cms.neva.gov.in ত দাখিল কৰা হ'ল।

অসম বিধান সভা
তৰাবিহীন প্ৰশ্ন নং : ৭০
উত্তৰ দানৰ তাৰিখ : ১৮/০২/২০২৬
*বিষয়ঃ* **কৃষি যান্ত্ৰিকীকৰণৰ সঁজুলি**
বিধায়কৰ নাম : শ্ৰীআমিনুল ইছলাম (জ্যেষ্ঠ)ঃ

মাননীয় কৃষি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

নগাঁও আৰু মৰিগাঁও জিলাত যোৱা ৬ বছৰত কৃষি যান্ত্ৰিকীকৰণৰ বিভিন্ন আঁচনিৰ জৰিয়তে বিভিন্ন সা-সঁজুলি পোৱা হিতাধিকাৰী সকলৰ নাম, ঠিকনাসহ তালিকা সদনত দাখিল কৰিব।

উত্তৰ

মাননীয় কৃষি বিভাগৰ মন্ত্ৰী শ্ৰী অতুল বৰা দেৱে উত্তৰ দিব :

নগাওঁ আৰু মৰিগাঁও জিলাত যোৱা ৬ বছৰত কৃষি যান্ত্ৰিকীকৰণৰ বিভিন্ন আঁচনিৰ জৰিয়তে বিভিন্ন সা-সঁজুলি পোৱা হিতাধিকাৰী সকলৰ নাম, ঠিকনাসহ তালিকা ক্ৰমে ANNEXURE-A আৰু ANNEXURE-B'ত PDF আকাৰে অনলাইন যোগে (https://cms.neva.gov.in/)ত দাখিল কৰা হ'ল।

*************

# অসম বিধান সভা

## তৰা বিহীন প্ৰশ্ন নং – ৭১

## উত্তৰ দিয়াৰ তাৰিখ : ১৮/০২/২০২৬

বিষয় : অসম চুক্তি ৰূপায়ণ সন্দৰ্ভত | বিধায়ক : শ্ৰীপোনাকণ বৰুৱা:

## প্ৰশ্ন

মাননীয় অসম চুক্তি ৰূপায়ণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) ১৯৮৫ চনৰ ১৫ আগষ্টত স্বাক্ষৰিত অসম চুক্তিৰ কোন সমূহ দফা সম্পূৰ্ণ কাৰ্য্যকৰী হৈছে? কোনসমূহ দফা কাৰ্য্যকৰী কৰাৰ ব্যৱস্থা চলি আছে? বিতংকৈ জনাব।

(খ) কোন সমূহ দফা কাৰ্য্যকৰী হোৱা নাই? কিয় হোৱা নাই? বিতংকৈ জনাব।

(গ) অসম চুক্তিৰ সকলো দফা সম্পূৰ্ণকৈ কাৰ্য্যকৰী হ'বলৈ আৰু কিমান দিন লাগিব?

## উত্তৰ

মাননীয় অসম চুক্তি ৰূপায়ণ বিভাগৰ মন্ত্ৰী শ্ৰীযুত অতুল বৰা মহোদয়ে উত্তৰ দিব:

(ক) ১৯৮৫ চনৰ ১৫ আগষ্টত স্বাক্ষৰিত অসম চুক্তি খনত থকা দফা সমুহৰ ৰূপায়ণৰ কাম প্ৰায় অধিক অংশই কাৰ্য্যকৰী হৈছে। প্ৰাক্তন ন্যায়াধীশ বিপ্লৱ কুমাৰ শৰ্মাৰ অধ্যক্ষতাত গঠন কৰি দিয়া সমিতিখনৰ পৰামৰ্শসমুহ অতি শীঘ্ৰে ৰূপায়ণৰ বাবে মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ অধ্যক্ষতাত সিদ্ধান্ত গ্ৰহণ কৰা হৈছে। ইতিমধ্যে ২০২৫-২৬ বিত্তীয় বৰ্ষত ৰাজ্য চৰকাৰে প্ৰয়োজনীয় বাজেট ঘোষণা কৰি পৰামৰ্শসমুহ অতি শীঘ্ৰে ৰূপায়ণৰ বাবে ব্যৱস্থা গ্ৰহন কৰা হৈছে। অসম চুক্তিৰ বিভিন্ন দফাৰ কাৰ্য্যকৰীকৰনৰ বিৱৰণ **পৰিশিষ্ট 'ক'**ত উল্লেখ কৰা হ'ল।

(খ) অসম চুক্তিৰ অধিকাংশ দফাই ইতিমধ্যে ৰূপায়ণ হৈ গৈছে। কিছুমান দফা ৰূপায়ণৰ কাম গতানুগতিক বিষয়ৰ ওপৰত নিৰ্ভৰশীল যিহেতুকে কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰৰ সংশ্লিষ্ট বিভাগ সমুহৰ দ্বাৰা সময়ে সময়ে আৰু পৰ্য্যায়ক্ৰমে ৰূপায়িত হৈ আছে।

(গ) উত্তৰ 'খ' দ্ৰষ্টব্য।

*****

**অসম বিধান সভা**
**তৰাবিহিন প্ৰশ্ন নং-৭২**
**উত্তৰ দানৰ তাৰিখ: ১৮/০২/২০২৬**
**বিষয়: উদ্যান শস্যৰ আঁচনি**
**বিধায়কৰ নাম: শ্ৰীনজৰুল হক:**

মাননীয় উদ্যান শস্য, বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) বৰ্তমানে অসমত উদ্যান শস্য উন্নয়নৰ বাবে কি কি আঁচনি ৰূপায়ণ হৈ আছে?

(খ) এই আঁচনি সমূহৰ দ্বাৰা অসমত বৰ্তমানলৈকে কিমান হিতাধিকাৰী উপকৃত হৈছে? মূলধন ও ৰাজ-সাহাৰ্য্যৰ পৰিমাণসহ প্ৰতিজন হিতাধিকাৰীৰ বিপৰীতে জিলা ভিত্তিত তালিকা সদনত দাখিল কৰিব।

**উত্তৰ**

মাননীয় উদ্যান শস্য বিভাগৰ মন্ত্ৰী মহোদয়ে উত্তৰ দিব ।

(ক) উদ্যান শস্য আৰু খাদ্য সংসাধন সঞ্চালকালয়, অসমৰ অধীনত মুঠ তিনিখন কেন্দ্ৰীয় চৰকাৰৰ হিতাধীকাৰী আঁচনি আছে । আঁচনি কেইখন হ'ল -

১) উত্তৰ পূব আৰু হিমালয়ৰ পাদদেশৰ ৰাজ্যসমূহৰ বাবে উদ্যান শস্য অভিযান (HMNEH)

২) উত্তৰ পূৰ্ব্বাঞ্চলৰ বাবে জৈবিক মূল্য শৃংখল উন্নয়ন অভিযান (MOVCD-NER)

৩) প্ৰধানমন্ত্ৰী কৃষি সিঞ্চায় যোজনা (PMKSY) লঘু জলসিঞ্চন ।

(খ) উদ্যান শস্য আৰু খাদ্য সংসাধন সঞ্চালকালয়, অসমে জিলা ভিত্তিত সামগ্ৰী বিতৰণ কৰা সামগ্ৰী সমূহৰ নাম / পৰিমাণ আৰু হিতাধীকাৰীৰ সংখ্যা/ নাম 'Annexure- I', 'Annexure- II', আৰু 'Annexure-III' ত গাঠি দিয়া হ'ল।

# অসম বিধান সভা
## ২০২৬ চনৰ ১৮ ফেব্ৰুৱাৰীত উত্তৰ দিবলগীয়া
## লিখিত প্ৰশ্ন নং – ৭৩

**বিষয়ঃ প্ৰকল্প গ্ৰহণ ও বাস্তবায়ন।**

**শ্ৰী সুজাম উদ্দিন লস্কৰ, বিধায়ক**

**মাননীয়** Water Resources **বিভাগের মন্ত্রী মহোদয়ে অনুগ্রহ করিয়া জানাবেন কীঃ**

**-প্ৰশ্ন-**

ক) হাইলাকান্দি জেলায় LA-07, Katlicherra সমষ্টিতে বাকী থাকা Dyke গুলো RIDF এর অধীনে পকিকরণের কোনও পরিকল্পনা সরকারের আছে কি?

খ) যদি থাকে, তবে কবে নাগাদ তাহা পকিকরণ করা হবে?

**মাননীয় জলসম্পদ বিভাগৰ মন্ত্ৰী শ্ৰীযুত পীযুষ হাজৰীকা দেৱে উত্তৰ দিবঃ**

**– উত্তৰ–**

ক) হাইলাকান্দি জিলাৰ অন্তৰ্গত LA-07, Katlicherra বিধানসভা সমষ্টিত মুঠ 46.03 km মথাউৰী আছে আৰু ইয়াৰে প্ৰায় 18.37 km অংশ বিভিন্ন সময়ত PWD বিভাগে পকিকৰণৰ কাম কৰিছে। কিন্তু বাকী থকা 27.66 km অংশ RIDF শিতানত পকীকৰণ সম্পৰ্কে বৰ্তমানলৈ কোনো প্ৰস্তাৱ জলসম্পদ বিভাগৰ নাই। ভৱিষ্যতে লোকনিৰ্মাণ বিভাগৰ লগত আলোচনাৰ যোগেৰে ব্যৱস্থা গ্ৰহণ কৰা হ'ব।

খ) প্ৰযোজ্য নহয়।

**(উত্তৰসমূহ অনলাইন যোগে NeVA পৰ্টেলত আপলোড কৰা হৈছে )*

# অসম বিধান সভা

## ২০২৬ চনৰ ১৮ ফেব্রুৱাৰীত উত্তৰ দিবলগীয়া

## লিখিত প্ৰশ্ন নং – ৭৪

**বিষয়ঃ পথ আৰু মথাউৰি নিৰ্মাণ।**

**ড° অমিয় কুমাৰ ভূঞা, বিধায়ক**

**মাননীয় জলসম্পদ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ**

**-প্ৰশ্ন-**

(ক) বানমুক্ত অসম গঢ়া সংকল্পৰ অধীনত পথ আৰু মথাউৰি নিৰ্মাণৰ বাবে সমষ্টিভিত্তিক কি কি পৰিকল্পনা গ্ৰহণ কৰা হৈছে?

(খ) বিহপুৰীয়া সমষ্টিৰ উন্মুক্ত হৈ থকা চেঁচা নদীৰ মথাউৰি নিৰ্মাণৰ বাবে বিভাগীয়ভাৱে আঁচনি ৰূপায়ণৰ বাবে ব্যৱস্থা গ্ৰহণ কৰা হৈছে নেকি? যদি হোৱা নাই, এই আঁচনি ৰূপায়ণৰ ব্যৱস্থা কৰিব নেকি?

**মাননীয় জলসম্পদ বিভাগৰ মন্ত্ৰী শ্ৰীযুত পীযুষ হাজৰীকা দেৱে উত্তৰ দিবঃ**

**– উত্তৰ–**

ক) বানমুক্ত অসম গঢ়া সংকল্পৰ অধীনত জলসম্পদ বিভাগে বিগত ৫ বছৰত প্ৰায় ৭২৩ কিঃমিঃ নতুন মথাউৰি নিৰ্মাণৰ কাম হাতত লৈছে। গ্ৰহণ কৰা নতুন মথাউৰি আঁচনিৰ সমষ্টি ভিত্তিক তালিকা ***'পৰিশিষ্ট-ক'*** ত উল্লেখ কৰা হ'ল। ইয়াৰ উপৰিও জলসম্পদ বিভাগে বিগত ৫ বছৰত প্ৰায় ৭৯৬ কিঃমিঃ মথাউৰি ওখ তথা সৱলীকৰণৰ আঁচনি হাতত লৈছে। গ্ৰহণ কৰা আঁচনিৰ সবিশেষ তথ্য ***'পৰিশিষ্ট-খ'*** ত দাখিল কৰা হ'ল।
জলসম্পদ বিভাগে বান নিয়ন্ত্ৰণৰ বাবে পথ নিৰ্মাণৰ ব্যৱস্থা নকৰে যদিও বিভাগৰ অধীনস্থ প্ৰায় ১০০০ কিঃমিঃ দৈৰ্ঘ্যৰ মথাউৰি পকীকৰণৰ ব্যৱস্থা লোকনিৰ্মান বিভাগৰ জৰিয়তে হাতত লোৱা হৈছে। উক্ত মথাউৰিসমূহৰ সবিশেষ ***'পৰিশিষ্ট-গ'*** ত দাখিল কৰা হ'ল।

খ) বিহপুৰীয়া সমষ্টিৰ উন্মুক্ত হৈ থকা চেঁচা নদীৰ বাওঁ পাৰৰ মথাউৰি নিৰ্মাণৰ বাবে জলসম্পদ বিভাগৰ লখিমপুৰ সংমণ্ডলে "Construction of new embankment on left bank of Sessa river from Sessa PWD Bridge to PWD Road at Phuta-Bhog." (Rs. 450.00 Lakh) নামেৰে এখন আঁচনিৰ প্ৰাককলন প্ৰস্তুত কৰিছে। উক্ত আঁচনিখন ২০২৫-২৬ বিত্তীয় বৰ্ষত SOPD-G শিতানত অনুমোদন লাভ কৰিছে। উক্ত আঁচনিখনৰ নিবিদা ইতিমধ্যে আহ্বান কৰা হৈছে আৰু অতিশীঘ্ৰে আঁচনিখনৰ কাম আৰম্ভ কৰিব পৰা যাব।

*( উক্ত প্ৰশ্নৰ সৈতে পৰিশিষ্ট – 'ক', 'খ' আৰু 'গ' অনলাইন যোগে দাখিল কৰা গ'ল আৰু উত্তৰসমূহ অনলাইন যোগে NeVA পৰ্টেলত আপলোড কৰা হৈছে )*

**********

**অসম বিধান সভা**

**তৰাবিহীন প্ৰশ্ন নং - ৭৫**

**উত্তৰ দিয়াৰ তাৰিখঃ- ১৮/০২/২০২৬**

বিষয়ঃ সুৰা বিপনীৰ অনুজ্ঞাপত্ৰ

বিধায়কৰ নামঃ- শ্ৰী দিগন্ত বৰ্মন :

**প্ৰশ্ন**

মাননীয় আৱকাৰী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) ২০২০ চনত কোভিড মহামাৰীৰ প্ৰথম ঢৌৰ পৰা আজিলৈকে ৰাজ্য চৰকাৰে কিমানখন মদৰ অনুজ্ঞাপত্ৰ অনুমোদন কৰিছে ? বিতং তথ্য দাঙি ধৰিব ।

(খ) বিগত পাঁচ বছৰত কল্যাণমূলক আঁচনিসমূহত হোৱা ব্যয়ৰ ফলত সৃষ্টি হোৱা ৰাজহ ঘাটি পূৰণ কৰাত সুৰা বিপণীৰ লাইচেঞ্চৰ পৰা প্ৰাপ্ত ৰাজহ সহায়ক হৈছে নে ? এই বিষয়ে চৰকাৰে কোনো পৰ্য্যালোচনা কৰিছে নে ? যদি কৰিছে, তেন্তে অসমত নতুনকৈ দিয়া মদৰ অনুজ্ঞাপত্ৰ সমূহৰ জৰিয়তে বছৰি কিমান পৰিমাণৰ ৰাজহ সংগ্ৰহ হৈছে ? তাৰ বছৰ ভিত্তিক বিতং তথ্য দাঙি ধৰিব ।

**উত্তৰ**

মাননীয় আৱকাৰী বিভাগৰ মন্ত্ৰী শ্ৰী অতুল বৰা দেবে উত্তৰ দিবঃ

(ক) ২০২০ চনৰ পৰা আজিলৈকে ৰাজ্য চৰকাৰে ৪৯৫ খন দেশীয় আৰু ১১৯৪ খন বিদেশী মদৰ অনুজ্ঞাপত্ৰ অনুমোদন কৰিছে। জিলা ভিত্তিক বিতং তথ্য পৰিশিষ্ট "ক" ত সংলগ্ন কৰা হ'ল।

(খ) আৱকাৰী ৰাজহ পোনপটীয়াকৈ ৰাজ্যৰ ৰাজকোষত সোমায় আৰু সেই ধন ৰাজ্য চৰকাৰে বিভিন্ন শিতানত ব্যয় কৰে। কল্যাণমূলক আচনিসমূহত হোৱা ব্যয়ৰ ফলত সৃষ্টি হোৱা ৰাজহ ঘাটি পূৰণ কৰাত সুৰা বিপণীৰ লাইচেঞ্চৰ পৰা প্ৰাপ্ত ৰাজহ সহায়ক হৈছে নে নাই সেই বিষয়ে আৱকাৰী বিভাগে পৰ্য্যালোচনা কৰা নাই।

**(প্ৰশ্নৰ উত্তৰ সংলগ্নসহ অসম বিধান সভাৰ "National e-Vidhan Application (NeVA)" পৰ্টেলত উপলব্ধ)।**

***

# অসম বিধান সভা

## ২০২৬ চনৰ ১৮ ফেব্রুৱাৰীত উত্তৰ দিবলগীয়া

## লিখিত প্ৰশ্ন নং – ৭৬

**বিষয়ঃ গৰাখহনীয়া প্ৰতিৰোধ।**

**শ্ৰী আবুল কালাম ৰশিদ আলম, বিধায়ক**

**মাননীয় জলসম্পদ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ**

**-প্ৰশ্ন-**

ক) গৰাখহনীয়া প্ৰতিৰোধৰ বাবে গোৱালপাৰা বলদমাৰী চৰ আৰু আৱৰ্ত ভৱন (Circuit House)ৰ পৰা পঞ্চৰত্ন পাহাৰলৈ কি কি আঁচনি (Scheme) ৰ কাম কৰা হৈছে আৰু কি কি আঁচনি (Scheme) ৰ কাম চলি আছে আৰু কি কি আঁচনি (Scheme) ৰ কাম কৰা হ'ব? এই কামসমূহ কোন কোন ঠিকাদাৰ বা প্ৰতিষ্ঠানক দিয়া হৈছে? এই আঁচনি (Scheme) সমূহৰ কিমান টকা Payment কৰা হৈছে আৰু কিমান বাকী আছে? ইয়াৰ প্ৰত্যেকটো কামৰ DPR (Estimate) তালিকাসহ জনাব।

(খ) Road cum Embankment আঁচনিৰ দ্বাৰা গোৱালপাৰা টাউন Projection Tie Bund, Balbala to Khagrabari Phase II আৰু Sarapara to Bamunpara ৰ কাম কেতিয়া আৰু কিমান দিনৰ ভিতৰত কৰা হ'ব?

(গ) ৩৭ নং গোৱালপাৰা পূব বিধান সভা সমষ্টিৰ নৱাগত শিমলীতোলাৰ পৰা পঞ্চৰত্ন পাহাৰলৈ প্ৰত্যেক বছৰে ব্ৰহ্মপুত্ৰ নদীৰ গৰাখহনীয়াৰ ফলত হাজাৰ হাজাৰ বিঘা মাটি আৰু ঘৰ বাৰী উটুৱাই লৈ গৈ আছে তাৰ প্ৰতিকাৰৰ ব্যৱস্থা চৰকাৰে কৰিবনে? যদি নকৰে, কিয় আৰু যদি কৰিব কিমান দিনৰ ভিতৰত কৰিব?

(ঘ) পঞ্চৰত্ন-ব্ৰহ্মপুত্ৰ নদীৰ ওপৰত নিৰ্মাণ হোৱা দ্বিতীয় খন দলঙৰ ফলত পঞ্চৰত্নৰ পৰা পাগলাৰটেকলৈ গৰাখহনীয়া বৃদ্ধি পাইছে। পঞ্চৰত্নৰ পৰা পাগলাৰটেকলৈ এই গৰাখহনীয়া প্ৰতিৰোধৰ ব্যৱস্থা কৰিবনে?

(ঙ) গোৱালপাৰা জিলাৰ বলবলা অঞ্চলত থকা জিনাৰী নদী আৰু কৃষ্ণাইনদীৰ দুয়োকাষেৰে স্থায়ী বান্ধ নিৰ্মাণ কৰি Flash Flood সমস্যাৰ পৰা ৰক্ষা পাবলৈ চৰকাৰে কিবা আঁচনি হাতত লৈছেনে? যদি লৈছে সেয়া কিমান দিনৰ ভিতৰত সম্পূৰ্ণ কৰিব আৰু যদি লোৱা নাই কিয়?

**মাননীয় জলসম্পদ বিভাগৰ মন্ত্ৰী শ্ৰীযুত পীযুষ হাজৰীকা দেৱে উত্তৰ দিবঃ**

**– উত্তৰ–**

ক) গোৱালপাৰা জলসম্পদ সংমণ্ডলৰ অধীনত গৰাখহনীয়া প্ৰতিৰোধৰ বাবে গোৱালপাৰা বলদমাৰী চৰ আৰু আৱৰ্ত ভৱনৰ পৰা পঞ্চৰত্ন পাহাৰলৈ Asian Development Bank শিতানত "Climate Resilient Brahmaputra Integrated Flood and Riverbank Erosion Risk Management Project in Assam-at Goalpara Sub Project Zone-D" (CRBIFRERMP)ৰ অধীনত Phase-1 ৰ কাম সমূহ কৰি থকা হৈছে আৰু Phase-II ৰ অন্তৰ্গত কাম সমূহৰ বাবে ১৩১.৯০ কোটি টকাৰ নিবিদা প্ৰক্ৰিয়া হাতত লোৱা হৈছে আৰু এই প্ৰক্ৰিয়া সম্পূৰ্ণ হ'লেই আঁচনিৰ কাম আৰম্ভ কৰা হ'ব। ইয়াৰ লগতে বলদমাৰী চৰ (Part-3) ত

১ কিঃমিঃ দৈৰ্ঘ্যৰ গৰাখহনীয়া প্ৰতিৰোধৰ কাম NABARD RIDF-XXIX ৰ শিতানত "Anti Erosion Measures to protect Baladmari Part-III near Goalpara Town from the erosion of river Brahmaputra" নামৰ ১২.০০ কোটি টকাৰ আঁচনি খনৰ কাম সম্পূৰ্ণ হৈ উঠিছে।

উক্ত আঁচনি সমূহৰ ঠিকাদাৰ আৰু payment ৰ বিৱৰণ *Annexure-1* ত সন্নিবিষ্ট কৰা হ'ল।

খ) Road cum Embankment আঁচনিৰ কোনো ধৰণৰ কাম জলসম্পদ বিভাগৰ অধীনত চলি থকা নাই আৰু "Construction of embankment on R/B of river Dudhnoi from Tangabari to Sarapara and Bamunpara to Nandesawar under SOPD-G." নামৰ ৬.০০ কোটি টকাৰ আচঁনিৰ জৰিয়তে ছাৰাপাৰাৰ পৰা বামুণপাৰালৈ মুঠ ৬.৮ কিঃমিঃ দৈৰ্ঘ্যৰ নতুন মথাউৰিৰ ৭৭% কাম ইতিমধ্যে হৈ উঠিছে আৰু বাৰিষাৰ পূৰ্বে আঁচনিখন সম্পূৰ্ণ কৰা হ'ব।

গ) জলসম্পদ বিভাগৰ অধীনত গৰাখহনীয়া প্ৰতিৰোধৰ বাবে বলদমাৰী চৰৰ পৰা পঞ্চৰত্ন পাহাৰলৈ Asian Development Bank ৰ শিতানত "Climate Resilient Brahmaputra Integrated Flood and Riverbank Erosion Risk Management Project in Assam-Goalpara Sub Project Zone-D" (CRBIFRERMP) ৰ অধীনত Phase-I ৰ কাম সমূহ কৰি থকা হৈছে আৰু Phase-II ৰ অন্তৰ্গত কাম সমূহৰ বাবে বিভাগীয় কাম কাজ সমূহ কৰি থকা হৈছে। ইয়াৰ লগতে বলদমাৰী চৰ (Part-3) ত ১ কিঃমিঃ দৈৰ্ঘ্যৰ গৰাখহনীয়া প্ৰতিৰোধৰ কাম NABARD RIDF-XXIX ৰ শিতানত "Anti Erosion Measures to protect Baladmari Part-III near Goalpara Town from the erosion of river Brahmaputra" নামৰ ১২.০০ কোটি টকাৰ আঁচনি খনৰ কাম সম্পূৰ্ণ হৈ উঠিছে। ইয়াৰ উপৰিও শিমলিটোলা অঞ্চলত খহনীয়া প্ৰতিৰোধৰ বাবে গোৱালপাৰা জলসম্পদ সংমণ্ডলৰ জৰিয়তে PSC Porcupine আদিৰ দ্বাৰা তাৎক্ষণিক ব্যৱস্থা গ্ৰহণ কৰা হয়।

ঘ) গোৱালপাৰা জলসম্পদ সংমণ্ডলৰ দ্বাৰা "A/E measures to protect Khutamari and its adjoining area from erosion of river Brahmaputra" নামৰ আচঁনি এখনৰ বাবে ৭.৮৭ কোটি টকা ব্যয় সাপেক্ষে Memo প্ৰস্তুত কৰি 89th State TAC meeting ত উপস্থাপন কৰা হৈছিল আৰু ইতিমধ্যে প্ৰাককলন প্ৰস্তুত কৰা হৈছে। পুঁজিৰ উপলব্ধতা সাপেক্ষে আঁচনিখনৰ ৰূপায়ণৰ কাম হাতত লব পৰা হ'ব।

- ঙ) ইতিমধ্যে এই সমস্যাৰ বিষয়ে যাবতীয় জৰীপ কাৰ্য্য চলাই থকা হৈছে৷ প্ৰাককলন (DPR) প্ৰস্তুত হোৱাৰ পিছত যাবতীয় অনুমোদন আৰু পুঁজিৰ উপলব্ধতা সাপেক্ষে আঁচনি খন ৰূপায়ন কৰিব পৰা হব।

*( উক্ত প্ৰশ্নৰ সৈতে Annexure-1 অনলাইন যোগে দাখিল কৰা হ'ল আৰু উত্তৰসমূহ অনলাইন যোগে NeVA পৰ্টেলত আপলোড কৰা হৈছে )*

*****

# আসাম বিধান সভা
# তারাবিহীন প্রশ্ন নং -৭৭
# উত্তর দেওয়ার তারিখ : ১৮-০২-২০২৬

বিষয়ঃ বরাক উপত্যকায় ঐতিহ্যবাহী ধামাইল নৃত্য।

শ্রী কমলাক্ষ দে পুরকায়স্থ: বিধায়ক

**প্রশ্ন:**

মাননীয় Barak Valley Development বিভাগীয় মন্ত্রী মহোদয় অনুগ্রহ করিয়া জানাবেন কী:

(ক) বরাক উন্নয়ন বিভাগের স্থায়ী কার্য্যালয়ে মাননীয় মুখ্যমন্ত্রী মহোদয়ের কোনো অফিস বা কার্য্যালয় থাকবে কী? তাহার তথ্য সদনে প্রকাশ করার জন্য অনুরোধ করছি।

(খ) বরাক উপাত্যকায় ঐতিহ্যবাহী ধামাইল নৃত্য অনুষ্ঠিত করার জন্য বিগত দিনে যে পরিকল্পনা নেওয়া হয়েছে সে ব্যাপারে সরকার কী ধরণের পদক্ষেপ গ্রহণ করেছেন তাহার তথ্য সদনে প্রকাশ করার জন্য অনুরোধ করছি।

(গ) বরাক উপাত্যকায় আগমীদিনে যে সকল উন্নয়নমূলক কর্মসূচী উক্ত বিভাগের দ্বারা নেওয়া হবে তাহার কী কোনো ধরনের সার্ভে হবে? যদি হয়, তাহলে কবে নাগাদ হবে?

**উত্তর:**

মাননীয় বরাক উপত্যকার উন্নয়ণ বিভাগীয় মন্ত্রী শ্রীকৌশিক রায় মহোদয় উত্তর দিবেন :-

(ক) না । বরাক উপত্যকার মিনি সচিবালয়ে বিভিন্ন বিভাগের সঙ্গে বরাক উপত্যকা উন্নয়ন বিভাগের স্থায়ী কার্যালয় থাকিবে।বরাক উপত্যকার মিনি সচিবালয়ে মাননীয় মুখ্যমন্ত্রী মহোদয়ের জন্য স্থায়ী কার্যালয় ও থাকিবে।

(খ) বরাক উপত্যকার বিখ্যাত ধামাইল নৃত্যকে আরো বেশি জনপ্রিয় ও আকর্ষণীয় করে তোলার জন্য ধামাইল নৃত্য অনুষ্ঠিত করার নিমিত্ত বরাক উপত্যকা উন্নয়ন বিভাগ হইতে ইতিমধ্যে প্রয়োজনীয় পদক্ষেপ গ্রহণ করা হয়েছে। আসাম সরকারের সাংস্কৃতিক বিষয়ক সঞ্চালয় ধামাইল নৃত্য পরিবেশনের একটি সংশোধিত প্রস্তাব যাহাতে সম্ভাব্য কর্মসূচির বিবরণ, প্রাথমিক সময়রেখা ও প্রাক্কলিত ব্যয়বিবরণী দাখিল করেছে।উক্ত সংশুধিত প্রস্তাব কর্তৃপক্ষের অনুমোদনের অপেক্ষায় আছে।

(গ) হ্যাঁ, আগামী বিত্তীয় বর্ষে প্রতিটি সরকারি বিভাগ ও সংশ্লিষ্ট পক্ষের সঙ্গে আলোচনার মাধ্যমে বরাক উপত্যকায় বিভিন্ন উন্নয়ন মূলক কর্মসূচি গ্রহণ ও রূপাইত করা হইবে।

**************

# অসম বিধান সভা
## ২০২৬ চনৰ ১৮ ফেব্ৰুৱাৰীত উত্তৰ দিবলগীয়া
## লিখিত প্ৰশ্ন নং – ৭৮

**বিষয়ঃ বিষয়: মথাউৰি মেৰামতি সম্পৰ্কে।**

**শ্ৰী আফতাব উদ্দিন মোল্লা, বিধায়ক**

**মাননীয় জলসম্পদ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ**

**-প্ৰশ্ন-**

(ক) জলেশ্বৰ সমষ্টিত যিমানখিনি মথাউৰি আছে প্ৰায়খিনিৰ অৱস্থা অতি শোচনীয়, অলপ বৰষুণ দিলেই জৰাজীৰ্ণ হৈ যায় ফলত যাতায়তৰ ব্যাঘাত জন্মে, গতিকে অহা বাৰিষাৰ আগতেই মথাউৰিখিনি মেৰামতি কৰাৰ কিবা ব্যৱস্থা গ্ৰহণ কৰিছে নে? যদি কৰিছে, কেতিয়া ৰূপায়ণ কৰিব? তথ্য সহকাৰে জনাব।

**মাননীয় জলসম্পদ বিভাগৰ মন্ত্ৰী শ্ৰীযুত পীযুষ হাজৰীকা দেৱে উত্তৰ দিবঃ**

**– উত্তৰ–**

ক) জলেশ্বৰ সমষ্টিৰ অন্তৰ্গত ব্ৰহ্মপুত্ৰ নদীৰ মথাউৰিৰ জৰাজীৰ্ণ হৈ থকা অংশ সমূহৰ মেৰামতিৰ বাবে জলসম্পদ বিভাগে গোৱালপাৰা আৰু ধুবুৰী সংমণ্ডলৰ জৰিয়তে মুঠ ৮ খন আঁচনি PDNA ৰ অধীনত ৰূপায়ণৰ ব্যৱস্থা কৰা হৈছে। আঁচনি সমূহৰ ইতিমধ্যে নিবিদা আহ্বান কৰা হৈছে আৰু অনতিপলমে কাম আৰম্ভ কৰা হ'ব আৰু আগন্তুক বাৰিষাৰ আগে আগে আঁচনিৰ কাম সম্পূৰ্ণ কৰাৰ পৰিকল্পনা কৰা হৈছে। আঁচনি সমূহৰ তালিকা *'পৰিশিষ্ট-ক'* ত দাখিল কৰা হ'ল।

**(এই উত্তৰৰ সৈতে পৰিশিষ্ট-ক' অনলাইন যোগে দাখিল কৰা হ'ল আৰু উত্তৰসমূহ অনলাইন যোগে NeVA পৰ্টেলত আপলোড কৰা হৈছে )*

ASSAM LEGISLATIVE ASSEMBLY
UNSTARRED QUESTION NO.: 79
DATE OF REPLY: 18/02/2026
*Sub.* : **Lifting of fertilizer for the char areas of Barpeta district etc.**
Name of MLA: Shri. SHERMAN ALI AHMED :

Will the Minister of Agriculture be pleased to state :

(a) Who are fertilizer-retailers at Uzirarchar, Kadamtola-Chaysimana, Dharmapur-Bhatnapaty, Baghmarachar, Alopati-Majarchar, Kholabandha, Kachumara and Mahchara GP ? Please furnish GP-wise list against population of each.
(b) Where from they receive fertilizers ?
(c) Is government aware that aforesaid GPs, 30 to 80 km Barpeta District HQ, are on the south bank of Brahmaputra ?
(d) Is government aware of hefty transportation cost form north bank ?
(e) As such, would the government be pleased to deliver fertilizers to these riverine areas from south bank via Kamrup and Goalpara district ?
(f) Who are beneficiaries under SMAM for last five years under Baghbar, Mandia and Moinbari ADO Circle ? Please furnish year -wise details.
(g) What are the roles of MLAs as member of the DLSC ?
(h) Is it true that DC, Barpeta did not allow the questioner to put forward his opinion in selection of beneficiaries in DLSC Meeting of 19th June, 2025 and the questioner had to walk-out ? If yes, why ?

**Answer**

Hon'ble Minister of Agriculture, Shri Atul Bora, will Reply :

(a) There are 99 nos. active retailers under Uzirarchar, Kadamtola-Chaysimana, Dharmapur-Bhatnapaty, Baghmarachar, Alopati-Majarchar, Kholabandha, Kachumara and Mahchara GP. The details of active Retailers list is enclosed at Annexure-I.
(b) Urea fertilizer is received from Barpeta Regulated Market Committee under Assam State Agricultural Marketing Board (Barpeta district fertilizer unit), and other chemical fertilizer received from fertilizer wholesaler within the jurisdiction of Barpeta district as per availability.
(c) Yes.
(d) Yes.
(e) Additional incentive of Rs 20.00 per bag of urea is paid to the dealers/ retailers through ASAMB as to mitigate extra transportation cost for the dealers. Fertilizers other than urea may be lifted from South Bank viz Kamrup & Goalpara from these area with due permission from the District Officer of Agriculture Department to reduce transportation cost.
(f) The beneficiary list of machineries is enclosed at Annexure-II.
(g) Honourable MLA is included as a member of DLSC vide Memo No AGA.154/2022/1-A dated 25-04-2022.
(h) No such information is available with the department.

Annexures-I &II are uploaded online in PDF format at **www.cms.neva.gov.in** .

**************

**অসম বিধান সভা**
**তৰাবিহীন প্ৰশ্ন নং – ৮০**
**উত্তৰ দিয়াৰ তাৰিখ – ১৮/০২/২০২৬**

বিষয়ঃ **খেলপথাৰৰ বাবে পুঁজি**

শ্ৰীভাস্কৰ জ্যোতি বৰুৱাঃ

মাননীয় ক্ৰীড়া আৰু যুৱ কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) অসমৰ গ্ৰাম্য অঞ্চলৰ প্ৰতিভা সম্পন্ন খেলুৱৈ সকলৰ বিকাশৰ বাবে চৰকাৰে খেলুৱৈ সকলক উৎসাহ জগাবলৈ খেলপথাৰ সমূহৰ উন্নয়নৰ বাবে পুঁজিৰ যোগান ধৰিবনে, জনাব?

(খ) তিতাবৰ সমষ্টিত খেলপথাৰৰ বাবে এতিয়ালৈকে কোনো পুঁজি পোৱা নাই। চৰকাৰে অহা বিত্তীয় বৰ্ষত খেলপথাৰৰ বাবে পুঁজি নিৰ্দ্ধাৰণ কৰিব নেকি ?

মাননীয় ক্ৰীড়া আৰু যুৱ কল্যাণ বিভাগৰ মন্ত্ৰী **শ্ৰীমতী নন্দিতা গাৰ্লোচা** মহোদয়াই উত্তৰ দিবঃ

(ক) অসমৰ গ্ৰাম্য অঞ্চলৰ প্ৰতিভাসম্পন্ন খেলুৱৈসকলৰ বিকাশৰ বাবে মুখ্যমন্ত্ৰী সমগ্ৰ গ্ৰাম্য উন্নয়ন যোজনাৰ (CMSGUY) অধীনত সমগ্ৰ ৰাজ্যৰ ৫০০ খন স্কুল / ক্লাৱ / ক্ৰীড়া সন্থাৰ খেলপথাৰ উন্নয়নৰ বাবে ১০০ কোটি টকা ব্যয়সাপেক্ষ এখন অভিলাষী আঁচনি ৰূপায়ণ কৰি থকা হৈছে। উল্লেখযোগ্য যে, এই আঁচনিৰ অধীনত নিৰ্বাচিত প্ৰতিখন খেলপথাৰ উন্নয়নৰ বাবে ২০ লাখকৈ টকা ধাৰ্য কৰি পৰ্যায়ক্ৰমে পুঁজি মোকলাই দি থকা হৈছে। CMSGUY আঁচনিৰ অধীনত উন্নয়নাধীন খেলপথাৰসমূহৰ বিস্তৃত তালিকা **সংলগ্ন-ক-ত** দিয়া হল। ইয়াৰ উপৰিও, ৰাজ্যজুৰি ক্ৰীড়া আন্তঃগাঁথনি শক্তিশালী কৰাৰ উদ্দেশ্যে PWDৰ জৰিয়তে জিলা ষ্টেডিয়াম, মিনি ষ্টেডিয়াম আৰু Signature Project- ৰ অধীনত ষ্টেডিয়াম নিৰ্মাণ কাৰ্য চলি আছে।

(খ) দুখন খেলপথাৰ নিৰ্মানৰ কাম গ্ৰহণ কৰি সাফল্যৰে সম্পূৰ্ণ কৰা হৈছে। বৰ্তমান সময়ত অতিৰিক্ত ধন আৱণ্টনৰ বাবে কোনো তাৎক্ষণিক পৰিকল্পনা নাই। যোৰহাট জিলাৰ তিতাবৰ সমষ্টিৰ অন্তৰ্গত নিম্নোল্লেখিত উন্নয়ন খণ্ডৰ হিতাধিকাৰীসকলক এই আঁচনিৰ অধীনত বাছনি কৰা হৈছেঃ

| উন্নয়ন খণ্ড | হিতাধিকাৰী | ১ম কিস্তি | ২য় কিস্তি | ৩য় কিস্তি | ভৌতিক অগ্ৰগতি | ১ লাখ টকাৰ খেলৰ সামগ্ৰী বিতৰণ কৰা (হৈছে / হোৱা নাই) |
|---|---|---|---|---|---|---|
| তিতাবৰ | পদ্মৰাম শৰ্মা উচ্চতৰ মাধ্যমিক বিদ্যালয় | ৮ লাখ | ৮ লাখ | ৩ লাখ | ১০০ শতাংশ | হৈছে |
| | গড়াজান ক্ৰীড়া সন্থা | ৮ লাখ | ৮ লাখ | ৩ লাখ | ১০০ শতাংশ | হৈছে |

(সংলগ্ন পত্ৰ সমূহ '**https://cmsasla.neva.gov.in/**' পোৰটেলত আপলোড কৰা হৈছে /
**Enclosures are uploaded in the 'https://cmsasla.neva.gov.in/' portal.)**

*******

**অসম বিধান সভা**
**তৰাবিহিন প্ৰশ্ন নং : ৮১**
**উত্তৰ দানৰ তাৰিখ : ১৮/০২/২০২৬**
**বিষয় : কৃষিৰ সঁজুলি / সামগ্ৰী বিতৰণ**
**বিধায়কৰ নাম: শ্ৰী নিজানুৰ ৰহমানঃ**

মাননীয় কৃষি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) ২৪ নং গৌৰীপুৰ বিধান সভা সমষ্টিত কৃষি বিভাগৰ অধীনত যোৱা তিনিটা বিত্তীয় বৰ্ষত কৃষক সকলৰ সুবিধাৰ্থে কি কি সঁজুলি সামগ্ৰী বিতৰণ কৰাহৈছে ? (সঁজুলি / সামগ্ৰীৰ তালিকা সদনৰ মজিয়াত দাখিল কৰিব)।

(খ) সামগ্ৰীসমূহ বিতৰণৰ ক্ষেত্ৰত কি ভিত্তিত হিতাধিকাৰী বাচনি কৰা হৈছে ?

গাইডলাইন ভিত্তিত কৰা হৈছে নে ? যদি কৰা হোৱা নাই, কিয় ? (হিতাধিকাৰীৰ তালিকাৰ লগতে গাইড লাইনখন সদনত দাখিল কৰিব ।)

## উত্তৰ

মাননীয় কৃষি বিভাগৰ মন্ত্ৰী মহোদয়ে উত্তৰ দিব ।

(ক) ২৪ নং গৌৰীপুৰ বিধানসভা সমষ্টিত কৃষি বিভাগৰ অধীনত যোৱা তিনিটা বিত্তীয় বৰ্ষ ক্ৰমে ২০২৩-২৪, ২০২৪-২৫ আৰু ২০২৫-২৬ কৃষক সকলৰ সুবিধাৰ্থে তলত উল্লেখ কৰা ধৰণে সঁজুলি / সামগ্ৰী সমূহ বিতৰণ কৰা হৈছে।

i VLFMB- ( কৃষিসেৱা গোট )

ii পাৱাৰটিলাৰ- (ব্যক্তিগত খেতিয়ক)

iii . Reaper cum Binder- (ব্যক্তিগত খেতিয়ক)

iv. Paddy thresher- (ব্যক্তিগত খেতিয়ক)

V. সৌৰ শক্তি চালিত পাম্প- (ব্যক্তিগত খেতিয়ক)

vi. অগভীৰ নলী নাদৰ সৈতে ডিজেল চালিতপাম্প- (ব্যক্তিগত খেতিয়ক)

সঁজুলি/ সামগ্ৰী তালিকা "Annexure- A" ত সংলগ্ন কৰা হ'ল।

(খ) সামগ্ৰী সমূহ বিতৰণৰ ক্ষেত্ৰত কৃষি অভিযান্ত্ৰিক শাখাৰ দ্বাৰা ৰূপায়ীত আঁচনি সমূহৰ বিভাগীয় Guidelines মতে District Level Selection Committee (DLSC) ৰ দ্বাৰা বাছনি কৰা হৈছে। হিতাধিকাৰী সকলৰ তালিকা গাইডলাইনৰ ভিত্তিত কৰা হৈছে । হিতাধিকাৰী সকলৰ তালিকা আৰু গাইডলাইন "Annexure- B" ত সংলগ্ন কৰা হল।

**ASSAM LEGISLATIVE ASSEMBLY**
**UNSTARRED QUESTION NO.: 82**
**DATE OF REPLY: 18-02-2026**

Sub : **Definitions of Minorities** — Shri. SIRAJUDDIN AJMAL, Hon'ble MLA

Will the Minister of Welfare of Minorities and Development Department be pleased to state :

a) Are there different definitions of minority community in Indian context and Assam cotext ? If so, please provide details to the House.

b) Is the presence and relevance of linguistic and religious minorities in Assam recognized by the Government even today ?

c) If so, give year-wise details of schemes and funds allocated during the current year and in the last three years for the betterment of linguistic and religious minorities in the state.

d) And if not, the reasons thereof.

## ANSWER

Hon'ble Minister, Smti. Nandita Gorlosa, Welfare of Minorities and Development Department will reply :

a) There are no different definitions of minority community in Indian context and Assam context as per Section 2 (c) of the National Commission for Minorities Act, 1992 and Central Govt. Notification vide SO No. 816 (E), F. No. 1/11/93-MC (D) dated 23/10/1993 and SO. 267(E) dated 27/01/2014 and as per Section 2 (d) of the Assam State Commission for Minorities Act, 2022 as amended (copy enclosed at www.neva.gov.in as **Annexure – A, A$^1$, A$^2$, A$^3$**).

b) The Govt. of Assam has constituted Assam Linguistic Minorities Development Board in the State of Assam as per Cabinet Memorandum File No. PLB. 177/95/ dated 14/12/1995 (copy enclosed at www.neva.gov.in as **Annexure - B**).

The State Government constituted Assam Minorities Development Board (AMDB) in the year 1985 under Societies Registration Act, 1860. The objectives of AMDB are given below :

1) To formulate schemes for advancement of education of minorities and to take action for its implementation.
2) To promote employment and opportunities among the minorities.
3) To identify the problems of the economic backwardness of the minorities.

c) Year wise details of schemes and funds allocated during the current year and in the last three years for the betterment of linguistic and religious minorities of the State are enclosed at www.neva.gov.in as **Annexure - C**.

d) As stated in (c)

*****************

**ASSAM LEGISLATIVE ASSEMBLY**
**UNSTARRED QUESTION NO.: 83**
**DATE OF REPLY: 18-02-2026**

Sub : **Funds and works of PMGVK, AMDB and ABW.** Shri. ABDUR RASHID MANDAL, Hon'ble MLA

Will the Minister of Welfare of Minorities and Development Department be pleased to state :

(a) Total funds received from the Govt. of India by the State of Assam in different installments and utilized by the district commissioners under MSDP/PMJVKY since 2017-2018 to 2025-26. How much relevant state share of funds was released to the District Commissioners for utilization during the period ?

(b) Details of annual allocation and utilization of funds by the Assam Minorities Development Board furnishing the list of works implemented with amount spent annually since 2017-18 to 2025-26.

(c) Details of the Assam Board of Wakf, list of Wakf properties as per survey report no- ABW- 11/10/2013/345 dated 13th June, 2013. Rules and Procedures followed to allot Wakf property on rent or lease. Details of income of the Assam Board of Wakf and utilization of fund during the period of 2017-18 to 2025-26.

(d) Please furnish Enquiry Report of March, 2015 and action Taken Report on misappropriation of funds, illegal encroachment of Wakf Properties, inadequate record-keeping of Wakf Estate income.

**ANSWER**

Hon'ble Minister, Smti. Nandita Gorlosa, Welfare of Minorities and Development Department will reply :

(a) Total funds received from Govt. of India is Rs.1001.14 crores and Rs.972.45 crores have been utilized from 2017-18 to 2025-26 in various installments under PMJVK (erstwhile MsDP).

The following are details of funds assigned to the District Commissioners:-

| Sl. No. | Financial year | State Share of Funds released to District Commissioners (Rs. in Lakhs) |
|---|---|---|
| 1 | 2017-18 | Rs. 4628.44 |
| 2 | 2018-19 | Nil |
| 3 | 2019-20 | Rs. 507.73 |
| 4 | 2020-21 | Rs. 1427.09 |
| 5 | 2021-22 | Rs. 152.13450 |
| 6 | 2022-23 | Rs. 16130.49486 |
| 7 | 2023-24 | Rs. 146.50803 |
| 8 | 2024-25 | Rs. 887.84308 |
| 9 | 2025-26 | Rs. 850.386 |

(b) Details of annual allocation and utilization of funds by the Assam Minorities Development Board along with the list of works implemented with amount spent annually since 2017-18 to 2025-26 are enclosed at **www.cms.neva.gov.in** as **Annexure-A**.

(c) Details list of Wakf properties as per survey report no. ABW.II-10/2013/348 dtd. 13th June, 2013, enclosed at **www.cms.neva.gov.in** as **Annexure-B**.

Wakf properties are leased or rented as per provisions of Wakf Properties Lease Rule, 2014 (as amended in 2020). Copy of Wakf Properties Lease Rule, 2014 (as amended in 2020) enclosed at **www.cms.neva.gov.in** as **Annexure-C**.

The details of income of Assam Board of Wakfs and utilization of fund during the period 2017-18 to 2025-26, enclosed at **www.cms.neva.gov.in** as **Annexure-D**.

(d) The report of the House Committee on Wakf Estates & Properties enclosed at **www.cms.neva.gov.in** as **Annexure-E**.

As per the report of the House Committee, action in respect of one Wakf Estate was taken by the Assam Board of Wakfs by issuing notices to the Mutawali vide Letter No. ABW.XII-K/2015/118 dated 24-04-2015 and Letter No. ABW.XII-K/2015/117 dated 24-04-2015, directing him to produce copies of money receipts relating to payment of 7% contribution of the concerned Wakf Estate for the financial year 2009–2010.

After submission of the money receipts by the Mutawali, the same were verified by the then Audit Officer of the Assam Board of Wakfs and it was clarified that no discrepancy or misappropriation of funds was found in respect of the said Wakf Estate.

In regard to other Wakf Estates, several actions have been taken by the office of the Assam Board of Wakfs to ensure increase in revenue generation from Wakf Estates, removal of illegal encroachment and to prevent misappropriation of funds, as detailed below:

Show Cause Notices were issued to the Mutawalis vide No. ABW.XIII/K-13/420 dated 13-12-2017 due to non-execution of lease agreements with the occupants of Wakf Estates. Further, the Board issued notices and Show Cause Notices to the occupants of Wakf Estates vide No. ABW.VII-J/2/2012/283 dated 12-01-2023 and No. ABW.K/O/53/2023/29 dated 01-08-2023, directing them to execute lease agreements with the Mutawalis of the respective Wakf Estates. Further, the concerned District Commissioners were also requested to inquire and submit report on illegal encroachment of Wakf properties as per provisions of the Wakf Act, 1995 (as amended in 2013)/UMEED Act, vide letter No. ABW.XI-6/2015/29 dtd. 16th October, 2025, and No. ABW.33/2022/39 dtd. 20th January, 2026.

The Board also issued notices to all Mutawalis directing them to submit statements of accounts of Wakf Estates every financial year, in accordance with the provisions of the Wakf Act and Rules.

In regard to the misappropriation of funds and record keeping, adequate measures have been taken by the Ministry of Minority Affairs, Govt. of India, where a portal has been launched to monitor the Wakf properties as well as accounts module.

*****************

অসম বিধান সভা
তৰা বিহীন প্ৰশ্ন নং - ৮৪
উত্তৰ দিয়া তাৰিখ : ১৮/০২/২০২৬

বিষয়ঃ বিজ্ঞাপনত ব্যয় কৰা ধন সন্দৰ্ভত। শ্ৰীপ্ৰদীপ সৰকাৰ, বিধায়ক

**প্ৰশ্ন**

মাননীয় তথ্য আৰু জনসংযোগ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) ১ জুন ২০২১-২০২৬ চনৰ ৩১ জানুৱাৰী তাৰিখলৈ বাতৰিকাকতৰ আৰু ইলেক্ট্ৰনিক মিডিয়াৰ বিজ্ঞাপনত কিমান ব্যয় কৰা হৈছে?

(খ) প্ৰধানমন্ত্ৰীৰ ভ্ৰমণৰ সময়ত বিজ্ঞাপনৰ বাবে কিমান ব্যয় কৰা হৈছে?

(গ) অন্য কেন্দ্ৰীয় মন্ত্ৰীৰ অসম ভ্ৰমণৰ সময়ত বিজ্ঞাপনৰ বাবে কিমান ব্যয় কৰা হৈছে?

(ঘ) তলত দিয়া ধৰণে সভা অনুষ্ঠিত কৰাৰ বাবে ব্যয় কৰা ধনৰ সবিশেষ দাঙি ধৰিব।

| ক্ৰমিক নং | সভা | স্থান | ব্যয় |
|---|---|---|---|
| | | | |

(ঙ) সঞ্চাৰৰ মাধ্যম অনুসৰি (বেনাৰ, হৰ্ডিং, অন্যান্য) ১ জুন ২০২১-২০২৬ চনৰ ৩১ জানুৱাৰী তাৰিখলৈ ব্যয় কৰা ধনৰ সবিশেষ উদ্দেশ্যৰ সৈতে দাঙি ধৰিব।

(চ) ১ জুন ২০২১-২০২৬ চনৰ ৩১ জানুৱাৰী তাৰিখলৈ ৰাজ্য চৰকাৰৰ কিবোৰ বিজ্ঞাপনৰ বাবে কিমান ধন ব্যয় কৰা হ'ল তাৰ সবিশেষ দাঙি ধৰিব।

**উত্তৰ**

তথ্য, জনসংযোগ, মুদ্ৰণ আৰু লেখন সামগ্ৰী বিভাগৰ মাননীয় মন্ত্ৰী শ্ৰীযুত পীযুষ হাজৰীকাদেৱে উত্তৰ দিব:

(ক) তথ্য আৰু জনসংযোগ বিভাগৰ দ্বাৰা ১ জুন ২০২১ চনৰ পৰা ২০২৬ চনৰ ৩১ জানুৱাৰী তাৰিখলৈ বাতৰিকাকত আৰু ইলেক্ট্ৰনিক মিডিয়াৰ চৰকাৰী বিজ্ঞাপনৰ বাবদ খৰছ কৰা ধনৰ সবিশেষ তথ্য তলত উল্লেখ কৰা হ'ল:

- দৈনিক আঞ্চলিক বাতৰিকাকতত বিজ্ঞাপনৰ বাবদ :- ২,১৪,০৩,৩৫,৫৯৫.০০ টকা।
- দৈনিক ৰাষ্ট্ৰীয় বাতৰিকাকতত বিজ্ঞাপনৰ বাবদ :- ৮৫,৬২,২১,৫৩১.০০ টকা।

- সাপ্তাহিক বাতৰি কাকতত বিজ্ঞাপনৰ বাবদ :- ১৭,২০,১৫,৭০৫.০০ টকা।
- আলোচনীত বিজ্ঞাপনৰ বাবদ :- ১২,৮৮,৯৫,০৭৪.০০ টকা।
- বৈদ্যুতিন মাধ্যমত বিজ্ঞাপনৰ বাবদ :- ৬৯,৩৯,৪২,৫৯৩.০০ টকা।

(খ) প্ৰশ্নটোত প্ৰধানমন্ত্ৰীৰ ভ্ৰমণৰ নিৰ্দিষ্ট সময় সম্পৰ্কে কোনো উল্লেখ নথকাৰ বাবে উত্তৰ দিব পৰা নগ'ল।

(গ) প্ৰশ্নটোত অন্য কেন্দ্ৰীয় মন্ত্ৰীৰ অসম ভ্ৰমণৰ নিৰ্দিষ্ট সময় সম্পৰ্কে কোনো উল্লেখ নথকাৰ বাবে উত্তৰ দিব পৰা নগ'ল ।

(ঘ) তথ্য আৰু জনসংযোগ বিভাগে সভা অনুষ্ঠিত কৰাৰ বাবদ কোনো ধৰণৰ টকা খৰছ কৰা নাই ।

(ঙ) তথ্য আৰু জনসংযোগ বিভাগৰ দ্বাৰা ১ জুন ২০২১ চনৰ পৰা ২০২৬ চনৰ ৩১ জানুৱাৰী তাৰিখলৈ বেনাৰ, হৰ্ডিং ইত্যাদিৰ বাবদ হোৱা খৰছৰ পৰিমাণ চন অনুযায়ী তলত উল্লেখ কৰা হ'ল:

| বিত্তীয় বৰ্ষ | টকাৰ পৰিমাণ | উদ্দেশ্য |
|---|---|---|
| ২০২১-২২ | ১২,৮২,৮৮,০৫৯.০০ | জনসাধাৰণৰ মাজত বহুল প্ৰচাৰৰ বাবে |
| ২০২২-২৩ | ৬,৬৮,৭৬,৮৩৩.০০ | |
| ২০২৩-২৪ | ৭,৮৬,১২,৫৫৩.০০ | |
| ২০২৪-২৫ | ৩,৯৯,৭০,৯৩৩.০০ | |
| ২০২৫-২৬ | ২৪,৬৯,০৭,৮৪৮.০০ | |

(চ) তথ্য আৰু জনসংযোগ বিভাগৰ দ্বাৰা ১ জুন ২০২১ চনৰ পৰা ২০২৬ চনৰ ৩১ জানুৱাৰী তাৰিখলৈ ৰাজ্য চৰকাৰৰ বিজ্ঞাপনৰ বাবদ খৰছ হোৱা ধনৰ তথ্য বিজ্ঞাপনৰ মাধ্যম অনুযায়ী তলত উল্লেখ কৰা হ'ল:

- ছপা মাধ্যমৰ ( ডিছপ্লে/ক্লাছিফাইড) বিজ্ঞাপনৰ বাবদ খৰছ :- ৩২৯,৭৪,৬৭,৯০৫.০০ টকা।
- বৈদ্যুতিন মাধ্যমৰ বিজ্ঞাপনৰ বাবদ খৰছ:- ৬৯,৩৯,৪২,৫৯৩.০০ টকা।
- সামাজিক মাধ্যমৰ বিজ্ঞাপনৰ বাবদ খৰছ :- ৩৭,৮০,৭১১.০০ টকা।
- ডিজিটেল মাধ্যমৰ বিজ্ঞাপনৰ বাবদ খৰছ :- ১,৫৭,১৩,৬২৬.০০ টকা।

*******

অসম বিধান সভা

তৰা বিহীন প্ৰশ্ন নং – ৮৫

**উত্তৰ দিয়াৰ তাৰিখ : ১৮/০২/২০২৬**

বিষয় : ৯ নং দফা ৰূপায়ণ সন্দৰ্ভত বিধায়ক : শ্ৰীদেৱব্ৰত শইকীয়া:

## প্ৰশ্ন

মাননীয় অসম চুক্তি ৰূপায়ণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) দফা ৯ ৰূপায়ণৰ বাবে অনুপ্ৰৱেশ প্ৰৱণ সীমান্ত অঞ্চল চিনাক্ত কৰিবলৈ চৰকাৰে কোনো মূল্যায়ন কৰিছে নেকি? যদি কৰিছে, তেন্তে এই চিনাক্তকৰণৰ বাবে ব্যৱহৃত মানদণ্ডসমূহৰ বিতং তথ্য দাঙি ধৰিব।

(খ) অসমত সীমান্ত পৰীক্ষা চকী স্থাপন কৰাৰ ক্ষেত্ৰত ৰাজ্য চৰকাৰে কেন্দ্ৰীয় সংস্থা সমূহক সহায় কৰিছে নে? যদি কৰিছে, তেন্তে জিলা-ভিত্তিক বৰ্তমান কাৰ্য্যক্ষম চকীৰ সংখ্যা কিমান?

(গ) ভূমি বিবাদ, বন অনুমোদন বা দখলদাৰীৰ কাৰণে সীমান্ত বেৰ বা পথ নিৰ্মাণত বিলম্ব হৈছে নেকি? যদি হৈছে, তেন্তে এই সমস্যাসমূহ সমাধানৰ বাবে চৰকাৰে কি পদক্ষেপ লৈছে?

## উত্তৰ

মাননীয় অসম চুক্তি ৰূপায়ণ বিভাগৰ মন্ত্ৰী শ্ৰীযুত অতুল বৰা মহোদয়ে উত্তৰ দিব:

(ক) গৃহ আৰু ৰাজনৈতিক বিভাগৰ পৰা পোৱা তথ্য অনুসৰি অসমৰ লগত বাংলাদেশৰ গোটেই ২৯১.২০৮ কি.মি. দৈৰ্ঘ্যৰ আন্ত:ৰাষ্ট্ৰীয় সীমা আৰু নিকটবৰ্তী অঞ্চলসমূহক অনুপ্ৰৱেশ প্ৰৱণ বুলি গণ্য কৰা হৈছে। সেয়েহে উক্ত আন্ত:ৰাষ্ট্ৰীয় সীমান্ত অঞ্চল সমূহত ৯১ টা BSF BOP(Border Out Post), 2nd Line of Defence ৰ ১4 টা অসম আৰক্ষীৰ BOP, আৰু ১4 টা তহলদাবী চকী (Patrol Post) সক্ৰিয় হৈ আছে। ইয়াৰোপৰি উক্ত অনুপ্ৰৱেশ বোধ কৰাৰ বাবে অসম বাংলাদেশ সীমান্তত নতুনকৈ ১৩ টা অতিৰিক্ত অসম আৰক্ষীৰ BOP আৰু ১২ খন সীমান্ত আৰক্ষী থানা স্থাপনৰ প্ৰক্ৰিয়া চলি আছে।

2nd Line of Defence হিচাপে ভাৰত-বাংলাদেশ সীমান্তত প্ৰতিষ্ঠিত BOP আৰু PP সমূহত নিয়োজিত অসম আৰক্ষীৰ জোৱানসকলে অনুপ্ৰৱেশ বোধ আৰু প্ৰৱজনকাৰীক কৰায়ত্ত কৰাৰ বাবে অহৰহ গাওঁ জৰীপ কৰা, Ambush ইত্যাদি কৰা আৰু BSF আৰু গাওঁৰক্ষী বাহিনীৰ সৈতে যুটীয়াভাৱে তহল দিয়ে।

(খ) এই সংক্ৰান্তত গৃহ বিভাগৰ পৰা লাভ কৰা বিতং তথ্য পৰিশিষ্ট “ক”ত দিয়া হৈছে।

(গ) সীমান্ত বেৰ বা পথ নিৰ্মাণৰ বিষয়বস্তু কেন্দ্ৰীয় চৰকাৰৰ আওঁতাত পৰে। ভূমি বিবাদ, বন অনুমোদন বা দখলদাৰীৰ কাৰণে সীমান্ত বেৰ বা পথ নিৰ্মাণত বিলম্ব হোৱা কথা ৰাজ্য চৰকাৰৰ জ্ঞাত নহয়।

*****

**অসম বিধান সভা**

**তৰাৰিহীন প্ৰশ্ন নং - ৮৬**

**বিষয়ঃ কাটিগড়া বিধানসভা এলাকার অন্তর্গত নতুন রেশন কার্ড প্রদানের ক্ষেত্রে জনসংখ্যা সংক্রান্ত তথ্য ও আবেদন প্রক্রিয়ায় গুরুতর গরমিল প্রসঙ্গে।**

**বিধায়কৰ নাম :- শ্ৰীখলিল উদ্দিন মজুমদাৰঃ**

**উত্তৰ দিয়া তাৰিখ :- ১৮-০২-২০২৬**

**<u>প্ৰশ্নঃ</u>**

মাননীয় খাদ্য, রাজহুয়া বিতরণ ও উপভোক্তা পরিক্রমা বিভাগের মন্ত্রী মহোদয় অনুগ্রহ কা. া

জানাবেন কীঃ

(ক) কাটিগড়া বিধানসভা এলাকার একটি নির্দিষ্ট অঞ্চলে প্রায় সাড়ে চার হাজার (৪,৫০০) জনসংখ্যার ভিত্তিতে নতুন রেশন কার্ড প্রদানের উদ্দেশ্যে সরকারি দপ্তরে তথ্য প্রদান করা হয়েছিল, কিন্তু বাস্তবে উক্ত জনসংখ্যার একটি বড় অংশের আবেদন গ্রহণই করা হয়নি, ফলে বহু যোগ্য পরিবার নতুন রেশন কার্ড থেকে বঞ্চিত হয়েছে, এই বিষয়ে সরকার অবগত কি ?

(খ) প্রদত্ত জনসংখ্যাগত তথ্য ও বাস্তবে গৃহীত আবেদনের সংখ্যার মধ্যে এই গুরুতর অসামঞ্জস্যের জন্য দায়ী কে ? এ বিষয়ে কোনো তদন্ত বা দায়িত্ব নির্ধারণের উদ্যোগ নেওয়া হয়েছে কি ?

(গ) উক্ত গরমিলের ফলে বঞ্চিত প্রকৃত যোগ্য উপভোক্তাদের চিহ্নিত করে পুনরায় আবেদন গ্রহণ ও দ্রুত রেশন কার্ড প্রদান নিশ্চিত করার জন্য সরকার কী সময়সীমাবদ্ধ ও কার্যকর ব্যবস্থা গ্রহণ করতে চলেছে ?

**<u>উত্তৰঃ</u>**

মাননীয় খাদ্য, ৰাজহুৱা বিতৰণ আৰু উপভোক্তা পৰিক্ৰমা বিভাগৰ মন্ত্ৰী শ্ৰী কৌশিক ৰায় মহোদয়ে উত্তৰ দিবঃ

ক) কাছাৰ জিলাৰ খাদ্য, ৰাজহুৱা বিতৰণ আৰু উপভোক্তা পৰিক্ৰমা শাখাৰ, অধীক্ষকৰ পৰা পোৱা তথ্য মতে কাটিগড়া বিধান সভা সমষ্টিৰ বাবে চৰকাৰে নতুন ৰেচন কাৰ্ডৰ বাবে সৰ্বমুঠ ৪০০০ (চাৰি হাজাৰ) যোগ্য হিতাধিকাৰী নিৰ্বাচন কৰাৰ বাবে লক্ষ্য নিৰ্দ্ধাৰণ কৰিছিল। এই উদ্দেশ্যে কাটিগড়া উন্নয়ণ খণ্ড, কালাইন উন্নয়ণ খণ্ড আৰু বদৰপুৰ পৌৰ সভাৰ মাজত ৪০০০ (চাৰি হাজাৰ) হিতাধিকাৰী ভাগ কৰি যোগ্য হিতাধিকাৰীৰ পৰা আবেদন পত্ৰ বিচৰা হৈছিল। এই নিৰ্দ্ধাৰিত সংখ্যাৰ বিপৰীতে আবেদনকাৰীৰ আবেদন পত্ৰ সমূহ "Verification Committee" আৰু "Scrutiny Committee"ৰ পৰীক্ষণৰ অন্তত কাছাৰ জিলাৰ জিলা আয়ুক্ত আৰু কাছাৰ জিলাৰ সন্মানীয় অভিভাৱক মন্ত্ৰী মহোদয়ৰ অনুমোদন সাপেক্ষে উক্ত হিতীধিকাৰী সমূহ Smart PDS Portal ত Digitization কৰাৰ লগতে হিতাধিকাৰীৰ নিৰ্দ্ধাৰিত লক্ষ্যও সম্পূৰ্ণ কৰা হৈছে।

গতিকে কাটিগড়া বিধান সভা সমষ্টিৰ এলেকাত যোগ্য হিতাধিকাৰী বৈ যোৱাৰ সন্দৰ্ভত কোনো যোগ্য হিতাধিকাৰীৰ পৰা কাছাৰ জিলাৰ খাদ্য, ৰাজহুৱা বিতৰণ আৰু উপভোক্তা পৰিক্ৰমা শাখাই কোনো অভিযোগ পোৱা নাই।

খ) কাছাৰ জিলাৰ কাটিগড়া সমষ্টিৰ নতুন ৰেচন কাৰ্ডৰ বাবে নিৰ্দ্ধাৰিত ৪০০০ (চাৰি হাজাৰ) জনসংখ্যা চৰকাৰৰ সম্পূৰ্ণ নীতি নিয়মৰ মাজেৰে বাচনি কৰি Smart PDS Portal ত Digitization কৰা হৈছে। গতিকে এই বাচনি প্ৰক্ৰিয়াত কোনা ধৰণৰ অনিয়ম হোৱাৰ প্ৰশ্ন নুঠে অথবা কোনো ব্যক্তি দায়ী নহয়।

গ) যদি কোনো যোগ্য হিতাধিকাৰী পৰিয়াল বা সদস্য ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা আইনৰ অধীনত অন্তৰ্ভুক্ত নোহোৱাকৈ বৈ গৈছে, সেই পৰিয়াল বা ব্যক্তি সকলক পৰৱৰ্তী পৰ্যায়ত সিদ্ধান্ত গ্ৰহণ কৰি সামৰি লোৱাৰ ব্যৱস্থা কৰা হব।

************************************

**অসম বিধান সভা**
**তৰাবিহীন প্ৰশ্ন নং – ৮৭**
**উত্তৰ দিয়াৰ তাৰিখ – ১৮/০২/২০২৬**

বিষয়ঃ **ষ্টেডিয়ামৰ নিৰ্মাণৰ সম্পৰ্কে**
শ্ৰীজাকিৰ হুছেইন সিকদাৰঃ

মাননীয় ক্ৰীড়া আৰু যুৱ কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) পূৰ্বৰ সৰুক্ষেত্ৰী তথা বৰ্তমানৰ পাকা বেতবাৰী সমষ্টিৰ বৰবালাত নিৰ্মাণ হ'বলগীয়া ষ্টেডিয়ামৰ অনুমোদন কি পৰ্য্যায়ত আছে। বিতংকৈ সদনত জনাব।

(খ) বৰ্তমান অসমত কিমানখন ষ্টেডিয়াম নিৰ্মাণ কৰা হৈছে আৰু ইয়াৰ উপৰি বৰ্তমানলৈকে কিমানখন ষ্টেডিয়াম নিৰ্মাণৰ প্ৰস্তাৱ গ্ৰহণ কৰিছে, সেই তালিকা দিব।

মাননীয় ক্ৰীড়া আৰু যুৱ কল্যাণ বিভাগৰ মন্ত্ৰী **শ্ৰীমতী নন্দিতা গাৰ্লোচা** মহোদয়াই উত্তৰ দিবঃ

(ক) অসম চৰকাৰৰ লোকনিৰ্মাণ বিভাগৰ পৰা প্ৰাপ্ত তথ্য অনুসৰি, পূৰ্বৰ সৰুক্ষেত্ৰী তথা বৰ্তমানৰ পাকা বেতবাৰী বিধানসভা সমষ্টিৰ অন্তৰ্গত বৰবালাত নিৰ্মাণ কৰিবলগীয়া মিনি ষ্টেডিয়াম, ফুলোগুৰীৰ বাবে ১৪,৫০,৩৭,২৭৩.০০ টকাৰ এখন বিতং প্ৰকল্প প্ৰতিবেদন (DPR) অনুমোদনৰ উদ্দেশ্যে দাখিল কৰাৰ প্ৰক্ৰিয়া চলি আছে।

(খ) অসম চৰকাৰৰ লোকনিৰ্মাণ বিভাগৰ অধীনত ৰাজ্যখনৰ ১১ খন জিলাৰ প্ৰতিখনতে ৫০ কোটি টকা ব্যয়েৰে এখনকৈ জিলা ষ্টেডিয়াম নিৰ্মাণৰ এখন আঁচনিৰ সফল ৰূপায়ণৰ বাবে বিহিত ব্যৱস্থা গ্ৰহণ কৰা হৈছে। বিতং তালিকা সমূহ **পৰিষিষ্ট - 'ক' ত** দিয়া হ'ল।

আনহাতে অসম চৰকাৰৰ 'উত্তৰণ আঁচনি' ৰ অধীনত লোকনিৰ্মাণ বিভাগৰ জৰিয়তে ৰাজ্যখনৰ বিভিন্ন জিলাৰ নিৰ্মাণ কাৰ্য সম্পূৰ্ণ হোৱা / নিৰ্মীয়মান অৱস্থাত থকা মুঠ ৩১টা ক্ৰীড়া প্ৰকল্পৰ তালিকা **পৰিষিষ্ট - 'খ' ত** দিয়া হ'ল।

তাৰোপৰি, অসম চৰকাৰৰ লোকনিৰ্মাণ বিভাগৰ অধীনত ৰাজ্যখনৰ ৪০টা সমষ্টিৰ প্ৰতিটোতে ১২ কোটি টকা ব্যয়বহুল এখনকৈ মিনি ষ্টেডিয়াম নিৰ্মাণৰ আঁচনি এখনৰ সফল ৰূপায়ণৰ বাবে যাৱতীয় পদক্ষেপ গ্ৰহণ কৰা হৈছে। বিতং তালিকা সমূহ **পৰিষিষ্ট - 'গ' ত** দিয়া হ'ল।

(সংলগ্ন পত্ৰ সমূহ **'https://cmsasla.neva.gov.in/'** পোৰটেলত আপলোড কৰা হৈছে / **Enclosures are uploaded in the 'https://cmsasla.neva.gov.in/' portal.)**

*******

# অসম বিধান সভা
## ২০২৬ চনৰ ১৮ ফেব্ৰুৱাৰীত উত্তৰ দিবলগীয়া
## লিখিত প্ৰশ্ন নং – ৮৮

**বিষয়ঃ গৰাখহনীয়া প্ৰতিৰোধ।**

**শ্ৰী আমিনুল ইছলাম (জ্যেষ্ঠ)**

**মাননীয় জলসম্পদ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ**

**-প্ৰশ্ন-**

(ক) ধিং ৰাজহ চক্ৰৰ মোৰামাৰী, লেৰুৱামুখ আৰু কলিয়াবৰ সম-জিলাৰ অন্তৰ্গত বৰঘুলি, ভূৰবন্ধা এলেকাত চলি থকা নদীৰ গৰাখহনীয়া প্ৰতিৰোধ কৰা হৈছেনে?

(খ) নগাঁও আৰু মৰিগাঁও জলসম্পদ সংমণ্ডলৰ জৰিয়তে উপৰোক্ত স্থান সমূহত গৰাখহনীয়া প্ৰতিৰোধৰ বাবে কি কি আঁচনি ৰূপায়ণ কৰা হৈছে? (প্ৰতিটো আঁচনিৰ আবণ্টিত ধন, কামৰ অগ্ৰগতি, বিত্তীয় প্ৰতিবেদনসহ তালিকা দিব)।

(গ) নগাঁও আৰু মৰিগাঁও জিলাত গৰাখহনীয়াৰ স্থায়ী সমাধানৰ বাবে আৰু কি কি পদক্ষেপ হাতত লোৱা হৈছে?

**মাননীয় জলসম্পদ বিভাগৰ মন্ত্ৰী শ্ৰীযুত পীযুষ হাজৰীকা দেৱে উত্তৰ দিবঃ**

**– উত্তৰ–**

ক) ধিং ৰাজহ চক্ৰৰ বৰধূলি, ভূৰবন্ধা, মোৰামাৰী, লেৰুৱামুখ অঞ্চলত ব্ৰহ্মপুত্ৰ নদীৰ গৰাখহনীয়া প্ৰতিৰোধৰ বাবে জলসম্পদ বিভাগে ইতিমধ্যে আঁচনি হাতত লৈছে।

খ) নগাওঁ আৰু মৰিগাওঁ জলসম্পদ সংমণ্ডলৰ জৰিয়তে ৰূপায়ণ কৰা বিভিন্ন গৰাখহনীয়া প্ৰতিৰোধৰ আঁচনিৰ তালিকা ***পৰিশিষ্ট-ক*** ত দাখিল কৰা হ'ল।

গ) নগাওঁ আৰু মৰিগাওঁ জিলাত চলি থকা ব্ৰহ্মপুত্ৰ নদীৰ গৰাখহনীয়া প্ৰতিৰোধৰ বাবে হাতত লোৱা বিভিন্ন আঁচনিৰ তালিকা ***পৰিশিষ্ট-খ*** ত দাখিল কৰা হ'ল।

**(এই উত্তৰৰ সৈতে **পৰিশিষ্ট-ক** আৰু **খ** অনলাইন যোগে দাখিল কৰা হ'ল আৰু উত্তৰসমূহ অনলাইন যোগে NeVA পৰ্টেলত আপলোড কৰা হৈছে )*

***********

# অসম বিধান সভা

## ২০২৬ চনৰ ১৮ ফেব্ৰুৱাৰীত উত্তৰ দিবলগীয়া

## লিখিত প্ৰশ্ন নং – ৮৯

**বিষয়ঃ বানপানী/গৰাখহনীয়া প্ৰতিৰোধ।**

**শ্ৰী নজৰুল হক, বিধায়ক**

**মাননীয় জলসম্পদ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ**

**-প্ৰশ্ন-**

ক) ধুবুৰী জলসম্পদ সংমণ্ডলৰ অধীনত কোন কোন শিতানত কি কি স্থায়ী আৰু অস্থায়ী বানপানী আৰু গৰাখহনীয়া প্ৰতিৰোধ আঁচনি/কাম ২০২২-২৩ বিত্তীয় বৰ্ষৰ পৰা বৰ্তমানলৈকে মঞ্জুৰ হৈছে? আঁচনি/মঞ্জুৰীকৃত টকাৰ পৰিমানসহ বিতং তথ্য সদনত দাখিল কৰিব।

(খ) ব্ৰহ্মপুত্ৰ, গঙ্গাধৰ আৰু টিপকাই নদীৰ বানপানী আৰু গৰাখহনীয়া প্ৰতিৰোধৰ বাবে প্ৰস্তাৱিত বিশ্ব বেংকৰ আঁচনি বৰ্তমান কোন পৰ্য্যায়ত আছে?

**মাননীয় জলসম্পদ বিভাগৰ মন্ত্ৰী শ্ৰীযুত পীযুষ হাজৰীকা দেৱে উত্তৰ দিবঃ**

**– উত্তৰ–**

ক) ধুবুৰী জলসম্পদ সংমণ্ডলৰ অধীনত ২০২২-২৩ বিত্তীয় বৰ্ষৰ পৰা বৰ্ত্তমানলৈ মঞ্জুৰীকৃত আঁচনিসমূহৰ সবিশেষ *Annexure-A* ত সন্নিৱিষ্ট কৰা হ'ল।

খ) ব্ৰহ্মপুত্ৰ, গঙ্গাধৰ আৰু টিপকাই নদীৰ বানপানী আৰু গৰাখহনীয়া প্ৰতিৰোধৰ বাবে বিশ্ববেংকৰ অধীনত কোনো ধৰণৰ আঁচনিৰ প্ৰস্তাৱ লোৱা হোৱা নাই। কিন্তু ADB ৰ অধীনত এখন আঁচনিৰ নিবিদা আহ্বান কৰা হৈছে আৰু NDMA ($15^{th}$ Finance) ৰ অধীনত দুখন আঁচনি অনুমোদনৰ বাবে চৰকাৰৰ বিবেচনাধীন হৈ আছে।

***(এই উত্তৰৰ সৈতে *Annexure-A* অনলাইন যোগে দাখিল কৰা হ'ল লগতে উত্তৰ সমূহ NeVa portal ত আপলোড কৰা হ'ল)**

****

# অসম বিধান সভা
## তৰাবিহীন প্ৰশ্ন নং – ৯০
## উত্তৰ দিয়াৰ তাৰিখ – ১৮/২/২০২৬

বিষয়ঃ **খেলপথাৰ উন্নয়ন**

ড০ অমিয় কুমাৰ ভূঞাঃ

মাননীয় ক্ৰীড়া আৰু যুৱকল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) বিহপুৰীয়া সমষ্টিত মুখ্যমন্ত্ৰী সমগ্ৰ গ্ৰাম্য খেলপথাৰ উন্নয়ন যোজনাৰ অধীনত বিহপুৰীয়া সমষ্টিত বৰ্তমানলৈকে কিমানখন খেলপথাৰ উন্নয়ন কৰা হ'ল ?

(খ) বৰ্তমানলৈকে কিমানখন গ্ৰাম্য খেলপথাৰ উন্নয়ন কৰিবলৈ বাকী আছে ? এই খেলপথাৰসমূহৰ উন্নয়নৰ বাবে কোনো আঁচনি গ্ৰহণ কৰিছে নেকি ? যদি কৰিছে, কি কি আঁচনিৰ দ্বাৰা উন্নয়নৰ ব্যৱস্থা কৰিব ? (তথ্যসহ বিতংকৈ জনাব)।

মাননীয় ক্ৰীড়া আৰু যুৱ কল্যাণ বিভাগৰ মন্ত্ৰী শ্ৰীমতী নন্দিতা গাৰ্লোচা মহোদয়াই উত্তৰ দিবঃ

(ক) মুখ্যমন্ত্ৰী সমগ্ৰ গ্ৰাম্য উন্নয়ন যোজনাৰ অধীনত সমগ্ৰ ৰাজ্যৰ ৫০০ খন খেলপথাৰ উন্নয়নৰ বাবে ১০০ কোটি টকা ব্যয়বহুল এখন অভিলাষী আঁচনি ৰূপায়ণ কৰি থকা হৈছে। উল্লেখযোগ্য যে, এই আঁচনিৰ অধীনত নিৰ্বাচিত প্ৰতিখন খেলপথাৰ উন্নয়নৰ বাবে ২০ লাখকৈ টকা ধাৰ্য কৰি পৰ্যায়ক্ৰমে পুঁজি মোকলাই দি থকা হৈছে।

লক্ষীমপুৰ জিলাৰ বিহপুৰীয়া সমষ্টিৰ অন্তৰ্গত নিম্নোল্লেখিত উন্নয়ন খণ্ডৰ হিতাধিকাৰীসকলক এই আঁচনিৰ অধীনত বাছনি কৰা হৈছেঃ

| উন্নয়ন খণ্ড | হিতাধিকাৰী | ১ম কিষ্টি | ২য় কিষ্টি | ৩য় কিষ্টি | বাস্তৱিক অগ্ৰগতি | ১ লাখ টকাৰ খেলৰ সামগ্ৰী বিতৰণ কৰা (হৈছে / হোৱা নাই) |
|---|---|---|---|---|---|---|
| বিহপুৰীয়া | পূৱ দিক্ৰং বালিকা হাইস্কুল | ৮ লাখ | ৮ লাখ | ৩ লাখ | ১০০ শতাংশ | হৈছে |
| | বিমলা প্ৰসাদ চলিহা হাইস্কুল | ৮ লাখ | ৮ লাখ | ৩ লাখ | ১০০ শতাংশ | হৈছে |
| নাৰায়ণপুৰ | ধলপুৰ উচ্চতৰ মাধ্যমিক বিদ্যালয় | ৮ লাখ | ৮ লাখ | ৩ লাখ | ১০০ শতাংশ | হৈছে |
| | শিমলুগুৰি হাইস্কুল | ৮ লাখ | ৮ লাখ | ৩ লাখ | ১০০ শতাংশ | হৈছে |

(খ) গ্ৰাম্য খেলপথাৰ উন্নয়নৰ বাবে সম্প্ৰতি অসম চৰকাৰৰ ক্ৰীড়া আৰু যুৱ কল্যাণ বিভাগে কোনো ধৰণৰ নতুন আঁচনি হাতত লোৱা নাই।

উল্লেখযোগ্য যে, ৰাজ্য চৰকাৰৰ সিদ্ধান্ত মৰ্মে, ক্ৰীড়া আন্তঃগাঁঠনি নিৰ্মাণ আৰু উন্নয়নৰ সৈতে জড়িত আটাইবোৰ কাম অসম চৰকাৰৰ লোকনিৰ্মাণ বিভাগলৈ হস্তান্তৰ কৰা হৈছে।

********

অসম বিধান সভা

**তৰাবিহীন প্ৰশ্ন নং – ৯১**

বিষয়ঃ খাদ্য আৰু অসামৰিক যোগান সম্পৰ্কে

বিধায়কৰ নামঃ শ্ৰীআবুল কালাম ৰশিদ আলমঃ

উত্তৰ দিয়া তাৰিখঃ ১৮/০২/২০২৬

**প্ৰশ্ন:**

**মাননীয় খাদ্য আৰু অসামৰিক যোগান বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ**

**(ক)** অসমত National Food Security Act (NFSA) ৰ অধীনত কিমান ৰেচনকাৰ্ডৰ হিতাধিকাৰী আছে? ইয়াৰে গোৱালপাৰা জিলা আৰু ৩৭ নং গোৱালপাৰা পূৱ বিধান সভা সমষ্টিত কিমান হিতাধিকাৰী আছে জনাব। বৰ্তমান নতুন হিতাধিকাৰী বাচনি কৰা হ'ব নেকি? হিতাধিকাৰী বাঁচনি কৰা নিয়ম (Guideline) কি?

**(খ)** গোৱালপাৰা পূৱ বিধান সভা সমষ্টিত নতুনকৈ কিমান হিতাধিকাৰী লোৱা হৈছে ?

**(গ)** গোৱালপাৰা জিলা অসামৰিক যোগান বিভাগত কেইধৰণৰ Vigilance Committee আছে? এই Vigilance Committeeৰ ২০১৯-২০২০, ২০২০-২০২১ আৰু ২০২১-২০২২ বিত্তীয় বৰ্ষত কেইটা Vigilance ৰ মিটিং হৈছিল? তাৰে Minutes Copy আৰু প্ৰস্তাৱিত সমূহৰ কপি দিব।

**(ঘ)** অসমত বৰ্তমান PDS Wheat কিমান Allotment দিয়া হয়? জিলা ভিত্তিত জনাব।

**(ঙ)** অসমত PDS Wheat সমূহ কোন কোন মিলত আটা বনোৱাৰ কাৰণে Allotment কৰা হয় জনাব।

**(চ)** গোৱালপাৰা জিলাত PDS Wheat Allotment কৰা হয় নেকি? যদি কৰা হয়, কেতিয়াৰ পৰা Allotment কৰা হ'ব জনাব।

**(ছ)** ৰাজহুৱা বিতৰণ ব্যৱস্থা (Public Distribution System) ৰ দ্ৰব্য সমূহ বহন (Carriage) কৰাৰ কাৰণে কোন কোন জিলাত কোন কোন ব্যক্তি বা প্ৰতিষ্ঠানক দিয়া হৈছে?

**(জ)** এই ৰাজহুৱা বিতৰণ ব্যৱস্থা (Public Distribution System) ৰ দ্ৰব্য সমূহ Carriage দিয়াৰ নিয়ম কি জনাব।

**উত্তৰ**

**মাননীয় খাদ্য, ৰাজহুৱা বিতৰণ আৰু উপভোক্তা পৰিক্ৰমা বিভাগৰ মন্ত্ৰী মহোদয়ে উত্তৰ দিব -**

**ক)** ফেব্ৰুৱাৰী, ২০২৬ মাহৰ বিনামূলীয়া চাউলৰ অনলাইন আৱণ্টন অনুসৰি ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা আঁচনিৰ অধীনত অসমত সৰ্বমুঠ **৭০,৭১,৮২৪** খন ৰেচন কাৰ্ড আছে আৰু ইয়াৰ বিপৰীতে **২,৪৯,৪৩,৪৮০** জন হিতাধিকাৰী আছে। গোৱালপাৰা জিলাৰ অধীনত সৰ্বমুঠ **২,২১,৫৮০** খন ৰেচন কাৰ্ডৰ বিপৰীতে **৭,৬৪,১৭৮** জন হিতাধিকাৰী আছে। সেইদৰে ৩৭ নং গোৱালপাৰা পূৱ বিধান সভা সমষ্টিত সৰ্বমুঠ **৬৪,৭০২** খন ৰেচন কাৰ্ডৰ বিপৰীতে **২,১৬,৮৪৮** জন হিতাধিকাৰীৰ আছে। ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা আইনৰ অধীনত নতুনকৈ হিতাধিকাৰীক বাচনি কৰি অন্তৰ্ভুক্তিকৰণৰ প্ৰক্ৰিয়া চলি আছে। হিতাধিকাৰী বাচনি কৰাৰ নিয়মাৱলী **সংলগ্ন 'ক'** অসম বিধান সভাৰ ৱেবচাইট www.neva.gov.in ত উপলব্ধ কৰা হ'ল।

**খ)** ৩৭ নং গোৱালপাৰা পূৱ বিধান সভা সমষ্টিত চৰকাৰৰ নিৰ্দেশ অনুসৰি **৪,০০০** নতুন হিতাধিকাৰীৰ বাচনি কৰাৰ লক্ষ্য স্থিৰ কৰা হৈছিল আৰু সেই অনুসৰি ইতিমধ্যে ৫৪০ খন নতুন ৰেচন কাৰ্ড আৰু **১৫২৮** খন বৰ্তমানৰ ৰেচন কাৰ্ডত সংযোজন কৰা হিতাধিকাৰীক লৈ ৩৭০২ সংখ্যক হিতাধিকাৰী বাচনি কৰাৰ প্ৰক্ৰিয়া সম্পূৰ্ণ কৰা হৈছে আৰু এই হিতাধিকাৰী সকলক Smart PDS ত Digitization কৰা হৈছে। বাকী থকা **২৯৮** সংখ্যক হিতাধিকাৰীৰ বাচনি প্ৰক্ৰিয়া এতিয়াও চলি আছে।

**গ)** গোৱালপাৰা জিলাত ৩ (তিনি) প্ৰকাৰৰ Vigilance & Monitoring Committee আছে। সেইবোৰ হল -

১) জিলা পৰ্যায়ৰ Vigilance & Monitoring Committee

২) ব্লক পৰ্যায়ৰ Vigilance & Monitoring Committee

৩) FPS পৰ্যায়ৰ Vigilance & Monitoring Committee

২০১৯ চনত গোৱালপাৰা জিলাত ৩ (তিনি) টা স্তৰত Vigilance & Monitoring Committee (VMC) গঠন কৰা হৈছিল যদিও ২০১৯-২০ বৰ্ষত হোৱা ক'ভিড মহামাৰীৰ বাবে উক্ত Vigilance & Monitoring Committee ৰ সভাসমূহ আহ্বান কৰিব পৰা নগ'ল। ঠিক সেইদৰে বিত্তীয় বৰ্ষ ২০২০-২০২১ & ২০২১-২০২২ বৰ্ষটো ক'ভিড-১৯ মহামাৰীৰ বাবে Vigilance & Monitoring Committee ৰ বৈঠক আহ্বান কৰিব পৰা নগ'ল।

**ঘ)** ফেব্ৰুৱাৰী, ২০২৬ মাহৰ আৱণ্টন অনুসৰি অসমত বৰ্তমান ৪,৫৭৮ মেট্ৰিক টন PDS Wheat আৱণ্টন দিয়া হৈছে। PDS Wheat ৰ জিলাভিত্তিক আৱণ্টনৰ তথ্য **সংলগ্ন-'খ'** অসম বিধান সভাৰ ৱেবচাইট www.neva.gov.in ত উপলব্ধ কৰা হ'ল।

সিপিঠিত

ঙ) অসমত বৰ্তমান PDS Wheat ৰ পৰা আটা বনোৱাৰ কাৰণে আবন্টন পোৱা নিৰ্দিষ্ট **Roller Flour Mill** আৰু **Modern Chakki Mill** সমূহৰ তালিকা জিলা ভিত্তিক তথ্য **সংলগ্ন-'গ'** অসম বিধান সভাৰ ৱেবচাইট **www.neva.gov.in** ত উপলব্ধ কৰা হ'ল।

চ) গোৱালপাৰা জিলাৰ গোৱালপাৰা ৰোলাৰ ফ্লৰ মিলৰ স্বত্বাধিকাৰীয়ে ২০১৫ চনৰ ডিচেম্বৰ মাহত সেই সময়ৰ খাদ্য, অসামৰিক যোগান আৰু উপভোক্তা পৰিক্ৰমা বিভাগৰ মাননীয় মন্ত্ৰী মহোদয়ক উদ্দেশ্যি Tide over wheat (APL) আৰু Additional APL wheat ৰ আৱন্টন নিদিবলৈ অনুৰোধ জনোৱা আৰু এই ক্ষেত্ৰত মাননীয় মন্ত্ৰী মহোদয়ে সেই সময়ৰ খাদ্য, ৰাজহুৱা বিতৰণ আৰু উপভোক্তা পৰিক্ৰমা সঞ্চালকলৈ বিহীত ব্যৱস্থাৰ্থে প্ৰেৰণ কৰা নিৰ্দেশনাৰ ভিত্তিত (তাৰিখ ১১ ডিচেম্বৰ, ২০১৫) পৰবৰ্তী সময়ৰ পৰা গোৱালপাৰা জিলাত Tide over wheat ৰ আৱন্টন দিয়া হোৱা নাই।

ইয়াৰ উপৰিও গোৱালপাৰা জিলাৰ আয়ুক্ত মহোদয়ে চিঠি নং GSG 43/2008/336 dated 22-06-2017 যোগে জনায় যে গোৱালপাৰা জিলাৰ বাবে মাহিলী আৱন্টিত ঘেঁহুৰ পৰিমাণ জিলা খনৰ চাহিদা অনুযায়ী পৰ্যাপ্ত নোহোৱাৰ বাবে গ্ৰাহক সকলৰ মাজত আটা বিতৰণৰ সময়ত বেমেজালিৰ সৃষ্টি হোৱাৰ পৰিপ্ৰেক্ষিতত গোৱালপাৰা জিলাৰ R F Mill আৰু Modern Chakki Mill ৰ বাবে ঘেঁহুৰ আৱন্টন বন্ধ কৰি দিয়াৰ বাবে অনুৰোধ জনায়। ইয়াৰ পৰবৰ্তী সময়ৰ পৰা জিলাখনৰ বাবে ঘেঁহুৰ আৱন্টন বন্ধ ৰখা হয় **সংলগ্ন- 'ঘ'** অসম বিধান সভাৰ ৱেবচাইট **www.neva.gov.in** ত উপলব্ধ কৰা হ'ল।

পৰবৰ্তী সময়ত ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা আইন, ২০১৩ (NFSA, 2013) কাৰ্যকৰী হোৱাত আৰু হিতাধিকাৰীৰ সংখ্যা বৃদ্ধি হোৱাৰ পৰিপ্ৰেক্ষিতত Tide over wheat ৰ আৱন্টন (Allocation) কমি আহে। বৰ্তমান এই Tide over wheat ৰ মাহেকীয়া আৱন্টন (Allocation) মাত্ৰ ৪৫৭৮ M.T.। উক্ত Tide over wheat খিনি বিভিন্ন জিলাৰ কৰ্তৃপক্ষই বিচৰা প্ৰয়োজনীয়তা আৰু সৰ্বাধিক চাহ বাগানৰ শ্ৰমিক থকা দিশৰ প্ৰতি লক্ষ্য ৰাখি নুন্যতম চাহিদা পূৰণ কৰি থকা হৈছে।

অৱশ্যে গোৱালপাৰা জিলাত এই Tide over wheat ৰ চাহিদা থাকিলে আৰু জিলা আয়ুক্তৰ পৰা উপযুক্ত প্ৰস্তাৱ পালে কিছু পৰিমাণে Tide over wheat ৰ আৱন্টন দিব পৰা যাব।

ছ) ৰাজহুৱা বিতৰণ ব্যৱস্থাৰ অধীনৰ "প্ৰধানমন্ত্ৰীৰ গৰীব কল্যাণ অন্ন যোজনা"(PMGKAY) আঁচনিৰ অধীনত বিনামূলীয়া চাউল পৰিবহনৰ কাৰণে বিভিন্ন জিলাৰ নিৰ্বাচিত ব্যক্তি বা প্ৰতিষ্ঠান সমূহৰ তথ্য সমূহ **সংলগ্ন- 'ঙ'** অসম বিধান সভাৰ ৱেবচাইট **www.neva.gov.in** ত উপলব্ধ কৰা হ'ল।

ইয়াৰ উপৰিও নৱেম্বৰ, ২০২৫ মাহৰ পৰা আৰম্ভ কৰা ৰাজসাহাৰ্য্যযুক্ত মচুৰ দাইল, চেনি আৰু নিমখ বিতৰণৰ বাবে ভাৰত চৰকাৰৰ অধীনস্থ NAFED (National Agricultural Co-operative Marketing Federation of India) নামৰ সংস্থাটোক এই সামগ্ৰী সমূহ যোগানৰ দায়িত্ব দিয়া হৈছে। উক্ত সামগ্ৰী সমূহ অসম চৰকাৰৰ অধীনস্থ Assam State Warehousing Corporation Ltd.(ASWC) ৰ বিভিন্ন জিলাত থকা ২৮ টা নিৰ্বাচিত ভড়ালত NAFED এ জমা কৰাৰ পিছত সংশ্লিষ্ট জিলাৰ সমবায় সমিতি/পাইকাৰী গ্ৰাহক সমবায় সমিতি (GPSS/WCCS) অথবা LAMPS সমূহে নিজৰ নিজৰ এলেকাধীন সূলভ মূল্যৰ দোকানত উপলব্ধ কৰে।

জ) ৰাজহুৱা বিতৰণ ব্যৱস্থাৰ অধীনস্থ "প্ৰধানমন্ত্ৰীৰ গৰীব কল্যাণ অন্ন যোজনা"(PMGKAY) আঁচনিৰ অধীনত বিনামূলীয়া চাউল পৰিবহণ কৰিবৰ বাবে e-Tendering ব্যৱস্থাৰ যোগেদি নিবিদা আহ্বান কৰা হয় আৰু উপযুক্ত নিবিদাকাৰীক জিলা ভিত্তিত "প্ৰধানমন্ত্ৰীৰ গৰীব কল্যাণ অন্ন যোজনা"(PMGKAY) আঁচনিৰ বিনামূলীয়া চাউল পৰিবহণ কৰিবৰ বাবে **(Tier-I আৰু Tier-II)** পৰিবহনকাৰী (Transporter) নিয়োগ কৰা হয়। যিবিলাক জিলাত Transporter য়ে e-Tendering ব্যৱস্থাত ভাগ নলয় অথবা নিৰ্বাচিত নহয় তেনে জিলাত সংশ্লিষ্ট জিলাৰ অন্তৰ্গত গাঁও পঞ্চায়ত সমবায় সমিতি (GPSS) আৰু পাইকাৰী গ্ৰাহক সমবায় সমিতি (WCCS) সমূহৰ দ্বাৰা পৰিবহণ কৰা হয়। কিছুমান জিলাত মহামান্য উচ্চ ন্যায়ালয়ত গোচৰ চলি থকাৰ পৰিপ্ৰেক্ষিতত জিলাৰ অধীনৰ গাঁও পঞ্চায়ত সমবায় সমিতি/পাইকাৰী গ্ৰাহক সমবায় সমিতিয়ে প্ৰত্যক্ষ ভাৱে Tier-I আৰু Tier-II ৰ চাউল পৰিবহন কৰি আছে।

ইয়াৰ উপৰিও নৱেম্বৰ, ২০২৫ মাহৰ পৰা আৰম্ভ কৰা ৰাজসাহাৰ্য্যযুক্ত মচুৰ দাইল, চেনি আৰু নিমখ বিতৰণৰ বাবে ভাৰত চৰকাৰৰ অধীনস্থ NAFED (National Agricultural Co-operative Marketing Federation of India) নামৰ সংস্থাটোক এই সামগ্ৰী সমূহ যোগানৰ দায়িত্ব দিয়া হৈছে। উক্ত সামগ্ৰী সমূহ অসম চৰকাৰৰ অধীনস্থ Assam State Warehousing Corporation Ltd. (ASWC) ৰ বিভিন্ন জিলাত থকা ২৮ টা নিৰ্বাচিত ভড়ালত NAFED এ জমা কৰাৰ পিছত সংশ্লিষ্ট জিলাৰ সমবায় সমিতি/পাইকাৰী গ্ৰাহক সমবায় সমিতি (GPSS/WCCS) অথবা LAMPS সমূহে নিজৰ নিজৰ এলেকাধীন সূলভ মূল্যৰ দোকানত উপলব্ধ কৰে।

********

# অসম বিধান সভা
## ২০২৬ চনৰ ১৮ ফেব্ৰুৱাৰীত উত্তৰ দিবলগীয়া
## লিখিত প্ৰশ্ন নং – ৯২

**বিষয়ঃ ব্ৰহ্মপুত্ৰৰ খহনীয়া ৰোধ সম্পৰ্কে।**

**ডাঃ আছিফ মহম্মদ নাজাৰ, বিধায়ক**

**মাননীয় জলসম্পদ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ**

**-প্ৰশ্ন-**

যোৱা কেইবছৰমানৰ ভিতৰত ব্ৰহ্মপুত্ৰৰ দ্বাৰা ভজাখাইটাৰ পৰা উলুবাৰী স্পাৰ্ক লৈকে আৰু চেনীমাৰী অঞ্চলত (চুটিগাঁও) স্পাৰৰ ওপৰৰ ফালে খহনীয়া হৈছে। ব্ৰহ্মপুত্ৰৰ খহনীয়াৰ পৰা অঞ্চলটোক ৰক্ষা কৰিবলৈ এতিয়ালৈকে চৰকাৰে কোনো স্থায়ী ব্যৱস্থা হাতত লৈছেনে?

**মাননীয় জলসম্পদ বিভাগৰ মন্ত্ৰী শ্ৰীযুত পীযুষ হাজৰীকা দেৱে উত্তৰ দিবঃ**

**– উত্তৰ-**

জলসম্পদ বিভাগৰ অধীনত ভজাইখাইটিৰ পৰা উলুবাৰী স্পাৰ লৈকে স্থায়ী প্ৰতিৰোধৰ বাবে আঁচনি লোৱা হোৱা নাই যদিও সাময়িক প্ৰতিৰোধৰ বাবে PSC Porcupine ৰে প্ৰতিৰোধৰ ব্যৱস্থা কৰি থকা হৈছে। এই অঞ্চলত খহনীয়া স্থায়ী প্ৰতিৰোধৰ বাবে Survey কৰি আঁচনি প্ৰস্তুত কৰি ৰূপায়ণৰ ব্যৱস্থা কৰা হব।

চেনীমাৰী চুতীয়াগাঁও স্পাৰৰ পূব অংশ স্থায়ী প্ৰতিৰোধৰ বাবে আঁচনি লোৱা হোৱা নাই যদিও সাময়িক প্ৰতিৰোধৰ বাবে চেনীমাৰী পূব অঞ্চলত PSC Porcupine ৰে নৈ সুঁতিৰ পথ সলনি কৰাৰ বাবে চেষ্টা কৰা হৈছে। এই অঞ্চলৰ স্থায়ী খহনীয়া প্ৰতিৰোধৰ বাবে Survey কৰি আঁচনি প্ৰস্তুত কৰাৰ যোজা কৰি থকা হৈছে

*( উক্ত প্ৰশ্নৰ সৈতে কোনো পৰিশিষ্ট অনলাইন যোগে দাখিল কৰিবলগা নাই আৰু উত্তৰসমূহ অনলাইন যোগে NeVA পৰ্টেলত আপলোড কৰা হৈছে )*

**********

**অসম বিধান সভা**

**২০২৬ চনৰ ১৮ ফেব্ৰুৱাৰীত উত্তৰ দিবলগীয়া**

**লিখিত প্ৰশ্ন নং – ৯৩**

**বিষয়ঃ পাঁচগ্ৰাম নদী ভাঙন ৰোধ সম্পৰ্কিত।**

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ, বিধায়ক**

**মাননীয়** Water Resources **বিভাগের মন্ত্রী মহোদয় অনুগ্রহ করিয়া জানাবেন কীঃ**

**-প্রশ্ন-**

পাঁচগ্রামে নদীভাঙন রোধকল্পে আসাম সরকারের জলসম্পদ বিভাগ কর্তৃক কিছু টাকা মঞ্জুর করা হয়েছে যার ফলে অস্থায়ীভাবে হলেও নদীভাঙন কিছুটা রোধ করা যাবে। কিন্তু পাঁচগ্রাম Petrol Pump to Santosh Nagar Colony NH 37 যাহা বরাক তথা ত্রিপুরা, মিজোরাম যাওয়ার Life Line হচ্ছে NH 37 তার এই এলাকা বৃষ্টির সময় নদীতে তলিয়ে যাওযার অনেক বেশী সম্ভাবনা থাকে, তাই উক্ত এলাকায় যাতে অত্যাধুনিক প্রযুক্তির ব্যবহার করে নদীভাঙন রোধকল্পে নতুন করে সরকার কী কোনো ধরনের পদক্ষেপ গ্রহণ করবেন যারফলে উক্ত এলাকায় নদীভাঙন স্থায়ীভাবে সমাধান করা যাবে।

**মাননীয় জলসম্পদ বিভাগৰ মন্ত্ৰী শ্ৰীযুত পীযুষ হাজৰীকা দেৱে উত্তৰ দিবঃ**

**– উত্তৰ–**

কাচাৰ জিলাৰ কাটিগড়া বিধান সভা সমষ্টিৰ অন্তৰ্গত পাঁচগ্ৰাম অঞ্চলটো বৰাক নদীৰ বাঁওপাৰে অবস্থিত। বিগত কেইবা বছৰ ধৰি বৰাক নদীৰ তীব্ৰ সোত আৰু নিকতবৰ্ত্তীয় পাহাৰীয়া অঞ্চলৰ পৰা বাগৰি অহা পানী Seepage আকাৰে নদীৰ পাৰলৈ বৈ আহি গড়াখহনীয়া আৰু Sloughening সমস্যাৰ সৃষ্টি কৰি আহিছে। ফলস্বৰূপে পাঁচগ্ৰাম অঞ্চলৰ এক বৃহৎ অংশ এতিয়ালৈকে নদীত বিলীন হৈ গৈছে আৰু ওচৰতে থকা NH-6 লৈ ভাবুকিৰ সৃষ্টি হৈছে।

এই গড়াখহনীয়া আৰু পাঁচগ্ৰাম অঞ্চলৰ বসতি প্ৰধান মানুহ বোৰৰ সুৰক্ষাৰ প্ৰতি লক্ষ্য ৰাখি "Anti erosion measures to protect the D/S of Panchgram Petrol Pump from the erosion of river Borak on its L/B including restoration measures at different reaches of its tributaries" নামৰ ১৪.০০ কোটি টকাৰ Memo of works এখন তৈয়াৰ কৰি ৯০ তম কাৰিকৰী উপদেষ্টা সমিতিৰ অনুমোদন সাপেক্ষে বিস্তৃত প্ৰাক্কলন প্ৰস্তুত কৰি 15th Finance Commission ৰ অধীনত ৰূপায়ণ কৰাৰ বাবে প্ৰস্তাব হাতত লোৱা হৈছিল যদিও যাবতীয় অনুমোদন নোপোৱা বাবে আঁচনি খন ৰূপায়ন কৰিব পৰা নহ'ল। কিন্তু বিগত বাৰিষাৰ সময়ছোৱাত এই পাঁচগ্ৰাম অঞ্চলত হোৱা গড়াখহনীয়াৰ ক্ষতিৰ পৰা ৰক্ষা পাবলৈ অস্থায়ী ভাবে Flood Fighting material যোগে কিছু পৰিমানে PSC Porcupine পেলাই সাময়িক প্ৰতিৰোধৰ ব্যবস্থা কৰা হৈছিল।

তাৰোপৰি, অঞ্চলটোত চলি থকা খহনীয়াৰ গভীৰতা উপলব্ধি কৰি কাৰিকৰী উপদেষ্টা সমিতিৰ এটি বিশেষজ্ঞ দলে যোৱা ৮ নৱেম্বৰ, ২০২৫ তাৰিখে অঞ্চলটো পৰিদৰ্শন কৰে আৰু এই কমিটিৰ পৰামৰ্শ মৰ্মে "Anti erosion measures to protect the D/S of Panchgram petrol pump

from the erosion of river Borak on its L/B" নামৰ ৪.০০ কোটি টকাৰ হ্ৰস্বম্যাদী অআঁচনি এখন SOPD-G শিতানত ২০২৫-২৬ বিত্তীয় বৰ্ষত ৰূপায়ণ কৰাৰ বাবে নিবিদা আহ্বান কৰা হৈছে। উল্লেখ্য যে বিশেষজ্ঞ সমিটিৰ পৰামৰ্শ অনুসৰি এই আঁচনি খনৰ জৰিয়তে বৰাক নদীৰ বাওঁপাৰে পাঁচগ্ৰাম অঞ্চলত চলি থকা খহনীয়াৰ বিপৰীত দিশত (সোঁপাৰে) নতুনকৈ সৃষ্টি হোৱা বালি চৰৰ খনন প্ৰক্ৰিয়াৰে উক্ত অঞ্চলৰ খহনীয়া প্ৰতিৰোধৰ লক্ষ্য হাতত লোৱা হৈছে। অতি সোনকালে এই কাম আৰম্ভ হ'ব। বাকী থকা অংশ Phase Wise অত্যাধুনিক প্ৰযুক্তি ব্যৱহাৰ কৰি ভৱিষ্যতে পৰিকল্পনা হাতত লোৱা হ'ব।

**(এই উত্তৰৰ সৈতে দাখিল কৰিবলগীয়া কোনো পৰিশিষ্ট নাই ।উত্তৰসমূহ অনলাইন যোগে NeVA পৰ্টেলত আপলোড কৰা হৈছে )*

**অসম বিধান সভা**

**২০২৬ চনৰ ১৮ ফেব্ৰুৱাৰীত উত্তৰ দিবলগীয়া**

**লিখিত প্ৰশ্ন নং – ৯৪**

**বিষয়ঃ গৰাখহনীয়াৰ স্থায়ী প্ৰতিৰোধ সম্পৰ্কে।**

**শ্ৰী আফতাব উদ্দিন মোল্লা, বিধায়ক**

**মাননীয় জলসম্পদ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ**

**-প্ৰশ্ন-**

(ক) গোৱালপাৰা জিলাৰ জলেশ্বৰ সমষ্টিত ADB ফালৰপৰা ব্ৰহ্মপুত্ৰ নদীৰ গৰাখহনীয়াৰ স্থায়ী প্ৰতিৰোধৰ কাম পূৰ্ণ গতিত চলি থকাৰ বাবে বিভাগীয় মন্ত্ৰী মহোদয়ক ধন্যবাদ জনালোঁ।

(খ) জলেশ্বৰ সমষ্টিৰ তুলসী বাড়ীৰ পৰা আৰম্ভ কৰি ৰোৱাৰ ভিটা, জলেশ্বৰ বিল হৈ জলেশ্বৰ ফেৰীঘাটলৈকে যি ধৰনে গৰাখহনীয়া হয়, অতি কম দিনৰ ভিতৰত ঐতিহাসিক জলেশ্বৰ বজাৰখন নাইকীয়া হৈ যাব, গতিকে এই খিনি ঠাইও ADB ৰ ফালৰ পৰা স্থায়ী প্ৰতিৰোধৰ ব্যৱস্থা কৰি দি সমষ্টিবাসীক উপকৃত কৰিবনে?

**মাননীয় জলসম্পদ বিভাগৰ মন্ত্ৰী শ্ৰীযুত পীযুষ হাজৰীকা দেৱে উত্তৰ দিবঃ**

**– উত্তৰ–**

(ক) ধন্যবাদ সূচক প্ৰস্তাবটি সাদৰেৰে গ্ৰহণ কৰা হ'ল।

(খ) জলেশ্বৰ সমষ্টিৰ চিলাৰভিটাৰ পৰা দামবাৰি লৈ 8 কিঃ মিঃ দৈৰ্ঘ্য ব্ৰহ্মপুত্ৰ নদীৰ গৰাখহনীয়া প্ৰতিৰোধৰ আঁচনি ADB ৰ অধীনত Phase-II ত অন্তৰ্ভুক্ত কৰা হৈছে। সেয়েহে তুলসীবাৰীৰ পৰা আৰম্ভ কৰি ৰোৱাৰভিটা, জলেশ্বৰ বিললৈ গৰাখহনীয়া প্ৰতিৰোধৰ কাম ADB Phase-II ত হাতত লোৱা হ'ব। কামসমূহৰ ১৩১.৯০ কোটি টকাৰ নিবিদা ইতিমধ্যে আহ্বান কৰা হৈছে। নিবিদা প্ৰক্ৰিয়া সম্পূৰ্ণ হ'লেই আঁচনিৰ কাম আৰম্ভ কৰা হ'ব। অৱশ্যে জলেশ্বৰ বিলৰ জলেশ্বৰ ফেৰী ঘাটলৈ প্ৰয়োজনীয়তা সাপেক্ষে গৰাখহনীয়া প্ৰতিৰোধৰ যাৱতীয় আঁচনি হাতত লোৱা হ'ব।

**(উত্তৰসমূহ অনলাইন যোগে NeVA পৰ্টেলত আপলোড কৰা হৈছে/ এই উত্তৰৰ সৈতে অনলাইনযোগে দাখিল কৰিবলগীয়া কোনো পৰিশিষ্ট নাই )*